

# ৰবীন্দ্ৰনাথ ঠাকুৰ আৰু তেওঁৰ চুটিগল্পঃ এটি তুলনামূলক আলোচনা


প্লাৰিতা ৰাভা
স্নাতক তৃতীয় বৰ্ষ


বিশ্ব কবি ৰীন্দ্ৰনাথ ঠাকুৰ কুৰি শতিকাৰ আধুনিক ভাৰতীয় সাহিত্যৰ এগৰাকী প্ৰসিদ্ধ যুগস্ৰষ্টা, মহাজীৱনৰ সপোন ৰচোতা আৰু প্ৰসিদ্ধ কথাশিল্পী। ভাৰতীয় জীৱনৰ চিৰন্তন আদৰ্শই ৰবীন্দ্ৰনাথক গভীৰ উপলব্ধিৰ ক্ষমতা প্ৰদান কৰি তেওঁৰ দৃষ্টি আৰু সৃষ্টিক বিশ্বমুখীকৰি তোলে।

গল্পকাৰ হিচাপে ৰবীন্দ্ৰনাথে আত্মপ্ৰকাশ কৰে ১৮৭৭চনত 'ভাৰতী' ত প্ৰকাশিত 'ভিখাৰিনী' নামৰ গল্পৰ যোগেদি। অধ্যাপক সুকুমাৰ সেনৰ মতে 'বঙলা' সাহিত্যৰ ৰবীন্দ্ৰনাথেই প্ৰথম চুটি গল্পৰ প্ৰৱৰ্তক।' 'ভিখাৰিনী' আৰু তাৰ পাছত ৰচিত 'ঘাটেৰে কথা' আৰু 'ৰাজপথেৰ কথা' আদিৰ যোগেদি ৰবীন্দ্ৰনাথে গল্প চৰ্চা আৰম্ভ কৰিলেও পৰিপূৰ্ণ অৰ্থত ইয়াক চুটিগল্প আখ্যা দিব নোৱাৰি। পৰৱৰ্তী কালত 'হিতবাদী' কাকতত প্ৰকাশিত 'দেনা-পাওনা', 'পোষ্ট মাষ্টাৰ', 'গিন্নী' 'ৰামকানাইয়েৰ নিৰ্বুদ্ধিতা', 'ব্যৱধান', 'খাতা', 'তাৰাপ্ৰসন্নেৰ কীৰ্তি' আদি গল্পৰ যোগেদি ৰবীন্দ্ৰনাথৰ গাল্পিক প্ৰতিভাৰ বিকাশ সাধিত হয়। ৰবীন্দ্ৰনাথৰ সৌন্দৰ্য্য-তন্ময়তা আৰু কবিসত্বাৰ সাৰ্থক প্ৰতিফলন গল্পকেইটিত লক্ষ্য কৰা যায়। ইয়াৰে পাছতে তেওঁ 'সাধনা' কাকতত নিৰৱচ্ছিন্নভাৱে গল্প লেখিবলৈ লয়। তেওঁৰ অধিকাংশ উল্লেখযোগ্য গল্প ১৮৯১ চনৰ পৰা ১৯০১ চনৰ ভিতৰতে ৰচিত হয়, য'ত তেওঁৰ গল্প প্ৰতিভাৰ পৰিপূৰ্ণতা লক্ষ্য কৰা যায়।

এই সময়ছোৱাত প্ৰকাশিত তেওঁৰ জনপ্ৰিয় গল্পসমূহ হ'ল 'কংকাল', 'একৰাতি', 'ত্যাগ', 'অতিথি', 'কাবুলিৱালা', 'নিসিথে', 'বিচাৰক', 'মানভঞ্জন', 'ক্ষুধিত পাষাণ', 'দুৰাশা', 'ৰাজটীকা', 'নষ্টনীড়', 'মেঘ ও ৰৌদ্ৰ', 'শাস্তি', 'সমাপ্তি' ইত্যাদি। ইয়াৰ প্ৰায়বোৰ গল্পতেই উত্তৰ বঙ্গৰ গাঁৱলীয়া প্ৰকৃতি আৰু জীৱন যাত্ৰাৰ প্ৰতিচ্ছবি অপৰূপ মহিমাৰে ভাস্কৰ হৈ উঠিছে। এই সম্পৰ্কে ভূদেব চৌধুৰীৰ মন্তব্য বেছি প্ৰণিধানযোগ্য। তেওঁ লিখিছে 'সকলো গল্পৰ দেহ-মনত কবিমনৰ মেজাজটো পৰিস্ফুট, সেয়া কিন্তু উত্তৰ বঙ্গৰ গাঁৱৰ প্ৰকৃতি আৰু গাঁৱলীয়া মানুহৰ প্ৰতি বিস্ময় আৰু অপাৰ শ্ৰদ্ধা-অনুৰাগেৰে ৰঞ্জিত।'

১৯১৪ চনত প্ৰকাশিত 'সবুজপত্ৰ' আলোচনীত প্ৰকাশিত ৰবীন্দ্ৰনাথৰ গল্পসমূহত মানৱীয় মূল্যবোধৰ ৰূপান্তৰৰ ইংগিত, ব্যক্তি স্বাতন্ত্ৰ্যৰ প্ৰতি স্পৃহা আৰু এক বিদ্ৰোহৰ সুৰ শুনিবলৈ পোৱা যায়। এই আলোচনীত প্ৰকাশিত 'হালদাৰ গোষ্ঠী', স্ত্ৰীৰ পত্ৰ, আদিত লেখকৰ প্ৰতিবাদী সুৰ

ধ্বনিত হৈছে। ইয়াৰ পাছৰ পৰাই ৰবীন্দ্ৰনাথে সম্পূৰ্ণ আধুনিক জীৱনধাৰাৰ ভেটিত গল্প লেখিবলৈ লয়।

ৰবীন্দ্ৰনাথৰ গল্পসমূহ বিশ্লেষণ কৰিলে দেখা যায় যে, তেওঁ কেইটামান বিশেষ উপায় অৱলম্বন কৰি আমাৰ প্ৰাত্যহিক জীৱনৰ ওপৰত আলোক নিক্ষেপ কৰিছে; সেয়া হ'ল- (ক) প্ৰেম, (খ) সামাজিক জীৱনত সম্পৰ্কৰ বৈচিত্ৰ্য, (গ) প্ৰকৃতিৰ সৈতে মনৰ নিগূঢ় অন্তৰঙ্গ সংযোগ আৰু (ঘ) অতি-প্ৰাকৃত স্পৰ্শ।

ৰবীন্দ্ৰনাথৰ গল্পসমূহত প্ৰেমৰ বিচিত্ৰ আৰু ৰহস্যময় বিকাশ লক্ষ্য কৰা যায়। প্ৰেমৰ ব্যৰ্থতাই জীৱনলৈ কঢ়িয়াই অনা কাৰুণ্য আৰু বেদনাকো তেওঁ গভীৰ সহানুভূতিৰ মাজৰে প্ৰকাশৰ প্ৰয়াস কৰিছে। এনেদৰে প্ৰেমৰ বিচিত্ৰ লীলাভিব্যক্তি প্ৰকাশ পোৱা তেওঁৰ উল্লেখযোগ্য গ্ৰন্থসমূহ হ'ল- 'একৰাতি', 'মহামায়া', 'সমাপ্তি', 'মাল্যদান', 'দৃষ্টিদান', 'শান্তি', 'মধ্যবৰ্তিনী', 'প্ৰায়শ্চিও', মানভঞ্জন', 'দুৰাশা', 'শেষেৰ ৰাত্ৰি' আৰু 'অধ্যাপক' ইত্যাদি। ইয়াৰে দুই এটি গল্পত লেখকৰ কবি সুলভ সৌন্দৰ্য্যা নুভূতিৰ পৰিচয় পোৱা যায়।

আমাৰ সামাজিক জীৱনত পৰম্পৰাগত মূল্যবোধ আৰু ৰীতি-নীতিৰ প্ৰাধান্য লক্ষ্য কৰা যায়। পাৰিবাৰিক জীৱনত প্ৰচলিত নিয়ম-প্ৰণালীৰ ব্যতিক্ৰম ঘটিলেই সংঘাত উপস্থিত হয়। মানুহৰ হৃদয়বৃত্তিয়ে সমাজৰ নিৰ্দ্দিষ্ট সীমা উলংঘন কৰিলে সমাজত বিচিত্ৰ ঘাত-প্ৰতিঘাতৰ সৃষ্টি হয়। ৰবীন্দ্ৰনাথে তেওঁৰ চুটিগল্পত সামাজিক আৰু পাৰিবাৰিক জীৱনৰ প্ৰচলিত পৰম্পৰা আৰু ৰীতি-নীতিৰ মাজত অলক্ষিতে দৃষ্টিগোচৰ হোৱা ছিদ্ৰৰ ভিতৰেদি প্ৰবেশ কৰি মানৱ জীৱনৰ বিচিত্ৰতা প্ৰদৰ্শন কৰিছে।

'পোষ্ট মাষ্টাৰ', 'ব্যৱধান', 'কাবুলিৱালা', 'দান প্ৰতিদান', 'মাষ্টাৰ মশায়', 'মেঘ ও ৰৌদ্ৰ', আদি এনে গল্পৰ সাৰ্থক নিদৰ্শন। দুই এটি গল্পত সামাজিক অবিচাৰ তথা সামাজিক কলংক আৰু অনগ্ৰসৰতাৰ ছবি অংকিত হৈছে। 'দেনা - পাওনা', 'যজ্ঞেশ্বৰৰ যজ্ঞ','হৈমন্তী' আদি তেনে গল্পৰ নিদৰ্শন।

কিছুমান গল্পত ৰবীন্দ্ৰনাথৰ কবি প্ৰতিভা আৰু কবিসুলভ অন্তৰ্দৃষ্টিৰ সাৰ্থক প্ৰয়োগৰ যোগেদি ৰোমাঞ্চ সৃষ্টি কৰা হৈছে। গল্পকাৰে চৰিত্ৰৰ কাৰ্য-কলাপ আৰু চিন্তা ধাৰাৰ সৈতে বহিঃ প্ৰকৃতিৰ অপূৰ্ব সমন্বয় সাধন কৰি মানৱ মনৰ সৈতে অন্তৰঙ্গতা স্থাপন কৰি গল্পবোৰৰ সৌন্দৰ্য্য আৰু মাধুৰ্য্য বৃদ্ধি কৰিছে। তেওঁৰ কেইবাটাও গল্পত প্ৰকৃতিৰ সৈতে সম্পৰ্কৰ গভীৰতা উপলব্ধি কৰিব পাৰি। 'সুভা' গল্পটিত আৰম্ভণিৰ নিগূঢ় সম্পৰ্ক ৰক্ষিত হৈছে। 'অতিথি', তাৰাপদ', আদি গল্পতো প্ৰকৃতিৰ সৈতে গভীৰ আত্মীয়তাৰ পৰিচয় পোৱা যায়। ৱৰ্ডছ্‌ৱৰ্থৰ দৰে কোনো দাৰ্শনিক মতবাদৰ দ্বাৰা প্ৰভাৱান্বিত নোহোৱাকৈয়ো ৰবীন্দ্ৰনাথে তাৰাপদ চৰিত্ৰৰ সৈতে প্ৰকৃতিৰ নিবিড় সম্পৰ্ক স্থাপনত সফলতা লাভ কৰিছে।

ৰবীন্দ্ৰনাথৰ শেহতীয়া গল্পসমূহৰ সৈতে তেওঁৰ পূৰ্বৰ গল্পসমূহৰ আদৰ্শ আৰু ৰচনা প্ৰণালী কিছু পৃথক। তেওঁৰ পূৰ্বৰ গল্পসমূহ হৃদয়ৰ গভীৰ মৰ্মস্থলৰ পৰা উদ্ভুত, আনহাতে নতুন গল্পসমূহত বাহিৰৰ চঞ্চলতাৰ আধাৰত বৈচিত্ৰ্য সৃষ্টিৰ প্ৰয়াস বিদ্যমান।

তেওঁৰ ' নষ্টনীড় ' বিষয়বস্তুৰ ফালৰপৰা অপেক্ষাকৃতভাৱে উল্লেখযোগ্য আধুনিক গল্প। 'স্ত্ৰীৰপত্ৰ 'ত নাৰীৰ অধিকাৰজনিত আন্দোলনৰ জ্বালাময়ী বাণীয়ে তীব্ৰতা লাভ কৰিছে। 'পাত্ৰ ও পাত্ৰী', 'গয়লা নম্বৰ', 'নামঞ্জুৰ', ইত্যাদি গল্পত লেখকৰ দৃষ্টি ভঙ্গী সম্পূৰ্ণ আধুনিক। হৃদয় বৃত্তিৰ পৰিবৰ্ত্তে বুদ্ধিৰ প্ৰাধান্য এই সমূহ গল্পত লক্ষ্য কৰা যায়।

ৰবীন্দ্ৰনাথৰ মৃত্যুৰ আগে আগে ৰচিত 'তিনি সংগী'ৰ অন্তৰ্গত তিনিটি গল্প 'ৰবিবাৰ', শেষ কথা' আৰু 'ল্যাবৰেটৰি 'ত অতি আধুনিক যুগৰ জীৱন পৰিস্থিতি আৰু ব্যক্তিত্বৰ পৰিচয় পোৱা যায়।

বিদ্যা তাকেহে বোলে যি যুক্তি দিব পাৰে।

*আনন্দৰাম ঢেকিয়ালফুকন।*



# জ্যোতিপ্ৰসাদ আগৰৱালাৰ কবিতাৰ সুৰ

তুলিকা দাস
প্ৰাক্তন ছাত্ৰী, অসমীয়া বিভাগ, বিকালী কলেজ

জ্যোতিপ্ৰসাদ আগৰৱালাৰ কবিতা গতিশীলতাৰ পৰিচায়ক। তেওঁৰ দৃষ্টি স্থবিৰতাৰ পিনে নহয়, ভৱিষ্যতমুখী পুৰণিৰ মাজেৰে গৈ তেওঁ নতুনক গ্ৰহণ কৰিব খোজে। ৰোমাণ্টিক হৈও তেওঁ বাস্তৱবাদী। জ্যোতিপ্ৰসাদে সত্য, শিৱ, সুন্দৰৰ ভেটিত এখনি সাংস্কৃতিক জগত প্ৰতিষ্ঠা কৰিব খোজে- য'ত প্ৰতিটো চিন্তা, প্ৰতিটো কৰ্মই হ'ব সুন্দৰ তথা সাংস্কৃতিক।

জ্যোতিৰ কবিতাত অসমীয়া জাতীয়ত্ব প্ৰত্যক্ষ কৰিলেই দেখা যায় যে এই জাতীয়ত্ব ধাৰণাই ভাৰতীয় আৰু বিশ্বজনীন ভাৱক কেতিয়াও প্ৰতিবন্ধকৰূপে থিয় হোৱা নাই। তেওঁ জাতীয়তাবাদৰ উৰ্দ্ধত উঠিবলৈ সক্ষম হৈছে। কবিয়ে “শিল্পীৰ আলোক যাত্ৰা” নামৰ কবিতাত লিখিছে-

“........... লুইতৰ পাৰে পাৰে ”
ভাৰত সাগৰলৈ মুকুতা বিচাৰি ভটিয়াও
ওপজা গাঁৰৰ পৰা
নিজৰাৰপাৰেদি ......
....
মহাভৰতৰ বাটে পৃথিৱীৰ সবাহলৈ যাওঁ”

জ্যোতি প্ৰসাদ সুন্দৰ সেৱী শিল্পী আৰু কবি আছিল। কিন্তু তেওঁ "Art for Art sake" বাদী, অকলে আপোনমনে বহি নিৰলাত আনন্দৰ গান ৰচনা কৰিবলৈ পাহৰনি নৈৰ কাষত পঁজা সজা পলায়নবাদী কবি, শিল্পী নাছিল। তেওঁ যে বিমূৰ্ত্ত সৌন্দৰ্যৰ কবি বা পূজাৰী নহয় সেই কথা তেওঁৰ “জ্যোতিধাৰা” নামৰ গদ্য ৰচনাৰ মাজতো সুন্দৰভাৱে দেখা যায় - “মানৱৰ জীৱন বিকাশেই যেতিয়া মই সাংস্কৃতিক প্ৰসংগত ৰাজনীতি, অৰ্থনীতি, দৰ্শন, বিজ্ঞান আৰু সুকুমাৰ কলাৰ কথা একেলগে সামৰি কওঁ বুজিব পাৰিছে। আচলতে মানুহৰ জীৱনটো এটা অবিভাজ্য গোট। এনে সংহত আদৰ্শ আগত ৰাখিয়েই জ্যোতিপ্ৰসাদে অনুভৱ আৰু বিশ্বাস কৰিছিল যে যি কাব্য সাহিত্য আৰু সুকুমাৰ কলা এমুঠি অভিজাত শ্ৰেণী আৰু ভাগ্যবান লোকৰ বিলাস বিনোদৰ সামগ্ৰী ৰূপে ব্যৱহৃত হয়, সেই সাহিত্য বা কলাৰ কোনো সাৰ্থকতা নাই। সেই কাৰেণেই জনতামুখী শিল্প আৰু ভাগ্যবান লোকৰ বিলাস বিনোদৰ সামগ্ৰী ৰূপে ব্যৱহৃত হয়, সেই সাহিত্য বা কলাৰ কোনো সাৰ্থকতা নাই। সেই কাৰণেই জনতামুখী শিল্প আৰু জনতাৰ সেৱাত লগা কলাৰ কোনো সাৰ্থকতা নাই। কলিকতাত থকা এই কালছোৱাতেই জ্যোতিপ্ৰসাদৰ মানস জগতত আৰম্ভ হ'ল এক ৰূপান্তৰৰ প্ৰক্ৰিয়া। তেওঁ যেন ৰোমাণ্টিকতাৰ আৱেশৰ কুঁৱলীৰ মাজৰ পৰা ক্ৰমে ক্ৰমে বাস্তৱ অভিমুখে যাত্ৰা কৰিছে। “সুন্দৰৰ জয় যাত্ৰা” নামৰ কবিতাত কবিজনাৰ মানস জগতৰ ৰূপান্তৰৰ বাতৰি পোৱা যায় এনেদৰে -

সাগৰে বেলিয়ে মিলি
পাতে কিনো খেলি মেলি
ৰূপান্তৰেদি বই
যুগান্তৰৰ নাই........
.........................
নতুনৰো নতুনেৰে ঘুৰি ঘুৰি আহ তই
নৱ আলোকেৰে পিন্ধি সুৰভিত অঞ্জন
মানুহ বৰাগীটোৰে.....................।

“সুন্দৰৰ জয়যাত্ৰা” আৰু “মানুহ বৰাগী”ত জোনাকী যুগৰ চন্দ্ৰকুমাৰৰ বীনবৰাগীৰ স্পৰ্শ এটি আছে যদিও জ্যোতিপ্ৰসাদ অধ্যাত্মিকতাৰ প্ৰভাৱৰ পৰা আঁতৰি বাস্তৱৰ মানুহৰ বিপ্লৱী সত্বাকেই সুন্দৰ বুলি উপলব্ধি কৰিছে। ৰোমাণ্টিকতাৰ আচ্ছন্ন 'সময়ত সুন্দৰে ফুলাৰ মন্ত্ৰ মাতে' - এই মন্ত্ৰৰ উচ্চাৰণত নীহাৰিকাৰ পৰা মানুহলৈকে সমগ্ৰ বিশ্বভূবনৰ বৰ্ণ, গোন্ধ, গানে, মাটি প্ৰানীৰ ৰূপ লয়, জীৱনৰ বাঁহী জাগি উঠে। এই কল্পনাত ৰোমাণ্টিকতাৰ অতি জাগতিক মোহ নাই, আছে মাটিৰ গোন্ধ। এনেধৰণৰ কল্পনাৰে তেওঁ শিৱ আৰু জনতাৰ সম্পৰ্ক ঘটাই জনতাৰ হৃদয়ৰ প্ৰতিবাদী স্পন্দন শুনে, ইতিহাসৰ গতিধাৰাৰ উমান লয়, অতীতৰ ভ্ৰান্তি, বৰ্তমানৰ কদৰ্থতা

আৰু ভৱিষ্যতৰ স্বপ্ন সম্বন্ধে সজাগ হৈ উঠে। সেয়ে শিল্পীৰ দৃষ্টিৰে তেওঁ লিখিছে-

শিল্পী মই তিনিও কালৰ
অতীতৰ
বৰ্তমানৰ

অনাগত ভৱিষ্যতৰ
আদিতেই যাত্ৰা কৰি অনাদিলৈ যাওঁ
ধ্বংসৰ মাজেদি মই
ৰূপান্তৰেদি ৰূপ পাই
.................................................
.................................................
বিশ্ব জনতাৰ এক অপূৰ্ব সংগীত।

কবিতাৰ জৰিয়তে তেওঁ জনতালৈ আহ্বান কৰিছিল সকলো ভয়, নীচতা আৰু ক্ষুদ্ৰতা বৰ্জন কৰি মানৱীয় মহত্ব প্ৰতিষ্ঠাৰ ফালে অগ্ৰসৰ হ'বলৈ। তেওঁ প্ৰবঞ্চক ধূৰন্ধৰৰ মুখা পিন্ধা দেশসেৱক সকলক কিন্তু কঠোৰ ভাষাৰে সকিয়নি দিছিল যে জনতা মূৰ্খ নহয়। জনতাই দেশ সেৱকৰ মুকাপিন্ধা বিলাকক চিনি পায়। স্বাধীনতাৰ পিচত ঘাঁহনিৰ পৰা কাৰ্পেটলৈ উঠা এচাম নেতাৰ উদ্দেশ্য তেওঁ কবিতাত লিখিছিল-

সুবিধাবাদীৰ দল।
তোৰ মিছা হ'ব কৌশল,
ৰাইজৰ তই সেৱা চুৰ কৰি
বঢ়াব খুজিছ বল।
..............................

জ্যোতিপ্ৰসাদৰ দৰে কোমল মনৰ অনুভূতিশীল মানুহজন এনে কঠোৰ আৰু ভীষণ কেনেকৈ হ'ব পাৰে, ভাবিলে অবাক হ'ব লাগে। কোনো নন্দনতাত্বিক ৰসগ্ৰাহীয়ে হয়তো এই কবিতাবোৰত কবিতাৰ গোন্ধ বিচাৰি নেপাব পাৰে, কিন্তু এওঁৰ কবিতাবোৰৰ অৰ্থ বিচাৰি অনেক শাস্ত্ৰ মতি মানুহৰ মগজুক ক্লান্ত কৰিব নালাগে। আনফালে ইয়াৰ মানৱীয় প্ৰমূল্যয়ো আমাৰ চেতনাক উদ্বুদ্ধ নকৰাকৈ নাথাকে। চকুৰ পানীৰে গীত-কবিতা লিখা জ্যোতিৰ চকুপানী এদিন জুই হৈছিল। তেওঁ বিচাৰিছিল ৰূপান্তৰ, তেওঁ চিৰ বিদ্ৰোহী 'ৰূপান্তৰেহে জগত ধুনীয়া কৰে'- এই বাণী সাৰোগত কৰি বিদ্ৰোহী উত্তাপত দুষ্কৃতিৰ কাৰাগাৰ উচ্ছন্ন কৰিবলৈ উদ্যত হৈছে।

আগ্নেয়গিৰি ফুটি
জলন্ত জ্বলাময়
অগ্নিবৃষ্টি ৰূপে
পৰোঁ জগতত
ৰজাৰ কাৰেং উৰে
ভিকহুৰো গৰ পোৰে
লেলিহান জুই জ্বলে
মোৰ অগ্নি নৃত্যত।(চিৰ বিদ্ৰোহী)

গাঁৱৰ গণ্ডীত থাকি ওপজিয়ে বিশ্ব নাগৰিক হৈ অহা জ্যোতিয়ে গাৱলীয়া বাটেৰে লুইতৰ ঘাটেৰে গাঁৱৰ সোণক পৃথিৱী চাবলৈ নিমন্ত্ৰণ জনাইছিল। ঠেক গণ্ডীৰ পৰা ওলাই জ্যোতিয়ে তেওঁৰ দেশৰ মানুহক নিজৰ জাতীয়ত্ব অক্ষুন্ন ৰাখিও আন্তজাৰ্তিক হ'বলৈ আহ্বান জনাইছে।

গাঁৱলীয়া বাটেৰে
লুইতৰ ঘাটেৰে
পৃথিৱী চাবলৈ ওলালি কোন?
গাঁৱৰে সোণ
তয়ে হবি দেশৰে জিলিকা জোন।

অসমীয়া মানুহক এনেকৈ বিশ্বজনতাৰ লগত এক ঐক্য তানেৰে বুৰাই ৰাখিব খোজাটো জ্যোতিৰ নিশ্চয় প্ৰগতিশীল মনৰ প্ৰকৃত নিদৰ্শন হ'ব। জ্যোতিয়ে গাঁৱৰ মানুহৰ জীৱন যাত্ৰাক বৰ শ্ৰদ্ধাৰ চকুৰে চাইছিল। তেওঁ গাঁৱৰ গাভৰুক উদ্দেশ্যেই কৈছে।

দেশ জিলিকা গুণ থাঁকোতে
ফুল বাছি তই তাঁত ববলৈ
সুতা গুনা নাই
সেই কাৰণেই দাঁত কামুৰি
অকাশলৈ চাৱ
.................................
.................................
বিদ্ৰোহী বিকুল।

ইয়াৰ উপৰি জ্যোতিপ্ৰসাদৰ - 'আধুনিক কবিতা', 'এটা মাতাল বনুৱা', 'ভলন্টিয়াৰৰ দুখ', 'ষ্ট্ৰীম লাইনড্ কাৰ', 'এতোৱাৰী,'এটা পগলা খেতিয়ক' ....... আদি অসমীয়া আধুনিক কবিতাৰ বেদীৰ বাস্তৱবাদী আৰু প্ৰগতিশীল কবিতা বুলি সদায় সমাদৃত হ'ব।

যিখন অসমত বিচিত্ৰ জাতি উপজাতিৰ সাহিত্য সংস্কৃতিৰ এক মহান সমন্বয়ৰ প্ৰক্ৰিয়াৰ মাজেদি অসমীয়া নামৰ এটা জাতি গঢ় লৈ উঠিছে সেই অসমত জ্যোতি প্ৰসাদে বিভিন্ন সমাজ বা জাতিৰ স্বকীয়তা বজাই ৰখাৰ বাবেও আহ্বান জনাই গৈছে। মন কৰিব লগীয়া এয়ে যে অসমৰ জাতীয় চিন্তা ভাৱনাৰ ভিত্তিত তেওঁ যিদৰে কবিতা ৰচনা কৰিছে প্ৰায় সমান্তৰালভাৱে ভাৰতীয় চেতনাৰ দ্বাৰাও গৌৰাৱ বোধ কৰি কবিতা লিখিছে- ''ন-জোৱান-ই-হিন্দ' কবিতাত তেওঁ লিখিছে

ন-জোৱান-ই হিন্দ
মই ভাৰত ন- জোৱান
জগাও পৃথিৱী
জগালো হিন্দুস্তান।
.................................
.................................

তেওঁৰ কবিতাত অংকিত হোৱা নতুন যুগৰ অসমীয়া ডেকা সকল সু-সংস্কৃতি সম্পন্ন শিল্পী, সুন্দৰৰ সেৱক আৰু নৱ বিপ্লৱী।

ইয়াৰ উপৰিও জ্যোতি প্ৰসাদে অসমীয়া কবিতালৈ অসীম প্ৰগতি আনিছিল। তেওঁৰ কবিতা স্বাধীনতাহীনতাৰ বেদনাৰে ভাৰাক্ৰান্ত, তদুপৰি তেওঁৰ হৃদয়ৰ পটভূমিত ভৱিষ্যত সম্বন্ধে যি স্বপ্ন আছিল, তাৰো ইংগিত দিয়ে তেওঁৰ কবিতাই।

# পৰিৱেশ সজাগতাত শিক্ষকৰ ভূমিকা


**ৰঘুনাথ মালো**

**স্নাতক তৃতীয় ষান্মাষিক**


সাম্প্ৰতিক কালৰ এক বহু চৰ্চিত বিষয় হ'ল পৰিৱেশ। পৰিৱেশ বুলি কওঁতে সহজাৰ্থত কোনো জীৱৰ চাৰিওফালে থকা প্ৰাকৃতিক অৱস্থাটোকে বুজায়। পৰিৱেশে জৈৱিক আৰু অজৈৱিক দুয়োবিধ উপাদানকে সামৰি লয়। ভূ-প্ৰকৃতি, পানী, জলবায়ু, উদ্ভিদ আৰু জীৱ-জন্তু আদি প্ৰাকৃতিক উপাদান সমূহে পাৰস্পৰিক সম্পৰ্কৰ মাজেদি ভূ-পৃষ্ঠত যি এটা অৱস্থাৰ সৃষ্টি কৰে তাকে প্ৰাকৃতিক পৰিৱেশ বুলি কোৱা হয়। আনহাতে মানুহৰ দৈনন্দিন কাম-কাজ, আচাৰ ব্যৱহাৰ আদিৰ ফলত সৃষ্টি হোৱা পৰিৱেশক মানৱ সৃষ্ট বা সামাজিক পৰিৱেশ বুলি কোৱা হয়। গতিকে বহল অৰ্থত পৰিৱেশ বুলিলে প্ৰাকৃতিক আৰু সামাজিক পৰিৱেশৰ সু-সমন্বয়কে বুজায়।

পৰিৱেশ সজাগতা সৃষ্টিত শিক্ষক-শিক্ষয়িত্ৰী আৰু শিক্ষানুষ্ঠানসমূহে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। তীব্ৰ হাৰত জনসংখ্যা বৃদ্ধি, ব্যাপক হাৰত হোৱা উদ্যোগীকৰণ, যান-বাহনৰ কৰ্কশ শব্দ, বনাঞ্চল ধ্বংস আদিয়ে পৰিৱেশ সজাগতা সৃষ্টিত তীব্ৰ অন্তৰায় হৈ থিয় দিছে। প্ৰতিগৰাকী শিক্ষকেই যদি বিদ্যালয়, মহাবিদ্যালয়ৰ আইন-শৃংখলা, শৈক্ষিক দিশ, নিয়মানুবৰ্ত্তিতা, ছাত্ৰ-ছাত্ৰীৰ কাৰ্য কলাপ আদিৰ ক্ষেত্ৰত দৃষ্টি ৰাখে, তেতিয়া হয়তো পৰিৱেশ সজাগতা সৃষ্টিত এক ইতিবাচক অৱস্থাৰ সৃষ্টি হ'ব পাৰে।

বৰ্তমান শিক্ষা ব্যৱস্থাত বিদ্যালয়, মহাবিদ্যালয়ৰ পাঠ্যক্ৰমত পৰিৱেশ সম্বন্ধে এটি বিষয় সন্নিবিষ্ট কৰা হৈছে। ইয়াৰ পৰাও পৰিৱেশ সজাগতা সৃষ্টিত সহায়ক হৈছে। শান্তি আৰু শৃঙ্খলাবদ্ধতাই শৈক্ষিক পৰিৱেশ সৃষ্টি কৰে। নিয়মানুবৰ্তিতাৰ কথাত অপৰিহাৰ্য বুলি বিবেচনা কৰা শিক্ষকে নিজকে কেৱল দৰমহা খোৱা চাকৰিয়াল বুলি বিবেচনা কৰিলে তেওঁলোকৰ ক্ষেত্ৰত জনসমাজত অপবাধ কৰাৰ দৰে হ'ব । শিক্ষানুষ্ঠান সমূহলৈ বছৰি বিভিন্ন ঠাইৰ পৰা ভিন ভিন ছাত্ৰ-ছাত্ৰী আহে শিক্ষা লোৱাৰ উদ্দেশ্যেৰে। তেওলোকক যদি আৰম্ভণিতে পৰিৱেশ সম্বন্ধে এটি সম্যক ধাৰণা দিব পৰা যায় তেতিয়া সেইচাম ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়, মহাবিদ্যালয়ৰ শৈক্ষিক পৰিৱেশ সজাগতা সৃষ্টিত অৰিহণা যোগাব। আজিৰ ছাত্ৰ, কালিলৈ দেশৰ সু-নাগৰিক। সেয়ে ছাত্ৰ-ছাত্ৰীসকলক গঢ় দিয়াৰ গধুৰ দায়িত্ব শিক্ষক সকলৰহে। শিক্ষক সকল দেশ আৰু জাতি নিৰ্মাতা। সমাজৰ প্ৰতিটো দিশতে শিক্ষক সকলৰ ভূমিকা মন কৰিবলগীয়া। এক পবিত্ৰ বৃত্তিত নিয়োজিত শিক্ষক সকলে শিশুৰ মনত সুস্থ মানসিকতা গঢ়ি তুলিব পাৰে। শিশুৰ সু-ব্যক্তিত্ব আৰু সু-চৰিত্ৰ গঠনতো শিক্ষক সকলোৰ ভূমিকা লেখত লবলগীয়া। সেইবাবে কেৱল পাঠদানতেই আবদ্ধ নাথাকি এজন সু-শিক্ষকে শিশুৰ ব্যক্তিত্ব গঠনৰ সকলো দিশতে অগ্ৰণী ভূমিকা গ্ৰহণ কৰিব লাগিব। পৰিৱেশ সচেতনতাৰ ক্ষেত্ৰতো শিক্ষক সকলৰ অনেক কৰণীয় আছে। শাসনৰ ক্ষেত্ৰতো শিক্ষক সকলৰ ভূমিকা মন কৰিলগীয়া । 'চেকনীৰ আগত বিদ্যা' - কথাষাৰ বৰ্তমানৰ শিক্ষা ব্যৱস্থাত বৰ্জিতা নোখোৱাৰ দৰে হৈছে যদিও 'মৰম' আৰু 'ধৰম' উভয়ৰে শিক্ষা প্ৰদান কৰিলেহে ছাত্ৰ-ছাত্ৰী সকলক সু-নাগৰিক হিচাপে গঢ়ি তুলিব পাৰি। সদৌ শেষত কওঁ যে আমাৰ প্ৰতিজন শিক্ষকেই যদি ইংৰাজী Teacher শব্দৰ গভীৰ তাৎপৰ্য উপলব্ধি কৰিবলৈ সামৰ্থ হয় তেতিয়া সেই উপলব্ধিৰে শিক্ষকে দেশ তথা সমাজ নিৰ্মাণৰ কামত আগবাঢ়িবলৈ কুণ্ঠাবোধ নকৰিব।

শিক্ষক সকলৰ পাছতেই অভিভাৱক সকলৰো এক গুৰু দায়িত্ব তথা কৰণীয় আছে। শিশু এটাক যদি বিদ্যালয়লৈ যোৱাৰ আগতে পৰিৱেশৰ সম্বন্ধে কিছু কথা শিকাব পাৰে তেতিয়া সেই শিশুটিয়ে বিদ্যালয়ত গৈ এটা সু-পৰিৱেশ সৃষ্টি কৰিব পাৰিব। এইটো সকলোৰে জ্ঞাত যে এটি শিশুৱে অধিকাংশ সময় ঘৰখনতেই কটাবলগীয়া হয়। স্বাভাৱিকতে ঘৰখনৰ ভাল-বেয়া আদি বিভিন্ন দিশৰ প্ৰভাৱত শিশুৰ ব্যক্তিত্ব গঢ়ি উঠে। শিশুক সু-আচৰণ আৰু সু-অভ্যাসৰ অধিকাৰী কৰি তোলাত ঘৰখনৰ পিতৃ-মাতৃ আৰু অন্যান্য সদস্যৰ ভূমিকা অপৰিসীম। এনে কথাৰ প্ৰতি লক্ষ্য ৰাখি শিশুক নিচেই শৈশৱ কালৰ পৰাই পৰিৱেশ সচেতনতাৰ প্ৰতি নজৰ ৰাখিব লাগে। ঘৰখনত এক সুস্থ বাতাবৰণ সৃষ্টি কৰা, নিয়মীয়া প্ৰাৰ্থনা, নিয়মিত খাদ্যাভ্যাস, দৈনন্দিন জীৱনৰ সুৰু-সুৱা কামবোৰ গুৰুত্ব সহকাৰে সমাপন কৰা আদি কথাবোৰলৈ যথাযথ গুৰুত্ব প্ৰদান কৰিলে শিশুৰ আচৰণ সুস্থভাৱে গঢ়ি উঠিব। নিজৰ চৌহদ নিয়মীয়াকৈ পৰিস্কাৰ কৰা, বাগিচাত ফুল ৰোৱা, সৰু-বৰ বৃক্ষ ৰোপন কৰা আদি কাৰ্যবোৰে শিশুৰ মনত পৰিৱেশ সচেতনতা সৃষ্টিত অৰিহণা যোগায়।

# চমুকৈ ভোগালী বিহু

**চক্ৰধৰ ৰাভা**
**স্নাতক তৃতীয় ষান্মাষিক**

"সাৰ পালে বাইদেউ জগাবাচোঁ মোক
কাইলই নিচেই পুৱাই,
আহিছে ভোগালী বিহু পুহৰ শেহত
এই দিন নেপাম দুনাই।।"

মাঘ যে আমাৰ ভোগালী মাহ সেই কথা আৰু দ্বিতীয়বাৰ উনুকিয়াবৰ প্ৰয়োজন নাই। ব'হাগ মানে ৰঙালী, কাতি মানে কঙালী আৰু মাঘ মানে ভোগালী। ভোগালী মানে ইচ্ছামতে যিমান পাৰে ভোগ কৰা। আনহাতে মাঘ বিহুৰ আন এক উল্লেখনয়ী দিশ তথা অংগ হ'ল উৰুকা বা মেজি ভোজ। এই মাঘ বিহুক ঠাই অনুসৰি বিভিন্ন জনগোষ্ঠীয়ে বিভিন্ন ৰীতি-নীতিৰে পালন কৰা দেখা যায়। উদাহৰণ স্বৰূপে - ডিমাচা সকলে 'মাগ সাঁঈজোৰা', মিচিংসকলে 'মাগ আগৰাতি', দেউৰী সকলে 'মাঘীয় সংক্ৰান্তি', বড়ো-কছাৰী সকলে 'মাগু', ৰাজবংশীসকলে 'পুষণা', হাজং সকলে 'পুষণু' আৰু ৰাভাসকলে 'দুমাহি তথা দোমাহী বুলি এই উৎসৱ পালন কৰে।

ৰঙালী বিহুৰ আনন্দ উল্লাসৰ মাজত যৌৱনৰ তথা প্ৰেমৰ উন্মদনা বেছি, কিন্তু ভোগালী বিহুৰ আনন্দ উল্লাহৰ মাজত সামাজিক ৰীতি-নীতিৰ ভূমিকা অধিক। উৰুকাৰ নিশা গাৱৰ মানুহে একগোট হৈ ভোজভাত, মেজিভাত খাই আনন্দ লাভ কৰি ডেকা সকলে উজাগৰী নিশা কটাই দিয়ে। নিশা মানুহবিলাক টোপনি গলে ভেলাঘৰত থকা ডেকাবিলাকে কেৱল ৰং ৰহইচতে ব্যস্ত নাথাকি গৃহস্থৰ পৰা দুই-এপদ বস্তু চুৰ কৰি আনন্দ লাভ কৰে। কিন্তু এই প্ৰথাটো সকলো ঠাইতে সমানে প্ৰযোজ্য নহয়। তদুপৰি ভোগালী বিহুৰ প্ৰাচীনতম প্ৰথা আৰু বৰ্তমানৰ প্ৰথা তথা পৰম্পৰাৰ বহুত প্ৰভেদ দেখিবলৈ পোৱা যায়। ভোগালী বিহুৰ পৰিবৰ্তন লক্ষ্য কৰি সুৰেন্দ্ৰনাথ বড়োৱে "অনুভূতি"ত লিখিছিল "মেজি সাজিবলৈ আজি কোনো ল'ৰা পথাৰলৈ নাহে। আজিৰ ল'ৰাহঁতৰ নাই ভোগালীৰ আৱেগ, নাই উৎসাহ উদ্দীপনা, নাই সাংস্কৃতিক চেতনা। কিন্তু ল'ৰাহঁতে আজিও মাঘ বিহুত ভোজ ভাত খায়।"

সি যি নহওঁক পিছদিনা পুৱাতে গাঁওৰ যুৱক-যুৱতী, আবাল বৃদ্ধ বনিতাই গা পা-ধুই নতুন কাপোৰ পৰিধান কৰি হাতত জুইৰ শিখালৈ মেজিত জুই লগাই দিয়ে। মেজি শব্দটো বৈদিক শব্দ 'মেধ'ৰ পৰা উৎপত্তি হৈছে। 'মেধ' শব্দটো "যজ্ঞ" বুজোৱা শব্দৰ পৰা আহিছে বুলি বহুতো পণ্ডিতে মত প্ৰকাশ কৰিছে।

ভোগালী ভোগৰ উৎসৱ। নানা খাদ্য সামগ্ৰীৰে ভৰি থাকে প্ৰতিগৰাকী অসমীয়াৰ ঘৰ। চিৰা, পিঠা, লাডু আৰু বাঁহৰ চুঙাৰ দৈৰ মেল ঘৰে ঘৰেটো আছেৰেই। চুহা পিঠা, সুতুলি পিঠা, তিল পিঠা, নাৰিকলৰ লাড়ু, তিলৰ লাডু ইত্যাদি পিঠা পনাৰে ভৰা বিহুৰ জলপানৰ সোৱাদ তথা জুটি নললে মনটো জানো বিহু বিহু যেন লাগিব ? কিন্তু কালৰ গতিত নোহোৱা হ'ল আমেজ থকা বিহুৰ পৰিৱেশ, নোহোৱা হ'ল তাহানিৰ ভোগালীৰ ভোগ, ঋতুবোৰৰ মাদকতা আৰু আন্তৰিকতা।

সময়ৰ পৰিবৰ্তন আৰু আধুনিকতাৰ অগ্ৰসৰ যিমানেই নহওঁক কিয় অসমীয়া জাতিৰ বিহু মামো বিহুৰেই। ই অতুলনীয়, তুলনাবিহীন। অসমীয়া জাতিৰ বিহু অনন্দীয়া, বিনন্দীয়া আৰু ই বাৰেবৰণীয়া। কিয়নো, মানুহৰ যিমানেই অভাৱ অনাটন নহওঁক কিয় বিহু আহিলেই সকলোবোৰ দুখ ভাগৰৰ কথা ওৰ পৰে। বিহু অসমীয়াৰ এনে এক কৃষ্টি, নিজৰ যি অস্তিত্বৰ কথা সোঁৱৰাই অসমীয়াৰূপে বিশ্বদৰবাৰত পৰিচয় কৰাই দিয়ে।

# শিক্ষাৰ অগ্ৰগতি আৰু ভাষাৰ সমস্যা

মৃণালী ৰাভা
স্নাতক তৃতীয় বৰ্ষ

"Education is a life long process" শিক্ষা হৈছে জীৱনব্যাপী চলা এক প্ৰক্ৰিয়া। শিশুৱে ভূমিষ্ঠ হোৱাৰ পিচৰ পৰাই হাঁহি কান্দোন, আৱেগ-অনুভূতিৰ মাজেৰে কিবা নহয় কিবা শিকে। এই প্ৰক্ৰিয়া মৃত্যুৰ আগমুহূৰ্তলৈকে চলি থাকে। শিশুৱে মা দেউতাক অনুকৰণ কৰে। পৰিয়ালৰ সদস্য অথবা ওচৰ চুবুৰীয়াক অনুকৰণ কৰি শিকে। শিশুৱে ডাঙৰক অনুকৰণ কৰি খোজকঢ়া, কথা কোৱা, দৌৰা-খেলাধূলা কৰা এই আটাইবোৰ কাম শিকে। মা-দেউতা বা পৰিয়ালৰ অন্য সদস্য আৰু ঘৰখন শিশুৰ শিক্ষাৰ কঠিয়াতলি।

শিক্ষাই জ্ঞানৰ পোহৰ বিলায় তথা প্ৰগতিৰ পথ সুগম কৰি তোলে। এসময়ত মানুহে হিংস্ৰ জন্তু সদৃশ প্ৰবৃত্তি আৰু আচৰণৰ দ্বাৰা জীৱন নিৰ্বাহ কৰিছিল। মানুহৰ এই আচৰণবোৰ শিক্ষাই সংশোধন কৰিলে। মানুহে নিজৰ সৃজনী শক্তিৰে নতুন নতুন বিষয় আৱিস্কাৰ কৰি আৰু জীৱন যাত্ৰাৰ পথ সুগম কৰি সমাজৰ পৰিবৰ্তন সাধন কৰিছিল। উল্লেখযোগ্য যে মানুহৰ এই ক্ৰমবিকাশ সম্ভৱ হৈছে সুদীৰ্ঘ প্ৰচেষ্টাৰ ফলস্বৰূপে কেৱলমাত্ৰ শিক্ষাৰ যোগেদি। বয়স্ক সকলে মুখে মুখে উঠি অহা ল'ৰা-ছোৱালীক জীৱনৰ লাগতিয়াল কথা শিকাই দিছিল। নতুন প্ৰজন্মই সেইবোৰ গ্ৰহণ কৰি জীৱন অতিবাহিত কৰিছিল। ল'ৰা ছোৱালীবোৰে মাছ মাৰিবলৈ, চিকাৰ কৰিবলৈ, ঘৰ সাজিবলৈ, খেতি কৰিবলৈ, নাওঁ সাজিবলৈ হাবি বন কাটি ৰাস্তা ঘাটবোৰ বান্ধিবলৈ আৰু সুৰক্ষাৰ ব্যৱস্থা কৰিবলৈ শিকিছিল। সমাজৰ প্ৰয়োজনীয় জ্ঞান, কৌশল, সাহিত্য, বিজ্ঞান বা নতুন অবদান আদি নতুন প্ৰজন্মক জনোৱাৰ বাবে বিশেষ ব্যৱস্থা কৰিবলগীয়া হৈছিল, যাৰ বাবে সৃষ্টি হৈছিল শিক্ষানুষ্ঠানৰ।

বিজ্ঞান আৰু প্ৰযুক্তি বিজ্ঞানে বিকাশৰ ন ন ক্ষেত্ৰ উন্মোচন কৰিলে। শিক্ষাৰ ক্ষেত্ৰটো বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাই ব্যাপক পৰিবৰ্তন আনিলে। ইয়াৰ ফলত দেশে দেশে শিক্ষাৰ ন ন ধ্যান ধাৰণা আৰু পৰিকল্পনাৰে শিক্ষাক অধিক বাস্তৱমুখী আৰু মানৱতামুখী কৰিবলৈ চিন্তা-চৰ্চা কৰা হ'ল। ভাৰতবৰ্ষৰ শিক্ষাৰ এক দীঘল ইতিহাস আছে। বৈদিক যুগতে শিক্ষাৰ দিশত বিশেষ সাফল্যতা লাভ কৰা ভাৰতীয় শিক্ষাই আনুষ্ঠানিক মৰ্যাদা লাভ কৰিছিল কোম্পানীৰ আমোলত। ১৮১৩ চনৰ চাৰ্টাৰ আইনৰ অধীনত বৃটিছ পাৰ্লিয়ামেণ্টে ইষ্ট ইণ্ডিয়া কোম্পানীকে ভাৰতত শিক্ষা ব্যৱস্থাৰ বাবে এক লাখ টকা শিক্ষাৰ শিতানত খৰচ কৰিবলৈ নিৰ্দেশ দিয়ে। তেতিয়াৰ পৰা ভাৰতত অনিচ্ছাসত্বেও কোম্পানীয়ে শিক্ষা প্ৰদান কৰিছিল। কিন্তু সময়ৰ অগ্ৰগতিৰ লগে লগে ইয়াৰো আমূল পৰিবৰ্তন দেখা যায়। ১৯৪৭ চনৰ পিচৰ পৰা ভাৰতত জাতীয় চৰকাৰে আনুষ্ঠানিক শিক্ষা ব্যৱস্থাৰ আমূল পৰিবৰ্তনৰ বাবে অহোপুৰুষাৰ্থে কৰি আহিছে। ১৯৮৬ চনৰ জাতীয় শিক্ষা নাতি অনুসৰি (১০+২+৩) পদ্ধতিৰে অসমত শিক্ষা ব্যৱস্থা কৰে।

ইউৰোপত নতুন জ্ঞান বিজ্ঞানৰ দ্বাৰা যি নৱজাগৰণৰ সূচনা কৰিছিল সিয়ে প্ৰায় সমগ্ৰ পৃথিৱীতে খলকনি তুলিবলৈ সক্ষম হৈছিল। সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক দিশত অভ্যুদয়ৰ সৃষ্টি কৰিছিল। ইউৰোপৰ নৱজাগৰণৰ প্ৰভাৱত ভাৰতীয় শিক্ষাই নানা প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিল। ইয়াৰ কাৰণ হ'ল বৃটিছ শাসক গোষ্ঠীয়ে ভাৰতত শিক্ষা বিস্তাৰৰ আন্তৰিকতা প্ৰকাশ কৰিব পৰা নাছিল। সেইবাবে জাতীয় আন্দোলনৰ গুৰি ধৰোতাঁ সকলে বৃটিছৰ এই মনোভাৱৰ বিৰোধিতা কৰি ন ন শিক্ষা আঁচনি গ্ৰহণ কৰিছিল। উল্লেখযোগ্য যে বৃটিছৰ দিনত চৰকাৰে কেইবাখনো শিক্ষা আয়োগ গঠন কৰিছিল যদিও ভাৰতীয় শিক্ষাৰ অনুকূলে

সেইবিলাকে প্ৰভাৱ পেলাব পৰা নাছিল। সেইবাবে ১৯৪৭ চনত দেশে স্বাধীনতা লাভ কৰাৰ পিছত জাতীয় চৰকাৰে শিক্ষাৰ ন ন আঁচনি আৰু পৰিকল্পনা গ্ৰহণ কৰিলে। কিন্তু তৎসত্বেও ভাৰতীয় শিক্ষা সমস্যামুক্ত হৈ নুঠিল। ভাৰতীয় শিক্ষা এশ এবুৰি সমস্যাৰে জৰ্জৰিত। ভাৰতৰ শিক্ষাৰ এক উল্লেখযোগ্য সমস্যা হ'ল ভাষাৰ সমস্যা। এই সমস্যাই বিভিন্ন সময়ত ভাৰতীয় শিক্ষাৰ প্ৰগতিৰ পথত অন্তৰায় স্বৰূপে দেখা দিছে।

অসমৰ শিক্ষাতো মাধ্যম সমস্যাই এক ভয়াবহ ৰূপত দেখা দিছে। সম্প্ৰতি অসমত যথেষ্ট সংখ্যক ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠান কাঠফুলাৰ দৰে গঢ়ি উঠিছে। এই বিদ্যালয় সমূহলৈ মধ্যবিত্ত অসমীয়াৰ লগতে সৰহ সংখ্যক অসমীয়া ল'ৰা-ছোৱালীয়ে ঢাপলি মেলিছে। ইয়ে অসমৰ আৰ্থসামাজিক ৰাজনৈতিক আৰু সাংস্কৃতিক ক্ষেত্ৰত বিৰূপ প্ৰভাৱ পেলাইছে। ইংৰাজী ভাষাৰ প্ৰতি থকা অহেতুক আকৰ্ষণ আৰু অসমীয়া ভাষাৰ প্ৰতি থকা অৱহেলাই এনে এটি অৱস্থাৰ সৃষ্টি কৰা বুলি চিন্তাবিদ সকলে অভিমত পোষণ কৰা দেখা যায়। ই শিক্ষা আহৰণৰ প্ৰকৃত দিশ নিৰ্ণয় নকৰে।

আনহাতে অসমৰ শিক্ষাৰ মাধ্যম আৰু ভাষাক লৈ এচাম আধুনিক অসমীয়াই অনাহকতে হৈ চৈ কৰা দেখা যায়। কাৰণ এটি শিশু জন্মৰ লগে লগে স্বৰবৰ্ণ আৰু ব্যঞ্জণবৰ্ণৰ অ, আ, ক, খ, আদি শিকাৰ ঠাইত ইংৰাজী Alphabet বৰ্ণৰ A, B, C, D ইয়াৰ কাৰণ হ'ল অবিভাৱক সকলে অসমীয়া মাধ্যমত নপঢ়ায়। কাথষাৰ সঁচা যেন লাগিলেওঁ প্ৰকৃত অৰ্থত ফেৰ মাৰিব পৰাকৈ আমাৰ অসমীয়া ভাষাত বহুতো সমল আছে বুলি মোৰ বিশ্বাস।

অতি পৰিতাপৰ বিষয় যে, অসমীয়া ভাষাটোক লৈ এচাম আধুনিক অসমীয়াই বিৰূপ মন্তব্য কৰা দেখা যায়। কিন্তু এটা কথা প্ৰমাণ সিদ্ধ যে উপযুক্ত মেধা থাকিলে মাতৃভাষাত শিক্ষা লাভ কৰিও সৰ্বভাৰতীয় পৰীক্ষাত কৃতকাৰ্য্যতা লাভ কৰিব পাৰি। অসমৰ আগশাৰীৰ পণ্ডিত আনন্দৰাম বৰুৱা, কৃষ্ণ কান্ত সন্দিকৈ, বাণীকান্ত কাককি, সূৰ্য কুমাৰ ভূঞা আদি সু-সন্তান সকলে মাতৃ ভাষাতে শিক্ষা লাভ কৰি অসম মাতৃৰ মুখ উজলাইছিল। অৱশ্যে আমি স্বীকাৰ কৰিব লাগিব যে অসমীয়া মাধ্যমৰ বিদ্যালয়বোৰত শিক্ষাদান দান পদ্ধতি, শিক্ষক নিযুক্তিৰ প্ৰক্ৰিয়া সন্তোষজনক নহয়। সেয়ে বৰ্তমান শিক্ষাৰ অগ্ৰগতিৰ বিষয়ে শিক্ষক, ছাত্ৰ-ছাত্ৰী আৰু প্ৰতিজন শিক্ষা প্ৰেমীয়ে বিচাৰ কৰি চোৱা উচিত।

আত্মশক্তিৰে আত্মৰক্ষা নকৰিলে আন কোনেও আপোনাক ৰক্ষা কৰিব নোৱাৰে।

*অম্বিকাগিৰী ৰায়চৌধুৰী*

# মিছৰীয় মামিৰ অনুসন্ধান

ৰূপম বৈশ্য
স্নাতক তৃতীয় ষন্মাষিক

আমি যেতিয়া ইজিপ্ট বা মিছৰৰ কথা ভাবো তেতিয়া আমাৰ মনলৈ পিৰামিড বা মামিৰ কথা পোনতেই আহে। খ্ৰীষ্টপূৰ্ব ১৭০০ চনৰ পৰা খ্ৰীষ্টপূৰ্ব ২৭০০ চনৰ ভিতৰত পিৰামিড্ সমূহ নিৰ্মান হয়। তাৰে কিছুমানৰ বয়স বৰ্তমানে ৫০০০ বছৰৰ ওচৰা-ওচৰি। বৰ্তমানলৈ প্ৰায় ১১২ টা মান পিৰামিড্ আৱিস্কৃত হৈছে। এই পিৰামিড্ বোৰেই আছিল প্ৰাচীন মিছৰীয় ৰজা বা ফাৰাও সকলৰ সমাধিস্থল। এই পিৰামিড্‌বোৰ ডাঙৰ শিল, চূণশিল আৰু গ্ৰেনাইট আদিৰে নিৰ্মাণ কৰা হৈছিল।

মামি হ'ল নানান ৰাসায়নিক দ্ৰব্য আৰু তেল মছলা দি পৰিক্ষিত কৰি ৰখা মিছৰীয় ৰজা মহাৰজাৰ শৱ বা মৃতদেহ।

মৃতদেহ গেলি-পচি নোযোৱাকৈ সংৰক্ষিত কৰা পদ্ধতিকে মামিকৰণ আৰু ইংৰাজীত Mummification বোলা হয়। পৃথিৱীৰ আন দুই এঠাইত প্ৰচলিত হলেও মিছৰেই এই দিশত সবাতোকৈ আগবঢ়া আছিল। প্ৰাচীন মিছৰীয় সকলৰ ধৰ্ম বিশ্বাসে বোধহয় তেওঁলোকক মামিকৰণ প্ৰক্ৰিয়াত মনোনিবেশ কৰিবলৈ বাধ্য কৰাইছিল। আন কিবা কাৰণ আছিল যদিও ইতিহাস কিন্তু এই ক্ষেত্ৰত নিমাত। মামিয়ে সদায় বিশ্ববাসীৰ মনত এটা আকৰ্ষণীয়, ৰহস্যাবৃত আৰু ভয় লগা ভাৱৰ উদ্ৰেক কৰে। মিউজিয়াম বিলাকত মামি বোৰে দৰ্শকক যিমান আকৰ্ষণ কৰে সিমান আকৰ্ষণ আন একোৱেই নকৰে বুলি কলে হয়তো বঢ়াই কোৱা নহব। কলিকতা, লক্ষ্ণৌ, জয়পুৰ, হায়দৰাবাদ, বাংগালোৰ আৰু বৰোদাৰ যাদুঘৰলৈ গলেই মিছৰীয় মামিৰ জনপ্ৰিয়তাৰ বিষয়ে অনুমান কৰিব পাৰি। মামিবোৰ চাবলৈ সকলোৰে এটা কিঞ্চিৎ হলেও ভয়-মিহলি কৌতুহল থাকে। কাৰণ সেইবোৰ হ'ল কেইবা হেজাৰ বছৰ ধৰি সংৰক্ষিত কৰি ৰখা মৃতদেহ। তদুপৰি আমাৰ যাদুঘৰ বিলাকত থকা মামিবোৰ অচিনাকী। কোনেও নাজনে সেইবোৰ কাৰ মৰাশ। কিন্তু অভিজ্ঞলোকে কয় যে সেইবোৰ সাধাৰণ ব্যক্তিৰ। নহলেনো ভাৰতৰ ছখন মিউজিয়ামলৈ ছটাকৈ মামি আনিবলৈ মিছৰে এৰি দিব নে?

কলিকতা যাদুঘৰলৈ অনা মামিটোয়ে আছিল ভাৰতলৈ মিছৰৰ পৰা অনা প্ৰথম মামি। ভাৰতত থকা ইংৰাজ সামৰিক বাহিনীৰ এজন বিষয়াই বৰ কষ্ট কৰি সেইটো সংগ্ৰহ কৰিছিল। মামিটো আছিল মিছৰৰ গুৰৱ অঞ্চলৰ সমাধি স্থলীৰ। গুৰৱ অঞ্চল আছিল সম্ৰাট টুটেন খামোনৰ পিতৃ আৰু স্বয়ং তেওঁৰ মূৰ্ত্তিয়ে সেই নগৰৰ শোভা বৰ্ধন কৰিছিল। কিন্তু মিছৰীয় ইতিহাসত ফাৰাও দ্বিতীয় ৰামেচিচে সেই চহৰ খন ধ্বংস কৰে। চহৰখন ধ্বংস কৰিয়েই তেওঁ ভাঙি-চিঙি ধূলিসাৎ কৰিছিল। সেই ফাৰাজনে কি কাৰণতনো তেনে কালমূৰ্ত্তি ধৰিছিল, আৰু শিশু সম্ৰাট টুটেনখামোনৰ ওপৰত খৰ্গহস্ত হৈছিল সেই বিষয়ে কিন্তু ইতিহাস নীৰৱ। সি যি কি নহওক, মিছৰৰ গুৰৱ অঞ্চলৰ পৰা অহা অজ্ঞাত, অপৰিচিত মামিটোয়ে কলিকতা যাদুঘৰত সন্মানীয় অতিথিৰ স্থান দখল কৰিবলৈ সক্ষম হয়। কিন্তু কাৰ এই মামি? দেশ এৰি দেশান্তৰ হোৱা কাৰ এই মৃতদেহ? এই বিষয়ে বহুতে বহুত চিন্তা কৰিলে। নানা চিন্তাবিদে নানা মত আগবঢ়ালে। সেই সময়ৰ কলিকতাৰ এজন প্ৰসিদ্ধ কবিয়ে এই মামিটোক ৰাজদৰবাৰৰ এজন কবি হিচাপে

লৈ কবিতা ৰচনা কৰে। তেওঁ উল্লেখ কৰিছিল যে এইটো মামি মিছৰৰ ৰাজ দৰবাৰৰ এজন কবিৰ।

কিন্তু কবিৰ কল্পনা কল্পনা হৈয়েই ৰৰ। তেওঁৰ মানস পটত কলিকতাৰ যাদুঘৰৰ মামিটো ৰাজদৰবাৰৰ কবি হৈয়েই চিৰজাগ্ৰত হৈ থাকিব।

এদিন কবিৰ কল্পনাৰ তাচ পাতৰ ঘৰ থান বান হৈ ভাগি পৰিল ।১৯৮০ চনৰ কোনোৱা এটা দিনত কলিকতাস্থ মিছৰীয় মামিটোৰ মৃত্যুৰ কাৰণ উদঘাটন কৰিবলৈ এজন অনুসন্ধানকাৰীয়ে এক্স ৰে লবলৈ সিদ্ধান্ত লয় আৰু মামিটোক যাদুগৰত থকা কাচৰ পাত্রটোৰ পৰা নাতঁৰোৱাকৈ পোৰ্টেব্ল এক্স-ৰে যন্ত্ৰৰ সহায়ত এক্স-ৰে ফটো লোৱা হয়। এই এক্স-ৰে প্লেটত মামিটোৰ নৰকংকাল স্পষ্টভাৱে ওলাই পৰে। যথা সময়ত প্ৰতিবেদন ওলাল। প্ৰতিবেদনৰ মতে- সেই নৰকংকালটি এজন প্ৰৌঢ় পুৰুষৰ। মানুহজন স্বাস্থ্যবান। বয়স ৫০ ৰ পৰা ৬০ বছৰৰ ভিতৰত। মূৰৰ লাওখোলা আৰু দাঁতবোৰ অক্ষত অৱস্থাত দেখা গৈছিল। শৰীৰত কোনো যাঠী বা তৰোৱালৰ নিচিনা চোকা অস্ত্ৰৰ আঘাতৰ চিন দেখা পোৱা নগ'ল। কিন্তু বুকু আৰু পিঠিৰ কামিহাড় বগা, থেতেলা খোৱা। ডিঙিৰ ঘটিকাটোও আধাবগা। পুৰুষজনক লাঠি বা শিল জাতীয় ভোটা অস্ত্ৰৰে মৰিয়াই মৰা যেন অনুমান হয়, যক্ষ্মা, প্ৰীহা আদি টান নৰিয়াত পৰি মৃত্যু হোৱা যেন নালাগে। এক্স-ৰে ৰিৰ্পোটত মানুহজনৰ আঁঠুত যে বাতবিষ আছিল, সেইটো স্পষ্টকৈ ধৰা পৰিছিল। মানুহজন মেৰুদণ্ডৰ স্পণ্ডিলাইটিচ বিষতো ভুগিছিল। উল্লেখনীয় বেমাৰ এইকেইটাই আছিল।

এইখিনিতে উল্লেখ কৰা উচিত হ'ব যে বিশ্বব্যাপী মামিবোৰৰ ওপৰত যথেষ্ট অনুসন্ধান চলিছিল। ১৮৯৬ চনত ইংলেণ্ডত মামিৰ প্ৰথম এস্ক-ৰে লোৱা হয়। ১৯০৪ চনত ফাৰাও ষষ্ঠ থুথমেছিছৰ মামিৰ এস্ক-ৰে কৰা হৈছিল। পিছলৈ কেৱল এস্ক-ৰেই নহয়, আন বহুতো উপায়ে মামিৰ ওপৰত অনুসন্ধান চলোৱা হৈছিল। কিছুমান মামিৰ আনকি শৰব্যৱচ্ছেদো কৰা হৈছিল। শৰধাৰৰ পৰা মামিবোৰ উলিয়াই মেৰিয়াই থোৱ বেণ্ডেজবোৰ খুলি মামিবোৰৰ ওপৰত নানান পৰীক্ষা-নিৰীক্ষা চলোৱা হৈছিল। এই পৰীক্ষাৰ পৰা জানিব পৰা গৈছিল যে হেজাৰ হেজাৰ বছৰৰ আগেয়ে মৃত্যুবৰণ কৰা মিছৰৰ ৰজা প্ৰজা আদিয়ে হৃদপিণ্ড আৰু কণ্ঠনলীৰ যক্ষ্মা, প্লীহা, ক্ষুদ্ৰান্ত্ৰৰ ঘা বা গলব্লাডাৰ বা কিড্‌নিৰ পাথৰ হোৱা ৰোগত ভু গিছিল।

এতিয়া মূল কথালৈ আহো। এক্স-ৰে প্ৰতিবেদনত পোৱা গৈছিল যে মানুহজন (কলিকতাৰ মামিটো) চোকা অস্ত্ৰৰ দ্বাৰা আঘাত প্ৰাপ্ত হৈ নিধন হোৱা নাছিল, লাঠিজাতীয় অত্যন্ত সাধাৰণ ভোটা অস্ত্ৰৰ আঘাততহে মৰিছিল। মামিটোৰ গাত কোনো মূল্যবান অলংকাৰ পিন্ধা চিন-চাবো পোৱা নগৈছিল। স্পষ্টকৈ বুজা যায় যে মানুহজনক মৰিয়াই মৰিয়াই মৰা হৈছিল। শৰীৰত অলংকাৰৰ অভাৱ আৰু লাঠিৰ আঘাতত মৰা মানুহজনক “ৰাজ দৰবাৰৰ এজন কবি” বুলি ভাবিবৰ মন নাযায়। মামিৰ সেই মানুহজন হয়তো আছিল এজন কাম কৰি খোৱা লগুৱা জাতীয় সাধাৰণ মানুহ। কাৰণ মিছৰৰ সম্ৰাটৰ ৰাজদৰবাৰৰ কবি এজনক লাঠিৰে মৰিয়াই মৰিয়াই কোনেও নামাৰে আৰু তেনেকুৱা এজন সম্ভ্ৰান্ত মানুহৰ মামিটো মিছৰৰ ৰাইজ আৰু চৰকাৰে এৰি নিদিয়ে।

এতিয়া প্ৰশ্ন হয় এজন সাধাৰণ লোকৰ শৰটো কিয় মামিকৰণ কৰা হৈছিল? ইয়াৰ উত্তৰো পোৱা গৈছে। বহুতো পিৰামিডত ফাৰাও সকলৰ শৰদেহ ৰখা কোঠালিৰ আশে-পাশে লগুৱা লিকচৌ, ৰখীয়া-পৰীয়াৰ কাঠৰ মূৰ্ত্তি আৰু ঠায়ে ঠায়ে মামিকৃত শৰদেহো পোৱা যায়। সেইবোৰ ৰখা হৈছিল ফাৰাও সকলৰ পৰলোকত কামত লাগিব বুলি।

পিৰামিড বিলাকত কেৱল মামিয়েই যে ৰখা হৈছিল, তেনে নহয়। তাত কেইবাবিধো পশু-পক্ষীৰ মামি আৰু মূৰ্তিও ৰখা হৈছিল। সেই পশু-পক্ষীবোৰ আছিল মিছৰীয় দেৱ-দেৱীৰ প্ৰতীক। মিছৰীয় সকলৰ বহুতো দেৱ-দেৱীয়ে মানুহৰ উপৰিও পশু-পক্ষীৰ আকৃতিও লৈছিল। উদাহৰণ স্বৰূপে ফাৰাও সকলক প্ৰতিনিধিত্ব কৰিছিল ঈগল চৰাইয়ে। সেই ঈগল দেৱতাজনৰ নাম আছিল হ'ৰাছ। সেই কাৰণে হ'ৰাছৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰাৰ উদ্দেশ্যেৰে ঈগল চৰাইৰ শৰদেহৰো মামি কৰি সমাধিস্থ কৰা হয়। এই মামিবোৰৰ লগত বহুতো ধন, সোণ, মণি মুকুটা, হীৰা আদিও সমাধিস্থ কৰা হৈছিল।

ফাৰাও সকলৰ মুকুটত ফণা মেলি থকা ফেঁটীসাপৰ সোণৰ মূৰ্ত্তিয়ে শোভা পাইছিল। ৰহস্যাবৃত্ত সম্ৰাট টুটেন খামোনৰ সমাধি স্থলত শিয়াল মুখৰ এজন দেৱতাৰ মূৰ্ত্তিয়ে প্ৰৱেশ পথত পহৰাৰত অৱস্থাত থিয় দি থকা দেখা গৈছিল। তেওঁ আছিল মৃত্যু আৰু মৃতকৰ দেৱতা অৰ্থাৎ যমদেৱতা।

এই টুটেন খামোন সম্ৰাট জন আছিল ১৩৩৩ খ্ৰীষ্টপূৰ্বৰ মিছৰৰ সিংহাসনৰ এজন কিশোৰ সম্ৰাট। অতি কম বয়সত মাত্ৰ ১৪ বছৰ বয়সতেই এওঁৰ মৃত্যু হয়। যি ঠাইত এওঁৰ সমাধি আবিস্কৃত হয় সেই ঠাই খনৰ

নাম আছিল 'ৰাজ উপত্যকা' বা ইংৰাজীত VALLEY OF KINGS। এই কিশোৰ সম্ৰাট জনাৰ সমাধিটোৰে আছিল আটাইতকৈ ৰহস্যঘন সমাধি। এওঁৰ সমাধিটো ইংলেণ্ডৰ HOUSE OF LORDৰ এজন প্ৰখ্যাত প্ৰত্নতত্ববিদ লৰ্ড কাৰ্নাপভন এ ১৯২২ চনৰ ২৬ নৱেম্বৰত আৱিস্কাৰ কৰে। কিন্তু বিস্ময়ৰ কথা যে এই আৱিস্কাৰৰ লগত জড়িত লৰ্ড কাৰ্ণৰভনকে আদি কৰি আন সকলো বিষয়া বিশেষজ্ঞৰ (টুটেন খামোনৰ সমাধি আবিষ্কাৰৰ পিছত) এক অচিন ৰোগত মৃত্যু হয়। কিয়নো প্ৰাচীন মিছৰীয় সভ্যতাত পোৱা যায় যে এই ল'ৰা ৰজা জন দেৱতা সকলৰ দ্বাৰা শাপ গ্ৰস্ত হৈছিল। আৰু এই শাপৰ প্ৰভাৱ তেওঁ লগত মামি কৰণৰ সময়ত দিয়া মুকুটা মামি বোৰতো পৰিছিল।

মামি কৰণ পদ্ধিতৰ সকলো কাম কাজ সম্পন্ন কৰাৰ পিছত উচ্চাৰিত কৰা মন্ত্ৰটি কিন্তু অদ্ভুত আৰু অপাৰ্থিৱ। সেই অদ্ভুদ মন্ত্ৰটি হলঃ "তুমি আকৌ জী উঠা। তুমি আকৌ বাচি উঠা চিৰ দিনৰ বাবে। তুমি আকৌ তাৰুণ্য লাভ কৰা অনন্ত কালৰ কাৰণে।"

মিছৰীয় সকলৰ পুৰোহিতে মামিৰ উদ্দেশ্যে গোৱা মন্ত্ৰটিৰ উত্থাপন এই কাৰণেই কৰা হৈছে যে তেওঁলোকৰ জনবিশ্বাসত এই কথাকেইটিৰ যথেষ্ট তাৎপৰ্য আছিল। তেতিয়াৰ (প্ৰাচীন কালৰ) মিছৰীয় সকলে জীৱনৰ ধাৰাবাহিকতাত বিশ্বাস কৰিছিল। তেওঁলোকে মত পোষণ কৰিছিল যে এই সংসাৰৰ জীৱনকাল এজন ব্যক্তিৰ এটা অৱস্থাহে মাথোন। মৃত্যুয়ে মানুহৰ প্ৰকৃত জীৱনৰ অন্ত পেলাব নোৱাৰে। মৃত্যুৰে মাত্ৰ মানুহ এজনক আন এটা অৱস্থালৈ নিয়ে। মৃতক সকল জীৱিত সকলৰ জগতত কিছুমান সক্ৰিয় কৰ্তা। মৃত্যুৰ কাৰণে প্ৰস্তুত হোৱা মানে প্ৰকৃততে এটা নতুন জীৱনৰ বাবে প্ৰস্তুত হোৱা। এই নতুন জীৱনত দেৱতা সকলৰ সান্নিধ্য লভিব পাৰি। এইবোৰ কাৰণতেই বোধহয় প্ৰাচীন মিছৰীয় সকলে মৃতদেহক সসন্মানে অক্ষত অৱস্থাত সংৰক্ষিত কৰি ৰাখিব বিচাৰিছিল। হয়তো তেওঁলোকে আশা পোষণ কৰিছিল যে মৃতক সকল আকৌ জী উঠিব। কোনোবাই কোনোবা কালত হয়তো অক্ষত, অপৰিৱৰ্তিত মৃতদেহবোৰত প্ৰাণ সঞ্চাৰিত কৰিব।

সাম্প্ৰতিক সময়ত এই মামি মিছৰীয় ইতিহাসতেই সীমাবদ্ধ হৈ থকা নাই। ইয়াকলৈ নানা নাটক, চলচিত্ৰ আৰু এনিমেশ্যন নিৰ্মান কৰা হৈছে। বৰ্তমানে এই মামিবোৰ চাবলৈ মিছৰত প্ৰতিবছৰে হেজাৰ হেজাৰ পৰ্যটকে ভিৰ কৰিছেহি । প্ৰাচীন কালৰ পৰাই এই মিছৰীয় মামিবোৰে মানুহৰ মনত এক কৌতুহল সৃষ্টি কৰি আহিছে আৰু ভৱিষ্যতেও ই এক কৌতুহলৰ বিষয় হৈ থাকিব।

কৰ্তব্যজ্ঞানে লোকক উদাৰ আৰু মহৎ কৰে, এলাহে অধম কৰে।

*সত্যনাথ বৰা।*

# নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা

**জিৎ শংকৰ পাটোবাৰী**
**স্নাতক তৃতীয় ষান্মাষিক**

অশিক্ষা আৰু অজ্ঞানতাই হ'ল মানুহৰ জীৱনৰ সকলোতকৈ ডাঙৰ অভিশাপ। তথাপিও আজিৰ এই বিজ্ঞান আৰু প্ৰযুক্তিৰ যুগতো আমাৰ দেশৰ অধিকাংশ মানুহেই অশিক্ষিত। শিক্ষাৰ দিশত নাৰী শিক্ষাৰ অৱস্থা আৰু শোচনীয়। ভাৰতবৰ্ষত পঞ্চম বাৰ্ষিক পৰিকল্পনাৰ কালছোৱাৰ পৰাই নাৰী শিক্ষাত বিশেষ গুৰুত্ব দিয়া হয় আৰু অসমকে ধৰি বহুতো ৰাজ্যত ছোৱালীৰ শিক্ষা বিনামুলীয়া কৰিবলৈ চৰকাৰী প্ৰচেষ্টা হাতত লোৱা হয়। তথাপি ভাৰতবৰ্ষৰ নাৰী শিক্ষাৰ সন্তোষজনক নহয়। নাৰী শিক্ষা অনগ্ৰসৰ হোৱাৰ বহুতো কাৰণ আছে। ছোৱালীৰ শিক্ষাৰ অনগ্ৰসৰতাৰ ঘাই কাৰণ সমূহ হ'ল ছোৱালী সন্তানৰ ওপৰত ঘৰুৱা কাম-কাজৰ ক্ৰমবৰ্ধমান বোজা, সা-সুবিধা বিতৰণৰ ক্ষেত্ৰত ছোৱালী আৰু ল'ৰা সন্তানৰ প্ৰতি কৰা বৈষম্য ব্যৱহাৰ, ছোৱালীক অপেক্ষাকৃতভাৱে কম বয়সত বিয়া দিয়াৰ নিয়ম আৰু নাৰী শিক্ষাৰ ফল সম্বন্ধে থকা ভুল ধাৰণা আৰু সমাজৰ লোকৰ উদাসীনতা ইত্যাদি।

দেশৰ মুঠ জনসংখ্যাৰ প্ৰায় পঞ্চাশ শতাংশই নাৰী আৰু সেই আধাই যদি অজ্ঞানতাৰ আন্ধাৰত ডুব গৈ থাকে তেতিয়া হ'লে দেশে প্ৰকৃতাৰ্থত প্ৰগতিৰ পথত আগবাঢ়িব নোৱাৰে। এজনী ছোৱালী উপযুক্ত শিক্ষাৰে শিক্ষিতা হ'লে নিজৰ তথা ঘৰখনৰ লগতে দেশৰো উন্নতিত বৰঙনি যোগাব পাৰে। বাল্য বিবাহ অন্ধ-বিশ্বাস আৰু কু-সংস্কাৰ আদিৰ পৰা মুক্ত হোৱাৰ লগতে এজনী শিক্ষিতা ছোৱালীয়ে নিজৰ পৰিয়ালকো এইবোৰৰ পৰা মুক্ত কৰিব পাৰে। তদুপৰি নিজৰ সন্তানক উপযুক্ত শিক্ষাৰে শিক্ষিত কৰি তোলা, পৰিয়ালৰ সু-স্বাস্থ্য ৰক্ষাৰ প্ৰতি সচেতন, পৰিষ্কাৰ পৰিচ্ছন্নতা আদিৰ প্ৰতি সজাগতা অনাৰ ক্ষেত্ৰতো নাৰীৰ ভূমিকা অধিক। এজনী শিক্ষিতা ছোৱালীয়ে নিজৰ পৰিয়ালটোক অৰ্থনৈতিক সহযোগিতা আগবঢ়াব পাৰে। চাকৰি নকৰিও ঘৰতে আয় ব্যয়ৰ মাজত সামঞ্জস্য ৰক্ষা কৰি ব্যয় কমাব পাৰে এজনী ছোৱালীয়ে। খাদ্য বস্তুৰ গুনাগুণ অনুসৰি কম খৰচতে পুষ্টিকৰ খাদ্য তৈয়াৰ কৰি পৰিয়ালৰ ব্যয় সংকোচনত নাৰীয়ে সহায় কৰিব পাৰে। বৰ্তমানৰ দেশৰ অৰ্থনৈতিক অৱস্থাত ঘৰ এখ চলাবলৈ পুৰুষ মহিলা সকলোৰে সমানে উপাৰ্জন কৰাৰ প্ৰয়োজন হৈ পৰিছে। উপযুক্ত শিক্ষা লাভ কৰিলে এজনী ছোৱালীয়েও কৰ্মসংস্থান লাভ কৰি পৰিয়ালৰ ভৰণ-পোষণত সহায়ৰ হাত আগবঢ়াব পাৰে। বৰ্তমান দেশৰ বহুতো শিক্ষিতা ছোৱালীয়ে বিভিন্ন বিভাগত কৰ্ম সংস্থান লাভ কৰিছে। আৰু লগতে বহুতো সন্মানীয় পদবীত কাৰ্য্যনিৰ্বাহ কৰি দেশ আৰু পৰিয়াল উভয়ৰে উন্নতিত অৰিহনা যোগাইছে।

প্ৰকৃত গণতন্ত্ৰ প্ৰতিষ্ঠা কৰিবলৈ পুৰুষ মহিলাৰ যৌথ প্ৰচেষ্টাৰ অবিহনে সকলো নাগৰিকেই নিজৰ ৰাজনৈতিক অধিকাৰ আৰু দায়িত্ব সম্পৰ্কে সচেতন হোৱাটো অসম্ভৱ। নিজৰ সামাজিক অধিকাৰ পাবলৈ, ভুৱা ৰাজনীতিকৰ পৰা হাত সাৰিবলৈ আৰু সুস্থ, ন্যায়সংগত ৰাজনৈতিক পৰিবেশ গঢ়ি তুলিবলৈ মহিলাসকল বিশেষভাৱে শিক্ষিত হোৱা প্ৰয়োজন।

বৰ্তমান নাৰীৰ ওপৰত চলা নিৰ্যাতিনে নাৰীৰ মৰ্য্যাদা হানি কৰিছে। শিক্ষিতা আৰু অশিক্ষিতা নাৰী নিৰ্বিচাৰে আৰু সমানে এনে নিৰ্যাতনৰ বলি হৈছে। নাৰীৰ মাজত ব্যাপকভাৱে শিক্ষাৰ প্ৰসাৰ হ'লে সু-সংগঠিতভাৱে এনে নিৰ্যাতনৰ বিৰুদ্ধে থিয় হোৱাৰ উপৰিও নাৰীয়ে নিজৰ মেধা, কৰ্মদক্ষতা, সামাজিক দায়বদ্ধতা, সামাজিক আৰু ৰাজনৈতিক তৎপৰতা আৰু সচেতনতাৰ প্ৰমাণ দি নাৰীৰ প্ৰতি থকা সমাজৰ হেয় ভাব গুচাব পাৰে।

শিক্ষা অবিহনে উপযুক্ত মানসিক আৰু শাৰীৰিক কৰ্ষণ অসম্ভৱ। সদায় অৱহেলিত আৰু দ্বিতীয় খাপৰ নাগৰিক হিচাপে জীয়াই থাকিবলৈ নিবিচাৰলে আৰু সম্পূৰ্ণ সামাজিক সংস্থাপন আৰু মৰ্যাদা লাভ কৰিবলৈ হ'লে নাৰীয়ে অৱশ্যেই নিজৰ শিক্ষাৰ ফালে মন দিব লাগিব।

# আমাৰ জীৱনত মানসিক দৃষ্টিভংগী কিমান গুৰুত্বপূৰ্ণ

**মোঃ বছিৰুল হক**
**উঃ মাঃ দ্বিতীয় বৰ্ষ**

মানসিক দৃষ্টিভংগীয়ে আমাৰ জীৱনক কিমানখিনি প্ৰভাৱিত কৰে, তাক বিশ্লেষণ কৰি চাবলৈ বা বুজিবলৈ চেষ্টা কৰাটো অতি গুৰুত্বপূৰ্ণ কথা।

মানুহৰ মানসিক দৃষ্টিভংগী হ'ল চৰিত্ৰৰ আটাইতকৈ ডাঙৰ পৰিচয়। মানসিক দৃষ্টিভংগীয়ে ব্যক্তিৰ ব্যক্তিত্ব আকৰ্ষণীয় কৰি তোলে। কেতিয়াবা আকৌ ব্যক্তিক ওচৰৰ পৰা দূৰলৈ আঁতৰাই লৈ যায়। এইটো আচলতে ব্যক্তিৰ ইতিবাচক বা নেতিবাচক অৱস্থাৰ ওপৰত নিৰ্ভৰ কৰে। ব্যক্তিৰ মানসিক দৃষ্টিভংগীৰ ভাল বেয়া দুটা দিশ থাকে। আৰু সেই দিশ দুটা ঘাইকৈ ব্যক্তিৰ নিজস্ব চিন্তা ভাবনাৰ ওপৰত নিৰ্ভৰ কৰে।

আমাৰ জীৱনত সুমানসিক স্বাস্থ্যৰ বহুতো গুৰুত্বপূৰ্ণ মূল্য আছে। সুমানসিক স্বাস্থ্যই ব্যক্তিৰ জীৱন সৰ্বাঙ্গ সুন্দৰ কৰি তোলে। সুস্বাস্থ্য ৰক্ষাৰ ক্ষেত্ৰতো ইয়াৰ অৰিহনা সৰ্বাধিক। কোনো এজন চিকিৎসকে এই কথা স্বীকাৰ কৰিব যে কোনো ৰোগীক নিৰাময় কৰাৰ ক্ষেত্ৰত ৰোগীৰ মানসিক অৱস্থাই অন্য যিকোনো উপায়তকৈ অধিক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

কোনো এজন ব্যক্তিয়ে যদি প্ৰাৰ্থনাৰ মাজেৰে কি পাবলৈ বাঞ্ছা কৰে, সেয়া নিৰ্ধাৰণৰ গুৰি কথাটোৱেই হ'ল মানসিক অৱস্থা। যেতিয়া কোনোৱে প্ৰাৰ্থনা কৰাৰ কাৰণে নিজকে নিবেদন কৰে তেতিয়া যদি তেওঁৰ মন ভয়, সন্দেহ আৰু উদ্বেগেৰে ভাৰাক্ৰান্ত হৈ থাকে,তেনেহ'লে প্ৰাৰ্থনাত নেতিবাচক ফল লাভ কৰাই স্বাভাৱিক। সেয়ে সদৰ্থক সঠিক ফল কৰিবলৈ হ'লে একমাত্ৰ অটল বিশ্বাস মনত লৈ প্ৰাৰ্থনাত নিজকে নিয়োজিত কৰাই একান্ত প্ৰয়োজন। ইয়াৰ বাবে সুমানসিক অৱস্থাৰ নিতান্ত প্ৰয়োজন।

বিভিন্ন পৰিৱেশ আৰু পৰিস্থিতিত এজন ব্যক্তিৰ মানসিক আচৰণৰ উমান পাব পাৰি। ৰাস্তা-ঘাটে গাড়ী মটৰ চলোৱাৰ সময়তে ব্যক্তিৰ মানসিক অৱস্থাৰ সঠিক প্ৰমাণ পোৱা যায়। ব্যক্তিজন এজন দক্ষ চালক হয় নে নহয়, তেওঁ ধৈৰ্য্য সহকাৰে গাড়ী চলাব পাৰিছেনে নাই, ৰাজপথৰ যান-যটত তেওঁ নিজৰ জীৱনক নিৰাপত্তা দিয়াৰ লগতে আনৰ জীৱনৰ প্ৰতি কিমান দায়িত্বশীল এই কথাৰ উমান পাব পাৰি। বেছিভাগ মটৰ দুৰ্ঘটনা মত্ত অৱস্থাত গাড়ী চলোৱা বা ক্ৰুদ্ধ অৱস্থা বা অন্য যি কোনো ধৰণৰ মানসিক অশান্তি বা উদ্বেগৰ দ্বাৰা আক্ৰান্ত চালকৰ অসতৰ্কতাৰ ফলতেই সংঘটিত হয়।

ব্যক্তিৰ মন শান্তিৰে পৰিপূৰ্ণ নে আশান্ত জীৱনৰ বলি হৈ হতাশা আৰু দুৰ্দশাৰ মাজত জীৱন কটাইছে- এই সকলোবোৰৰ অধিকাংশ নিৰূপন কৰে মানসিক অৱস্থাই।

· মানসিক অৱস্থাই এজন ব্যক্তিৰ জীৱনৰ মাত্ৰা বা পৰিসৰ নিয়ন্ত্ৰণ- যেনে জীৱনত সাফল্যলাভ, বন্ধুত্ব অৰ্জন আৰু উত্তৰপুৰুষৰ কাৰণে থৈ যোৱা স্থাৱৰ, অস্থাৱৰ সম্পত্তি আদি দিশ সমূহ মানসিক মানসিক অৱস্থাৰ ওপৰতেই নিৰ্ভৰ কৰে। সেইবাবে মানসিক অৱস্থাই জীৱনৰ সৰ্বোচ্চ বুলি ক'লেও অত্যুক্তি নহ'ব নিশ্চয়ঙ্গ

মানসিক অৱস্থা হ'ল এনে এটা বস্তু যিয়ে কোনো ব্যক্তিক দাঁত উভালিবলৈ যোৱাৰ সময়তো মনত সহায় কৰে যাতে

তেওঁ যন্ত্ৰনাৰ কথা পাহৰি থাকে।

এনে মানুহ কত আছে, যি সকলে বিশ্বাস কৰে যে কোনো ব্যক্তিৰ মানসিক অৱস্থাই সমগ্ৰ জীৱন জুৰি তেওঁৰ শৰীৰক অৱলম্বন কৰি থাকে, সেয়ে মৃত্যুৰ পৰৱৰ্তী কালত ঘটা ঘটনায়ো তেওঁক প্ৰভাৱিত কৰে। এই ধৰণৰ বক্তব্যৰ অৱশ্যে কোনো প্ৰমাণ নাই, তথাপি ইয়াৰ যুক্তিযুক্ততা অস্বীকাৰ কৰা নাযায়।

শেষত মানসিক দৃষ্টিভংগীৰ সকলোতকৈ ডাঙৰ প্ৰমাণ এই যে, ই হ'ল একমাত্ৰ বস্তু যাৰ ওপৰত যি কোনো মানুহৰ প্ৰতি দ্বন্দ্বিতাহীন একচ্ছত্ৰী নিয়ন্ত্ৰণ থাকে। আমি অন্য কোনো ব্যক্তিৰ চিন্তা বা কৰ্ম ধাৰাক নিয়ন্ত্ৰণ কৰিব নোৱাৰো। তাৰোপৰি আমি জীৱনত কৰিবলৈ ইচ্ছা হ'লেই কিবা এটা কৰিব নোৱাৰো, তথাপি এক অসাধাৰণ ক্ষমতা আমাৰ মাজত নিহিত হৈ আছে। সেয়া হ'ল আমাৰ অসামান্য আৰু অবিশ্বাস্য সুবিধা হৈছে এয়ে যে আমাৰ মনৰ পৰা যি চিন্তাস্ৰোত নিৰ্গত হৈ থাকে, তাৰ প্ৰতিটোকেই নিয়ন্ত্ৰণত ৰখাটো সম্ভৱ। জন্মৰ পিছত যেতিয়াৰ পৰা আমাৰ চিন্তা কৰা শক্তিৰ জন্ম হয়, তেতিয়াৰ পৰা আমি এই নিয়ন্ত্ৰণ ৰখা কাৰ্যটো কৰিব পাৰো আৰু সেয়া চলি থাকে আমৃত্যু।

সকলোতকৈ উল্লেখযোগ্য, সকলোতকৈ লক্ষণীয় সকলো শক্তিৰ ভিতৰত শ্ৰেষ্ঠতম কিবা এটা, যি আমাৰ প্ৰত্যেকৰ জীৱনকে প্ৰভাৱান্বিত কৰে এই সকলোবোৰ ইয়াতেই বিচাৰি পোৱা যায়। এই কথা যুক্তিপূৰ্ণ যে প্ৰতিজন মানুহক, তেওঁৰ চিন্তা শক্তিৰ ওপৰত নিয়ন্ত্ৰণ ৰখাৰ ক্ষেত্ৰত এই বিশ্বৰ সৃষ্টিকৰ্তাই এক মহামূল্যবান বস্তু দান কৰি গৈছে। এই কথাত সন্দেহৰ অৱকাশ নাই যে ব্যক্তিৰ মনেই হ'ল আচল বস্তু, ইয়াৰ সহায়ত তেওঁ কিদৰে জীৱন কটাব খোজে, তাৰ পৰিকল্পনা নিজে প্ৰস্তুত কৰি ল'ব পাৰে।

বিখ্যাত কবি হেননিয়ে এই বিৰাট সত্যক হৃদয়েৰে অনুভৱ কৰি এই কবিতা ফাঁকি ৰচনা কৰিছিল।

ময়েই মোৰ ভাগ্যৰ নিয়ন্ত্ৰক
ময়েই মোৰ আত্মাৰ অধিনায়ক।'

এই কথা সঁচা যে আমিয়েই আমাৰ জাগতিক ভৱিষ্যতৰ অধিনায়ক হৈ উঠিব পাৰো, অৱশ্যে সিমান খিনিহে, যিমানখিনি আমি আমাৰ মনক নিয়ন্ত্ৰণ কৰি নিৰ্দ্দিষ্ট কোনো গ্ৰহণযোগ্য পথেৰে আৰু আন্তৰিকতাৰে সৈতে আমাৰ মানসিক অৱস্থাক নিয়ন্ত্ৰণ কৰিব পাৰো।

পৃথিৱীত সবাতোকৈ সহজ কাম হৈছে আনক সমালোচনা কৰা, সবাতোকৈ টান কাম নিজক সংশোধন কৰা।

*হেম বৰুৱা।*

# আকাশী ভ্ৰমণৰ সপোন

**মছিফ আহমেদ**
**উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (কলা শাখা)**

চৰাইৰ দৰে আকাশত উৰাৰ মানুহৰ হাবিয়াস বহু যুগৰ পৰাই আছিল। তাৰ বাবে নানা জনে ভিন ভিন সময়ত বিভিন্ন প্ৰচেষ্টা চলাইছিল যদিও সফল হ'ব পৰা নাছিল। ১৬ শতিকাৰ আৰম্ভণিতে ইটালিৰ বিশ্ব বিখ্যাত শিল্পী তথা বিজ্ঞানী লিঅ'ণাৰ্ড দা ভিন্সীয়ে আকাশত উৰিব পৰা এক যন্ত্ৰৰ নক্সা প্ৰস্তুত কৰিছিল। তেওঁ চৰাইৰ দৰে উৰিব পৰা যান্ত্ৰিক ধাৰণা কৰিছিল। তেওঁৰ আন এটা ধাৰণা আছিল স্থিৰ ডেউকাৰ 'গ্লাইডাৰ'। তেওঁৰ তৃতীয়টো ধাৰণা আছিল এনে এখন যান যিখনে চকৰিৰ ঘূৰ্ণনৰ বাবে আপোনা আপুনি ওপৰলৈ উঠিব পাৰিব, ঠিক আজি কালিৰ হেলিকপ্টাৰৰ দৰে। কিন্তু তেওঁৰ সহযোগীজনৰ অকাল বিয়োগৰ ফলত পৰীক্ষামূলকভাৱে নিৰ্মান কৰি তেওঁ এই ধাৰাণা কেইটাক বাস্তৱায়িত কৰিব নোৱাৰিলে।

লিঅ'ণাৰ্ড দা ভিন্সীৰ গ্লাইডাৰৰ সপোন বাস্তবায়িত কৰিলে এজন বৃদ্ধ ইংৰাজ বিজ্ঞানীয়ে ১৮৪৯ চনত। জৰ্জ কেইলি নামৰ এই লোকজনে এটা কথা অনুভৱ কৰিছিল যে চিলা এখনৰ দৰে চেপেটা আকৃতিৰ যান এখনহে আকাশত ভাঁহি থকাটো সম্ভৱ। তেওঁ এই ধাৰণাৰ ভিত্তিতেই এখন বৃহৎ আকৃতিৰ অকাশী যান নিৰ্মাণ কৰে। ওখ পাহাৰৰ পৰা এইখন এৰি দিয়াত বতাহত ভাঁহি লাহে লাহে ই তললৈ নামি আহিছিল যিখনক কোৱা হৈছিল গ্লাইডাৰ। কেইলীৰ পাছত উইলিয়াম হেনছনে বিশ্বৰ প্ৰথমখন যন্ত্ৰচালিত আকাশী যানৰ নক্সা তৈয়াৰ কৰে। কিন্তু তেতিয়াও আকাশী যানৰ ব্যৱহাৰ কৰিব পৰা উপযুক্ত ইঞ্জিনৰ অভাৱ পূৰণ হোৱা নাছিল। এওঁলোক দুজনৰ কামৰ পৰা উৎসাহ পায়েই সেইসময়ত আন কেইবাজনো বিজ্ঞানীয়ে আকাশী যান তৈয়াৰ কৰা কামত আত্মনিয়োগ কৰিলে। অট' লিলিয়েন থাল নামৰ জাৰ্মান অভিযন্তাজনে এই দিশত কিছু কৃতিত্ব অৰ্জন কৰিবলৈ সক্ষম হ'ল। তেওঁ নিজ শক্তিৰে পৰিচালিত বায়ুতকৈ গধুৰ এখন আকাশীযান নিৰ্মাণ কৰিলে। দুখন ডাঙৰ পাখীযুক্ত এই যানখনৰ মাজতে এটা সঁজা ওলোমোৱা আছিল আৰু তাতে বহি চালকজনে ভৰিৰে চাইকেল চলোৱাৰ দৰে ওখ ঠাইৰ পৰা এৰি দিলে ই উৰি উৰি নামি আহে। দুৰ্ভাগ্যবশতঃ ১৮৯৬ চনৰ কোনোৱা এদিন উৰণ পৰীক্ষা কৰোতে তেওঁৰ মৃত্যু ঘটে। লিলিয়ানথানৰ মৃত্যুৰ পিছতো আকাশীযানৰ ওপৰত পৰীক্ষা নিৰীক্ষা চলি থাকিল আৰু ১৯০৩ চনত মানুহ কঢ়িয়াৰ পৰা যন্ত্ৰচালিত প্ৰথম খন আধুনিক উৰাজাহাজে জন্ম লাভ বাৰে, যাৰ পিতৃ আছিল দুজন আমেৰিকান ভাতৃ উইলবাৰ ৰাইট আৰু অ'ৰভিল ৰাইট।

আমেৰিকা মুক্তৰাউৰ অহিঅ' প্ৰদেশৰ ডেটল নামৰ সৰু নগৰত জন্মলাভ কৰা উইলবাৰ ৰাইট আৰু অ'ৰভিল ৰাইট ভাতৃদ্বয় সৰুৰে পৰা গ্লাইডিঙৰ প্ৰতে আকৰ্ষিত আছিল। কোনোৱা এটা উৎসৱত দেউতাকে তেওঁলোকক এখন পুতুলা গ্লাইডাৰ উপহাৰ দিলে। গ্লাইডাৰখনে দুয়োৰে মন এনেদৰে মোহিলে যে দুয়ো আজৰি সময়খিনি গ্লাইডৰ খনৰ লগতে খেলা-ধুলা কৰি কটাবলৈ ল'লে আৰু আকাশত উৰাৰ সপোন ৰচিলে। সদায় একেলগে থকা দুই সহোদৰে জীৱিকাৰ বাবে এখন চাইকেলৰ দোকান খুলিলে আৰু তেওঁলোকৰ নিজৰ প্ৰচেষ্টাৰ ফলত চাইকেল নিমাৰ্ণ কৰি বিক্ৰী কৰিবলৈ ল'লে। ১৮৯৫ চনৰ কোনোৱা এদিন অট'লিলিয়েনথালৰ দুঃসাহসিক গ্লাইডাৰতকৈ উন্নত মানুহ কঢ়িয়াৰ পৰা এটা উৰণ যন্ত্ৰ নিমাৰ্ণৰ কাৰ্যত আত্মনিয়োগ কৰিলে। তেওঁলোকৰ এই কাৰ্যত প্ৰণালীবদ্ধ ভাৱে আগবাঢ়িল। চিলা গ্লাইডাৰ আদি কেনেদৰে বায়ুত ওপঙি থাকে, সিহঁতক

কেনেদৰে নিমাৰ্ণ কৰা হয় আদি পুংখানুপুংখকৈ তেওঁলোকে অধ্যয়ণ কৰিলে। তেওঁলোকে আগৰ উৰণ সমূহৰ অসফলতাৰ কাৰণসমূহ আৰু দোষ-ক্ৰটিসমূহো অধ্যয়ণ কৰিলে। পুনঃ পুনঃ অধ্যয়ণৰ পিছত তেওঁলোকে যে লিলিয়েনৰ গ্লাইডিঙৰ নিয়ন্ত্ৰণ ব্যৱস্থাটো অশুদ্ধ আছিল সেয়া বুজিবলৈ সক্ষম হ'ল। ইয়াত চালকজানে নিজৰ শৰীৰটো হ'লাই গ্লাইডাৰৰ দুয়োফালৰৰ সমতা স্থাপন কৰিলেহে আকাশত ই বহু সময় ওপঙি থাকিব পাৰিব বুলি ৰাইট ভাতৃদ্বয়ে পথ পালে যদিও ইয়াক যান্ত্ৰিকভাৱে কেনেদৰে নিয়ন্ত্ৰণ কৰা যাব তাক তেওঁলোক সমস্যাত পৰিল। এইদৰে কেইবাহমাহো পাৰ হৈ গ'ল।

আৱিষ্কাৰ ইতিহাস সদায় আকস্মিকভাৱেহে উদঘাটন হয়। উইলবাৰে এদিন এনেয়ে এটা দীঘল খানি কাগজৰ বাকছ ঘূৰাই-পকাই চাই থাকোতে হঠাৎ তেওঁ অনুভৱ কৰিলে যে গ্লাইডাৰখন ওপঙাই ৰখাৰ সমস্যাটোৰ তেওঁ সমাধান পাইছে। পাখীদুখনৰ এখন ওপৰলৈ পকালে আৰু আনখন তললৈ পকালে বাহনখন ভাৰসাম্য অৱস্থাত থাকিব। তেওঁলোকে কিছুমান ৰচীৰ সহায়ত পাখী ভাজ কৰাৰ ব্যৱস্থা এটা পৰিকল্পনা কৰিলে।

ৰাইট ভাতৃদ্বয়ে প্ৰথমতে তেওঁলোকৰ ধাৰণাবোৰ খটুৱাই এখন বাকচ চিলা সজালে। ওপৰা-ওপৰিকৈ থকা দুখন পাখী লগোৱা এই প্ৰকাণ্ড চিলাখন মাটিৰ পৰাই ৰছীৰ সহায়ত নিয়ন্ত্ৰণ কৰিলে; পাখী ভাজ কৰি সজাই বাহনখন ভাৰসাম্য কৰি ৰখাটো সম্ভৱ হ'ল।

বাকচ চিলাৰ পৰীক্ষাটোৰ পিছত ১৯০০ চনৰ উইলবাৰ আৰু অ'ৰভিলে মানুহ কঢ়িয়াব পৰা এখন গ্লাইডৰ নিমাৰ্ণ কৰি উলিয়ালে। কিন্তু এইখন উৰণৰ বাবে এখন ডাঙৰ মুকুলি ঠাইৰ প্ৰয়োজন হ'ল। যথেষ্ট বতাহ বলি থকা কিট্ৰি হক নামৰ নৰ্থ কাৰলিনাৰ তীৰঅঞ্চটোকে তেওঁলোকে বাচি ললে আৰু ইয়াতে পোন প্ৰথম বাৰৰ বাবে ২৫ কিল'-গ্ৰাম ওজনৰ গ্লাইডাৰখনৰ উৰণকাৰ্য সফলতাৰে সম্পূৰ্ণ কৰিবলৈ সক্ষম হ'ল। গ্লাইডাৰৰ আগ আৰু পিছৰ সমতা স্থাপনৰ বাবে বাহনখনৰ নেজত এলিভেটৰৰ সংযোগ ঘটায়ো চালে। তেওঁলোকে চলোৱা প্ৰনালীবদ্ধ পৰীক্ষা-নিৰীক্ষাৰ সহায়ত উৰণ সম্পূৰ্ণ কৰিব পৰা হ'ল।

১৯০৩ চনৰ ডিচেম্বৰ মাহৰ প্ৰথম সপ্তাহত ধাতু আৰু কাঠৰ ডাঙৰ সাজোনৰ ওপৰত তৈয়াৰী প্ৰকাণ্ড যানখন উৰণৰ বাবে কিট্ৰিহকত সাজু হ'ল। 'ফ্লয়াৰ' নাম দিয়া বাহনখনত উইলবাৰে উঠি মাজত পথালিকৈ পাৰি দি উৰিবৰ বাবে সাজু হ'ল। প্ৰপেলাৰ ষ্টাৰ্ট দিয়াৰ পিছত অ'ৰভিলে কাঠৰ চিৰিয়েদি বাহনখন অলপদূৰ ঠেলি দিলে, বাহনখন বায়ুলৈ উঠিবলৈ লৈয়ে পুনৰ মাটিত নামি পৰিল। দুদিনমানতে তেওঁলোকে বাহনখন পুনৰ ঠিক কৰি উৰণৰ বাবে সাজু কৰিলে। এইবাৰ চালকৰ আসনত উঠিল অ'ৰভিল। তেওঁ মাটিয়েদি বাহনখন কিছুদূৰ চলাই নিলে আৰু লাহে লাহে নিজে নিজেই বায়ুত ই উঠি যাবলৈ এৰি দিলে। ইয়াৰ লগে লগেই বিশ্বৰ ইতিহাসত মানুহ কঢ়িয়াব পৰা আকাশী যানৰ উদ্ভাৱন হ'ল। আৰম্ভ এক নতুন অধ্যায়ৰ। ইয়াৰ পিছত তেওঁলোকে কেইবাবাৰো উৰণ পৰীক্ষা কৰিলে আৰু ৫৯ ছেকেণ্ডত ২৫৯ মিটাৰ দূৰত্ব বায়ুত অতিক্ৰম কৰিবলৈ সক্ষম হ'ল। বিভিন্ন খুৰ্টি নাৰ্টিবোৰ অতিক্ৰম কৰি তেওঁলোকে লাহে লাহে উৰণৰ সময় বৃদ্ধি কৰিবলৈ সক্ষম হ'ল।

উৰণৰ আলোড়ন সৃষ্টি হোৱাৰ লগে লগেই বিশ্বৰ বিভিন্ন প্ৰান্তত বৈজ্ঞানিকসকলে উৰাজাহাজ সাজিবলৈ ল'লে। ১৯১৩ চনত ৰাচিয়াৰ ইগৰ চিকৰচী নামৰ অভিযন্তা জনে মানুহ কঢ়িয়াব পৰা এখন উৰাজাহাজ সাজি উলিয়াই। চাৰিটা ইঞ্জিনযুক্ত এই উৰাজাহাজখনৰ ভৰ আছিল ৪০০০ কিল'গ্ৰাম ; য'ত দুজন চালকৰ উপৰিও ১৬ জন যাত্ৰীও উঠিব পৰাৰ ব্যৱস্থা আছিল। প্ৰথম বিশ্বযুদ্ধৰ লগে লগে এনেধৰণৰ ডাঙৰ আকাৰৰ উৰাজাহাজ নিমাৰ্ণ হ'বলৈ ধৰিলে আৰু যুদ্ধ ক্ষেত্ৰত ইয়াক ব্যৱহাৰ কৰিবলৈ ললে। দ্বিতীয় মহাযুদ্ধৰ পিছত জেটইঞ্জিনৰ আৱিষ্কাৰৰ লগে লগে উৰণক্ষেত্ৰই আৰু এটাপ ওপৰলৈ জাপ মাৰিলে। জেট ইঞ্জিন ব্যৱহাৰে আকাশীযানৰ বেগ একেবাৰতে দুগুণলৈ বৃদ্ধি কৰিলে।

উৰাজাহাজৰ আৱিষ্কাৰে পৃথিৱীখনক অধিক সংকুচিত কৰি অনাৰ উপৰিও বিশ্বৰ বেপাৰ-বানিজ্য, পৰ্যটন আদি সকলো ক্ষেত্ৰলৈ অধিক প্ৰগতি আনি দিলে।

কিতাপ হ'ল মানুহৰ চমকপ্ৰদ সৃষ্টি। কোনো বস্তুৱেই চিৰস্থায়ী নহয়। স্থাপত্য, নিৰ্মাণকাৰ্য, ৰাষ্ট্ৰ আদিও ধ্বংস হ'ব পাৰে। কিন্তু কিতাপৰ প্ৰভাৱ যুগমীয়া হৈ ৰৈ যায়।

*ড' মামণি ৰয়ছম গোস্বামী*



# গান্ধীজীৰ জীৱন আৰু কৃতী

যুগব্ৰতা চৌধুৰী
স্নাতক প্ৰথম ষান্মাষিক

মহা মহা পুৰুষৰ চানেকিৰে জীৱনৰ
আমিও কৰিব পাৰোঁ জীৱন গঢ়িত
অভিনয় শেষ হলে আয়ু বেলি মাৰ গলে
থই যাব পাৰো খোজ সময় বালিত।

পৃথিৱীৰ বুৰঞ্জীত যিবোৰ ব্যক্তিয়ে একোটা সুকীয়া বৈশিষ্ট্যৰ বাবে চিৰস্মৰণীয় আৰু চিৰ উজ্জ্বল হৈ আছে, তেওঁলোকৰ ভিতৰত আমাৰ জাতিৰ পিতা মহামানৱ মহাত্মা গান্ধীও এজন। অৰ্ধনগ্ন ফকীৰ,সত্যৰ পূজাৰী বাপুজীয়ে বিনা অস্ত্ৰে, বিনা ৰক্তপাতে শৃংখলিত ভাৰত-জননীক অহিংসা নীতিৰে মুক্ত কৰি পৃথিৱীৰ ৰাষ্ট্ৰনীতিৰ ইতিহাসত এটি যুগমীয়া আদৰ্শ সূচনা কৰি থৈ গ'ল।

গুজাৰাটৰ পোৰবন্দৰ নামৰ নগৰত ইংৰাজী ১৮৬৯ চনৰ ২ অক্টোবৰ তাৰিখে মহামানৱ মহাত্মা গান্ধীয়ে জন্ম লাভ কৰে। তেওঁৰ সম্পূৰ্ণ নাম আছিল মোহন দাস কৰমচাঁদ গান্ধী। দেউতাকৰ নাম আছিল কৰমচাঁদ গান্ধী বা কাবা গান্ধী আৰু মাকৰ নাম আছিল পুতুলী বাঈ। মাক বাপেকৰ তিনিজন পুত্ৰ আৰু এজনী কণ্যাৰ ভিতৰত মোহন দাস আছিল নুমুলীয়া পুত্ৰ।

মহাত্মী গান্ধীৰ পূৰ্বপুৰুষসকল ডাঙৰ ব্যৱসায়ী আছিল আৰু জাতিত বণিয়া বা বৈশ্য আৰু গান্ধী উপাধিৰ লোক আছিল। মহাত্মা গান্ধীৰ ককাদেউতাককে ধৰি ক্ৰমান্বয়ে তিনি পুৰুষ কাথিৱাৰৰ বিভিন্ন দেশীয় ৰাজ্যৰ প্ৰধান মন্ত্ৰী আছিল। তেওঁৰ ককাদেউতা উত্তম চাদঁ গান্ধী ওৰফে ওটা গান্ধী পোৰবন্দৰৰ দেৱান বা প্ৰধান মন্ত্ৰী আছিল। তেওঁ এজন ন্যায়পৰায়ণ ব্যক্তি আছিল।

দেউতাকৰ দৰে কাবা গান্ধীও পোৰ বন্দৰৰ দেৱান হৈছিল। তেওঁৰ স্কুলীয়া শিক্ষাও যৎসামান্য আছিল। তেওঁ গুজাৰাটী শিক্ষাৰ পঞ্চম মানলৈহে পঢ়িছিল। তেওঁৰ বুৰঞ্জী বা ভূগোলৰ আনুষ্ঠনিক শিক্ষা নাথাকিলেও ব্যৱহাৰিক ক্ষেত্ৰত জটিল সমস্যাৰ সমাধান অতি সহজে কৰিব পাৰিছিল। তেওঁ নৈষ্ঠিক ধাৰ্মিক লোক আছিল। কাবা গান্ধীয়ে সদায় সচাঁ কথা কৈছিল। তেওঁ আছিল অসীম সাহসী আৰু যি কোনো পৰিস্থিতিৰ লগত মোকাবিলা কৰিব পাৰিছিল। মহাত্মা গান্ধীৰ মাক পুতুলী বাঈও এগৰাকী অতিশয় ধৰ্ম পৰায়ণা মহিলা আছিল। দৈনন্দিন পূজা-সেৱা নকৰাকৈ তেওঁ আহাৰ নকৰিছিল, হিন্দু ধৰ্মৰ সকলো পৰ্ব তেওঁ একান্ত নিষ্ঠাৰে পালন কৰিছিল। মুঠতে মহাত্মা গান্ধীৰ মাক এগৰাকী সৎ, আদৰ্শবান, সত্যবাদী ধৰ্মপৰায়ণা মহিলা আছিল।

এনে পৰিৱেশতে মহাত্মা গান্ধীয়ে জন্ম লাভ কৰিছিল। সৰুতে তেওঁৰ নাম মোহন দাস কৰম চাদঁ গান্ধী আছিল যদিও পিছলৈ বিশ্বকবি ৰবীন্দ্ৰ নাথ ঠাকুৰে তেওঁক "মহাত্মা", জৱাহৰলাল নেহৰু আৰু বল্লভাই পেটেলে তেওঁক "বাপুজী" আৰু তেওঁৰ ইংৰাজ শিষ্য মীৰা বেনে 'বাপু' বুলি সম্বোধন কৰিছিল।

গান্ধীজীৰ প্ৰাথমিক শিক্ষা আৰম্ভ হৈছিল পোৰবন্দৰত। তাৰ পিছত ৰাজকোটত গান্ধীজীয়ে প্ৰাইমাৰী আৰু মজলীয়া স্কুলৰ শেষ কৰি বাৰ বছৰ বয়সত হাই স্কুলত নাম লগায়। তেওঁ পঢ়াত মজলীয়া ধৰণৰ ছাত্ৰ আছিল আৰু প্ৰাইমাৰী আৰু মজলীয়া শিক্ষাৰ সময়ত লিখা-পঢ়াৰ বিশেষ কৃতিত্ব দেখুৱাব পৰা নাছিল। কিন্তু তেওঁ সত্যবাদী আছিল। সৰুৰে পৰা তেওঁ বৰ লাজকুৰীয়া ল'ৰা আছিল। হাইস্কুলত পোৱাৰ পিছত তেওঁ পঢ়া-শুনাত অলপ উন্নতি কৰিবলৈ ধৰিলে। পঞ্চম আৰু ষষ্ঠ শ্ৰেণীত তেওঁ বৃত্তিও পাইছিল। হাইস্কুলত পঢ়ি থকা সময়তে মাত্ৰ তেৰবছৰ বসয়ত গান্ধীজী বিবাহ-পাশত আবদ্ধ হ'বলগীয়া হৈছিল। কাৰণ তেই সময়ত সমাজত বাল্য বিবাহৰ প্ৰচলন আছিল। বিয়াৰ বাবেই গান্ধীজীৰ পঢ়া এবছৰ ক্ষতি হৈছিল। গান্ধীজীৰ পত্নীৰ নাম আছিল "কস্তুৰীবাঈ"।

গান্ধীজীৰ দেউতাকে শেষ বয়সত পাঁচ বছৰকাল বেমাৰত ভূগি মৃত্যু বৰণ কৰিছিল। তেতিয়া গান্ধীজীৰ বয়স আছিল যোল্ল বছৰ। পিতাকৰ মৃত্যুৰ এবছৰ পিছতে গান্ধীজীয়ে বোম্বাই

বিশ্ববিদ্যালয়ৰপৰা প্ৰৱেশিক্ষা পৰীক্ষাত উত্তীৰ্ণ হয়। তাৰ পিছত তেওঁ ভৱনগৰত শ্যামল দাস কলেজত নাম ভৰ্ত্তি কৰে। কলেজীয়া শিক্ষা সাং কৰি গান্ধীজীয়ে বিলাতলৈ ব্যাৰিষ্টাৰী পঢ়িবলৈ যায়। ১৮৯১ চনত ব্যাৰিষ্টাৰী পৰীক্ষাত উত্তীৰ্ণ হৈ গান্ধীজীয়ে স্বদেশলৈ উভতি আহে। প্ৰথমে তেওঁ বোম্বাই হাইকোৰ্টত ওকালতি আৰম্ভ কৰে যদিও বিশেষ কৃতকাৰ্যতা লাভ কৰিব নোৱাৰিলে; কাৰণ তেওঁ মিছা কথা ক'ব নোৱাৰিছিল আৰু অধিক লাজুক আছিল। ইয়াৰ ফলতে ন্যায়ালয়ত তেওঁ এজন ভাল ব্যাৰিষ্টাৰ বুলি যশ অৰ্জন কৰিব নোৱাৰিলে।

১৮৯৩ চনত এটা ভাৰতীয় কোম্পানীৰ মোকৰ্দমাৰ দায়িত্ব লৈ তেওঁ দক্ষিণ আফ্ৰিকালৈ যায়। তেতিয়া তাত থকা শেতাঙ্গ নাটাল চৰকাৰৰ এক অন্যায়ৰ বিৰুদ্ধে প্ৰতিবাদী আন্দোলন সকলো ভাৰতীয়ই তেওঁৰ নেতৃত্বত গঢ়ি তুলিলে। এই আন্দোলন আছিল অহিংস আন্দোলন। দক্ষিণ আফ্ৰিকাৰ চৰকাৰৰ পৰা নানা ৰকমে লাঞ্চিত আৰু অপমানিত হোৱা সত্বেও তেওঁ এই যুঁজত জয়ী হয় আৰু এই যুঁজত তেওঁৰ অহিংস নীতিৰ প্ৰথম জয় হয়। সুদীৰ্ঘ ২০ বছৰ কাল দক্ষিণ আফ্ৰিকাত থাকি ১৯১৪ চনত মহাত্মা গান্ধীয়ে স্বদেশলৈ উভতি আহি সবৰমতীত এখন জনকল্যাণমূলক আশ্ৰম স্থাপন কৰি তাৰ যোগেদি দেশ সেৱাত আত্মনিয়োগৰ পাতনি মেলিলে। ১৯১৪ চনত বিশ্বযুদ্ধ আৰম্ভ হ'ল। ব্ৰিটিছ চৰকাৰে ভাৰতীয়ক এই বুলি প্ৰতিশ্ৰুতি দিছিল যে যদি ভাৰতে ব্ৰিটিছক সহায় কৰে, তেন্তে ভাৰতক স্বায়ত্ত শাসন দিয়া হ'ব। যুদ্ধত ভাৰতে ব্ৰিটিছক সহায় কৰিলে কিন্তু ব্ৰিটিছে তেওঁলোকৰ কথা নাৰাখিলে। সেয়ে এনে বিশ্বসঘাতকতাত মহাত্ম গান্ধীয়ে বৰ দুখ পালে আৰু দেশব্যাপী আন্দোলনৰ আহ্বান জনালে। সেই সময়ত পাঞ্জাৱৰ জালিৱানাৱালাবাগত ব্ৰিটিছে নিৰস্ত্ৰ জনগণক গুলিয়াই হত্যা কৰিছিল। এই হত্যাকাণ্ডৰ প্ৰতিবাদত ভাৰতৰ ইমূৰৰ পৰা সিমূৰলৈ ভাৰতীয় জনতাই গান্ধীজীৰ নেতৃত্বত স্বাধীনতা সংগ্ৰামত জঁপিয়াই পৰিল। দেশ স্বাধীন কৰিবৰ বাবে গান্ধীজীয়ে 'স্বৰাজৰ পথত সংগঠনৰ কাৰ্য-সূচী' নামে আঁচনি এখন গ্ৰহণ কৰে। সাম্প্ৰদায়িক সম্প্ৰীতি, অস্পৃশ্যতা দূৰীকৰণ, মাদক দ্ৰব্য নিৱাৰণ, খাদী, গ্ৰাম্য কুটীৰ শিল্প, গ্ৰাম্য জন-স্বাস্থ্যৰ, বুনিয়াদী শিক্ষা, প্ৰাপ্ত বয়স্কৰ শিক্ষাকে আদি কৰি এই আঁচনিত ১৮ টা কাৰ্যসূচী অন্তৰ্ভূক্ত কৰা হৈছিল।

ইংৰাজী ১৯৩০ চনৰ চেপ্তেম্বৰ মাহত কংগ্ৰেছৰ বিশেষ অধিবেশন বহিছিল। এই অধিবেশনত "অসহযোগ আন্দোলন"ৰ প্ৰস্তাৱ গৃহিত হয়। এই আন্দোলনৰ কাৰ্যসূচীসমূহৰ ভিতৰত প্ৰধান আছিল - ১। চৰকাৰী উপাধি ত্যাগ ২। চৰকাৰী চাকৰি,স্কুল কলেজ বৰ্জন ৩। আইন আদালত বৰ্জন ৪। বিলাতী বস্তু বৰ্জন ৫। মাদক দ্ৰব্য বৰ্জন ৬।খদ্দৰৰ প্ৰচলন ৭। কাউন্সিল বা এছেম্ব্লী বৰ্জন ইত্যাদি।

ইংৰাজী ১৯৩০ চনত গান্ধীজীয়ে আইন অমান্য আন্দোলন আৰম্ভ কৰিছিল, কিন্তু দেশত হিন্দু আৰু মুছলমানৰ মাজত সাম্প্ৰদায়িক অশান্তিৰ সৃষ্টি হোৱা বাবে এই আন্দোলন বন্ধ ৰখাৰ প্ৰস্তাৱ গ্ৰহণ কৰে।

ইংৰাজী ১৯৪২ চনত স্বাধীনতা আন্দোলনে চৰম সীমাত উপনীত হৈছিল। সেই চনৰে ৮ আগষ্টত বোম্বাইত বহা জাতীয় কংগ্ৰেছে 'ভাৰত ত্যাগৰ ধ্বনি তুলিলে। 'ভাৰত-ত্যাগ'ৰ ধ্বনিয়ে দেশৰ বতাহ গৰম কৰিলে। 'কৰেঙ্গা ইয়া মৰেঙ্গা'- গান্ধীজীৰ এই বাণীৰ তৰংগমালাত ব্ৰিটিছ চৰকাৰৰ সিংহাসন কঁপি উঠিছিল। তেওঁলোকে ভাৰতক স্বাধীনতা দিবলৈ বাধ্য হ'ল। ইংৰাজী ১৯৪৭ চনৰ ১৫ আগষ্ট তাৰিখে স্বাধীন ভাৰতৰ আকাশত স্বাধীনতাৰ বা বলিবলৈ ধৰিলে। গান্ধীজীৰ নেতৃত্বত শৃংখলিত জননীক মুক্ত কৰিলে ভাৰতৰ কোটি কোটি জনতাই। দেশত আনন্দ-উৎসৱৰ সীমা নাইকিয়া হ'ল।

গান্ধীজীয়ে কেৱল ৰাজনৈতিক বিপ্লৱতে আৱদ্ধ থকা নাছিল; সামাজিক আৰু নৈতিক বিপ্লৱৰ তেওঁ নেনতৃত্ব দিছিল কৰিছিল। তেওঁ 'সৰ্বোদয়' আন্দোলন আৰু অস্পৃশতা বৰ্জনৰ পথ-প্ৰদৰ্শক। তেওঁৰ আশা আছিল মানুহৰ মাজত যাতে কোনো ভেদা-ভেদ নাথাকে, উন্নতিৰ কাৰণে সকলোৰে সমান সুবিধা থাকে। তেনে ধৰণৰ এখন সমাজ সৃষ্টি কৰিবলৈ গান্ধীজীয়ে মনে-প্ৰাণে বিচাৰিছিল। মহাত্মা আছিল শ্ৰমিকৰ পিতৃ, পথ-প্ৰদৰ্শক আৰু বন্ধুস্বৰূপ।


১৯৪৭ চনত ভাৰত স্বাধীন হৈছিল যদিও পাকিস্তান এখন অন্য দেশ ৰূপে পৰিগণিত হ'ল। সেয়ে মহাত্মা গান্ধীয়ে স্বাধীনতাৰ কোনো অনুষ্ঠানতে ভাগ ল'ব নোৱাৰিলে। কাৰণ তেওঁ আছিল এজন শান্তিপ্ৰিয় লোক আৰু তেওঁ কোনো দিনে ভাৰতত এনে দ্বিখণ্ডিত স্বাধীনতা বিচৰা নাছিল। সেয়েহে তেওঁ কৈছিল- "মই এতিয়া অচল টকা, গতিকে মই দেশৰ এনেধৰণৰ স্বাধীনতাৰ কোনো অনুষ্ঠানত যোগদান কৰিব নোৱাৰো।"

ইং ১৯৪৮ চনৰ ৩০ জানুৱাৰী তাৰিখে জাতিৰ পিতা মহামানৰ মহাত্ম গান্ধীজীযে আততায়িৰ হাতত প্ৰাণ বিসৰ্জন দিলে পৃথিৱীৰ পৰা চিৰ বিদায় ললে। গান্ধীজী আজি নাই ; কিন্তু তেওঁৰ অমৰ স্মৃতি, অমৰ বাণীয়ে চিৰদিন ভাৰতীয় জনাসাধাৰণক প্ৰেৰণা জোগাই থাকিব। তেওঁ আমাৰ বাবে এক উজ্জ্বল জ্যোতি হৈ থাকিব।

সত্য, অহিংস, ব্ৰহ্মচৰ্য, অস্তেয়, অপৰিগ্ৰহ আৰু অভয় আদি মহৎ গুণৰ অধিকাৰী হোৱাৰ বাবে তেওঁ 'মহাত্মা' নামেৰে বিভূষিত হৈছিল। তেওঁ সকলোকে চেনেহ বিলাইছিল আৰু সকলোৰে পৰা মৰম-চেনেহ পাইছিল ; সেয়েহে তেওঁৰ জীৱনটো হৈছিল অমৃতময়। বিলাসিতা আছিল তেওঁৰ বাবে পাপ কাৰ্য্যৰ সমান, কাৰণ বিলাসিতাত মন দিলে পাপ-প্ৰলোভিত গুণবোৰে মানুহৰ মন আৰ্কষণ কৰি মানুহক নৈতিকতাৰ আদৰ্শৰ পৰা বিচলিত কৰাৰ যথেষ্ট সম্ভৱনা থাকে। সেয়ে তেওঁ অতি সহজ-সৰল অনাড়ম্বৰ জীৱন যাপন কৰি আদৰ্শক উদঙাই দেখুৱাইছিল। হে মহামানৱঙ্গ তুমি আমাৰ জাতিৰ চিৰ নমস্য 'বাপুজী' ; তোমাৰ মহান আদৰ্শই ভাৰতীয় জাতিক এক মহান জাতিত পৰিণত কৰক।'

# সাহিত্যাচাৰ্য্য চৈয়দ আব্দুল মালিক ঃ এটি অৱলোকন

**ঋতুস্মিতা দাস**
**স্নাতক তৃতীয় বৰ্ষ**



স্বৰাজোত্তৰ যুগৰ লেখক, গল্পকাৰ সকলৰ ভিতৰত চৈয়দ আব্দুল মালিকৰ নাম প্ৰথমে স্মৰণ কৰিব পাৰি। তেওঁ একেধাৰে কবি, ঔপন্যাসিক, গল্পকাৰ, নাট্যকাৰ, প্ৰৱন্ধকাৰ, অনুবাদক। মালিক প্ৰাক স্বাধীন আৰু স্বৰাজোত্তৰ কালৰ অসমীয়া গল্প সাহিত্যৰ সংযোগ সেতু বুলি আখ্যা দিব পাৰি।

চৈয়দ আব্দুল মালিক বিংশ শতিকাৰ পঞ্চম দশকৰ পৰা অৰ্দ্ধ শতিকাৰো অধিক কাল জুৰি অক্লান্তভাবে সাহিত্য সেৱা কৰি আহিছে। সাহিত্যৰ কেইবাটাও দিশত তেওঁৰ প্ৰতিভা উজ্জ্বল। তেওঁ গল্পকাৰ আৰু ঔপন্যাসিক ৰূপে সৰ্বজনবিদিত। কবিৰূপেও তেওঁৰ খ্যাতি যথেষ্ট। আন আন ৰচনাৰ দিশতো তেওঁৰ লিখনি থমকি ৰোৱা নাই। চৈয়দ আব্দুল মালিকৰ সৃষ্টিমূলক প্ৰতিভাৰ বিশেষ ফলশ্ৰুতি গল্প আৰু উপন্যাস। তাৰ সংখ্যা আন লেখকৰ তুলনাত অধিক। ‘পৰশমনি এজনী নতুন ছোৱালী’, ‘ৰঙাগৰা’, ‘মৰহা পাপৰি’, ‘মৰম মৰম লাগে’, ‘ছয় নম্বৰ প্ৰশ্নৰ উত্তৰ’, ‘বহুত বেদনা’, আদিবোৰ তেওঁৰ প্ৰকাশিত গল্প সংকলন। এই পুথিসমূহৰ অন্তৰ্ভুক্ত গল্পবোৰৰ উপৰিও তেওঁৰ আৰু বহুত গল্প নানা ঠাইত সিঁচৰতি হৈ আছে। গল্প সমূহৰ উপৰিও তেওঁৰ উপন্যাস অসমীয়া সাহিত্যত অগনন। তাৰ ভিতৰত ‘ৰথৰ চকৰি ঘূৰে’, ‘বনজুই’, ‘ছবিঘৰ’, ‘মাটিৰ চাকি’, ‘সুৰুষমুখীৰ স্বপ্ন’, ‘জীয়া জুৰিৰ ঘাট’,‘‘অন্য আকাশ অন্য তৰা’, ‘আধাৰ শিলা’, ‘ওমলা ঘৰৰ ধূনি’, ‘ৰজনী গন্ধাৰ চকুলো’, ‘অঘৰী আত্মাৰ কাহিনী’, ‘জেতুকা পাতৰ দৰে’, ‘এখন মৰুভূমি’, ‘অমৰ মায়া’, আদি প্ৰকাশিত উপন্যাসৰাজিৰ যোগেদি চৈয়দ আব্দুল মালিক বৰ্তমান অসমীয়া সাহিত্য জগতৰ আগশাৰীত সু-প্ৰতিষ্ঠিত।

চৈয়দ আব্দুল মালিকৰ সৃষ্টিশীল প্ৰতিভা প্ৰসুত সৃষ্টি বহলতাই অসমীয়া সাহিত্যৰ গল্প, উপন্যাসৰ ক্ষেত্ৰ জকমকীয়া কৰি তুলিছে। মালিকদেৱৰ পঞ্চাশতধিক সাহিত্যিক জীৱনটো দুটা ভাগত ভগাব পাৰি। তাৰে প্ৰথম ভাগৰ দুটা দশকত তেওঁ বিশেষভাৱে গল্প ৰচনা কৰিছে । দ্বিতীয় মহাযুদ্ধৰ অব্যবহিত পূৰ্ববান্ত কালতেই তেওঁ গল্পকাৰ ৰূপে সু-প্ৰতিষ্ঠিত নহলেও অন্ততঃ জনাজাত হৈছিল। বিচিত্ৰ ভাৱাপন্ন বহু সংখ্যক গল্প ৰচনা কৰি অভিজ্ঞ আৰু প্ৰসিদ্ধ হৈ উঠা গল্পকাৰ মালিকে ষষ্ঠ দশকৰ শেষৰ ফালেহে উপন্যাসৰ ৰাজ্যত

সোমায়। ১৯৫৮ খৃঃত তেওঁৰ "ৰথৰ চকৰি ঘূৰে" পুথিখন উপন্যাস ৰূপে ছপা হৈ ওলায়। মালিকে তেওঁৰ গল্পৰ মাজেদি সুদীৰ্ঘ কালছোৱাত আমাৰ সমাজ জীৱনলৈ নানা ধৰণৰ পৰিবৰ্ত্তন লিপিবদ্ধ কৰি ৰাখিছে। দ্বিতীয় মহাযুদ্ধৰ বিভীষিকা ভাৰতৰ স্বাধীনতা, চীনৰ আক্ৰমন, বিদেশী বহিষ্কাৰ আন্দোলন, নিবনুৱা সমস্যা, সামাজিক ঘাত-প্ৰতিঘাত আদি বিভিন্ন বিষয়ৰ ওপৰত গল্প ৰচনা কৰিছে। আন অসমীয়া গল্পকাৰৰ তুলনাত মালিকৰ কৰ্ম জীৱনৰ পৰিধি যিদৰে বহল সেইদৰে অভিজ্ঞতাৰ পৰিসৰো ব্যাপক।

অসমীয়া সাহিত্যলৈ চৈয়দ আব্দুল মালিকে সাম্যবাদী চিন্তা আৰু ফ্ৰয়ডীয় মনোবিজ্ঞানৰ আধাৰত কেইবাটাও উৎকৃষ্ট গল্পৰ অবদান আগবঢ়ায়। মালিকৰ প্ৰতিভা গল্পৰ জৰিয়তেহে অধিকতৰ ৰূপত প্ৰতিফলিত হৈছে বুলি কব পাৰি। মালিকৰ গল্পৰ বিষয়বস্তু বিভিন্ন। তেওঁৰ গল্পৰ বেছিভাগ বিষয়বস্তু প্ৰেম প্ৰণয়ক কেন্দ্ৰ কৰি লিখা যদিও তাৰ যোগেদি নৈতিক শিক্ষা দিয়াৰো প্ৰচেষ্টা দেখা যায়। মালিকে ৰোমান্টিক গল্পৰ উপৰিও বাস্তৱ সমাজৰ আধাৰতো অসংখ্য গল্প ৰচনা কৰিছে। সমাজৰ অবহেলিত, অসহায়, লাঞ্ছিত, পীড়িতজনৰ প্ৰতি তেওঁৰ সহানুভূতি বিভিন্ন গল্পত ফুটি উঠিছে। মালিকৰ গল্পৰ ভাষা নিমজ আৰু সাৱলীল হোৱা বাবেই পাঠকক আকৰ্ষণ কৰি ৰাখে। তেওঁ গল্পৰ ৰচনা কীৰ্তিৰ ক্ষেত্ৰত সদায় সচেতন। সেয়ে ৰচনাৰ কৌশলৰ দিশত মালিকে অভিনবত্বৰ স্বাক্ষৰ দিবলৈ সক্ষম হৈছে। তেওঁ হ'ল অসমীয়া গল্প সাহিত্যৰ কেইবাটাও যুগৰ মাজৰ সাঁকো স্বৰূপ।

মালিকৰ 'ৰথৰ চকৰি ঘূৰে' উপন্যাসখন ১৯৫৮ চনত প্ৰকাশ পায় বুলিওপৰত কোৱা হৈছে। শতিকাটোৰে পঞ্চম আৰু ষষ্ঠ দশক দুটাত তেওঁৰ গল্পৰাজিয়ে চমকৃতিৰে মাজেদি পাঠকক আমোদ দিয়াৰ নিচিনা উক্ত ৰচনাৰ পাছৰ পৰা উপন্যাস সমূহৰ সঘন আবিৰ্ভাৱেও তেওঁলোকক বিস্মিত আৰু আহলাদিত কৰি ৰাখিছে। উল্লেখিত প্ৰথম উপন্যাসখনত মাৰ্ক্সবাদী আদৰ্শৰ সাধাৰণ ৰেঙণি লক্ষ্য কৰা যায়। ইয়াৰ পাছৰ দুই এখন উপন্যাসত তেনে ভাৱৰ চেগাচেৰোকা আভাস পোৱা যায়। প্ৰেম-প্ৰীতি, আবেগ-অনুভূতি, মানবতাবাদ আদি বিশেষত্ব বোৰৰ ওপৰত ভিত্তি কৰি তেওঁৰ উপন্যাসবোৰ গঢ় লৈ উঠিছে। মালিকৰ কিছুমান গল্পৰ স্থান বিশেষত সৰু কথা একোটাৰ ওপৰতে অপ্ৰয়োজনীও বিস্তৃতি থকাৰ দৰে তেওঁৰ উপন্যাসৰ মাজতো কেতিয়াবা কেতিয়াবা এই ধৰণৰ বিস্তৃতিয়ে উপন্যাস কাহিনী কলাৰ পীনবদ্ধ স্বৰূপ শিথিল কৰি তোলা দেখা যায়। তেওঁৰ উপন্যাস সমূহৰ ভিতৰত 'সুৰুযমুখীৰ স্বপ্ন' এক উল্লেখযোগ্য উপন্যাস। 'অঘৰী আত্মাৰ কাহিনী' উপন্যাসৰ বাবে ১৯৭৪ চনত তেওঁ সাহিত্য একাডেমী বঁটা লাভ কৰে। তেওঁৰ 'আধাৰ শিলা' এখন বৃহৎ উপন্যাস। সদ্য প্ৰকাশিত 'ৰূপাৱৰীৰ পলস' নামৰ উপন্যাসত পমুৱা মুছলমানৰ প্ৰব্ৰজন আৰু অসমকে আপোন বুলি লোৱা মানসিকতাৰ এক দীৰ্ঘ ইতিবৃত্ত দাঙি ধৰিছে। কিন্তু মালিকৰ সচৰাচৰ উপন্যাসৰ নায়কৰ দৰে এই উপন্যাসতো কেইবাগৰাকী যুৱতী নাৰীৰ সান্নিধ্যই নায়কৰ গতি নিৰ্ণয় কৰিছে। মালিক নিসন্দেহে অসমীয়া সাহিত্যত এগৰাকী শ্ৰেষ্ঠ ঔপন্যাসিক। চৈয়দ আব্দুল মালিকদেৰে ভাৰত চৰকাৰৰ 'পদ্মশ্ৰী', পদ্মভূষন' উপাধি আৰু অসম চৰকাৰৰ শংকৰদেৱ বঁটাৰে সন্মানিত হয়। ইয়াৰ উপৰিও ভালেমান বঁটা আৰু সন্মান তেওঁ লাভ কৰিছে।

চৈয়দ আব্দুল মালিকে আধুনিক অসমীয়া সাহিত্যলৈ একক ভাৱেই বৈশিষ্ট্যপূৰ্ণ আৰু বৈচিত্ৰপূৰ্ণ অবদান আগবঢ়াইছে। সাম্প্ৰতিকাললৈকে মালিকৰ বিৰচিত গ্ৰন্থ, উপন্যাস, নিবন্ধ আদি অসমীয়া সাহিত্যলৈ অৰিহণা যোগাই আহিছে। তেওঁৰ গ্ৰন্থৰাজি চাৰিকুৰিতকৈও অধিক। এই জনা সাহিত্যিকে ২০০০ চনৰ ১৯ ডিচেম্বৰত আমাৰ মাজৰ পৰা চিৰদিনলৈ আঁতৰি যায় যদিও তেওঁৰ সাহিত্যৰাজিৰ মাজেৰে অসমীয়া সাহিত্যত সদায় জিলিকি ৰ'ব।

**সহায়ক গ্ৰন্থ সূচী ঃ**

ড° হৰিনাথ শৰ্মাদলৈ - অসমীয়া সাহিত্যৰ পূৰ্ণ ইতিহাস।

সত্যেন্দ্ৰনাথ শৰ্মা - অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত।

> য'ত উদ্যম, লালসা, কামনাৰ লেলিহান বহ্নিশিখাই স্পৰ্শ কৰিব নোৱাৰে সেয়ে প্ৰকৃত কাব্য। যিয়ে জগতৰ বাহিৰৰ নজনাক জানিবলৈ প্ৰাণৰ হেঁপাহ সাধনাৰ নিৰ্দেশ দিয়ে। সেয়ে কাব্যৰ চৰম অভিব্যক্তি। কাব্য ব্যক্তিগত জীৱনৰ অভিজ্ঞতাৰ ৰূপময় চিত্ৰ।
>
> *ৰঘুনাথ চৌধাৰী।*

# গোৱালপাৰীয়া লোক গীতৰ সম্ৰাজ্ঞী প্ৰতিমা বৰুৱা পাণ্ডে

**মিছ আখতাৰা বেগম**
**স্নাতক তৃতীয় যন্মাষিক**



'হস্তীৰ কন্যা, হস্তীৰ কন্যা
বামুণেৰ নাৰী
মাথায় নিয়া তাম কলসী অ',
সখী, হাতে সোণাৰ ঝাৰি সখী অ',
অ, মোৰ হায় হস্তী কন্যাৰে
মানিক দয়া নাই
মাহুতক লাগিয়াৰে।'

দেউতাৰ মুখত সৰুতে প্ৰায় এইফাঁকি গীত শুনিবলৈ পাইছিলো। সৰু আছিলো বাবে গান ফাকিৰ অৰ্থ একো বুজি পোৱা নাছিলো। বাৰে বাৰে বৰজনাক সুধি সুধি আমনি কৰিছিলো কি গীতনো এয়া বুলি। সঁচাকৈয়ে আচৰিত তেওঁৰ কণ্ঠ, তেওঁৰ সৃষ্টি। এবাৰ হেনো গুৱাহাটীত অনুষ্ঠিত হোৱা সদৌ অসম ছাত্ৰ-সন্থাৰ এখন অধিবেশনত সংগীত পৰিবেশন কৰোতে তেওঁৰ সেই সংগীত বন্ধ কৰিবলৈ উপস্থিত ৰাইজে দাবী জনালে। এই দাবী জনোৱাৰ কাৰণ আছিল যে তেওঁ গোৱা গীতটি হেনো বঙালী। ৰাইজৰ এই প্ৰতিবাদৰ জোৱাৰত গায়িকা গৰাকীৰ সুৰ লগে লগে স্তব্ধ হৈ গ'ল। গায়িকা গৰাকীৰ মন দুখ আৰু বেজাৰত ভাগি-পৰিল। তেনেতে সমাজৰ মাজত বহি থকা ড০ ভূপেন হাজৰিকাই ৰাইজক সম্বোন্ধি মাত লগালে - " গোৱালপাৰাক অসমৰ জিলাৰপৰা বাদ দিব বিচাৰিছে নেকি? তেওঁ গোৱালপৰীয়া সুৰতহে গান গাইছে।" এইবাৰ ৰাইজ স্তব্ধ। তেওঁ পুনৰ গীতত সুৰ টানিলে। অনুষ্ঠানত এটা এটাকৈ কেইবাটাও গীত পৰিৱেশন কৰিলে। গানকেইটা শুনাৰ পিছত এইবাৰ দৰ্শকসকলৰ এনেকুৱা লাগিল যেন সকলোৱে তেওঁৰ হৃদয়ৰ সুৰ, মনৰ আবেদন বৰ সহনশীলতাৰে উপলব্ধি কৰিবলৈ চেষ্টা কৰিছে।

কোন বাৰু এইগৰাকী? যাৰ কণ্ঠত আমি আজিও চমকিত হওঁ। কলিকতাৰ কলিগঞ্জত ১৯৩৭ চনত (কোনো কোনোৰ মতে ১৯৩৪ চনৰ ১৩ অক্টোবৰ) পিতৃ প্ৰকৃতিশ বৰুৱাৰ ঔৰসত আৰু মাতৃ মালতী বৰুৱাৰ গৰ্ভত স্থিতি লোৱা গোৱালপৰীয়া লোক গীতৰ সম্ৰাজ্ঞী এই গৰাকীয়ে। প্ৰতিমা বৰুৱা পাণ্ডে গোৱা গীতবোৰকেই আমি গোৱালপৰীয়া লোক সংগীত বুলি আখ্যা দিওঁ। অসম তথা ভাৰতত প্ৰতিমাই এই গীতবোৰ প্ৰতিষ্ঠা কৰিবলৈ যাওঁতে নানা দুখ-

দুৰ্গতিৰ সন্মুখীন হ'ব লগা হৈছিল। তেওঁৰ মুখত সংশয়ৰ এনে এষাৰ কথা আজিও যেন আঁতৰা নাই - ' হয়তো বহুতে ভাবে মই অসমীয়া নহয়।" তেখেতে ইমান মনোগ্ৰাহী আৰু কলা সন্মত কৰি সকলোৰে হৃদয় জিনাকৈ পৰিৱেশন কৰি অহা এই গীতসমূহ গোৱালপাৰাৰ কিছুমান লোক সংগীতহে। গোৱালপাৰাৰো নহয়, আচলতে গৌৰীপুৰৰ গীত' বুলিহে জনা যায়। এই গীতসমূহ প্ৰধানত গৌৰীপুৰক কেন্দ্ৰ কৰি ৰচিত। গীত সমূহত ৰসৰ অভাৱ নাই। আমাৰ জীৱনৰ আশা-আকাঙ্খা, হৰ্ষ-বিষাদ, বিৰহ-বেদনা, দেহ-তত্ত্ব, হাতী-মাউতৰ জীৱন, মহৰখীয়া, নাৱৰীয়াৰ জীৱন আদিৰ নানা ৰূপ ৰং এই গীত সমূহত প্ৰতিফলিত হোৱা কাৰণে গীতসমূহে সমাজৰ সকলো শ্ৰেণীৰ শ্ৰোতাৰ সমাদৰ লাভ কৰিব পাৰিছে। কিছুমান সংগীতত দৰদৰ ভাব মুখ্য হৈছে। তেনে সংগীতবোৰৰ ভাব প্ৰকাশ কৰোঁতে গায়িকাই কান্দি কান্দি গোৱা যেন লাগে। এইবোৰ সংগীতৰ লগত দোতৰা, খোল, তাল, বেদনা, বাঁহী, সাৰিন্দা আদি বাদ্য-যন্ত্ৰ সংগত কৰা হয়। গোৱালপৰীয়া লোক সংগীতৰ সম্পূৰ্ণ বৈশিষ্ট্য আৰু তাৰ ৰীতিমত শুদ্ধ ৰূপটো কেৱল প্ৰতিমা পাণ্ডেৰ লোক গীতসমূহতহে আমি দেখা পাওঁ আৰু এতিয়ালৈ এনেভাৱে পৰিৱেশন কৰা তেওঁৰ লোকগীতৰ সংখ্যা এহাজাৰৰ ওপৰ।

প্ৰতিমা বৰুৱা পাণ্ডেই তেওঁৰ এই কুকিল কণ্ঠ বংশানুক্ৰমিক গুণৰ পৰাই আয়ত্ত কৰিছিল বুলি ভাবিব পাৰি। তেওঁৰ ককাক গৌৰীপুৰৰ জমিদাৰ প্ৰভাত চন্দ্ৰ বৰুৱা এজন সংস্কৃতিবান ব্যক্তি আছিল। তেওঁ তেওঁৰ ৰাজ দৰবাৰত ওস্তাদ ৰাখি সংগীতৰ সাধনা কৰিছিল। তেওঁৰ পুত্ৰ শিল্পী প্ৰমথেশ বৰুৱা। মধ্যম ৰাজকুমাৰ প্ৰকৃতিশ বৰুৱা। প্ৰকৃতিশ চন্দ্ৰ বৰুৱা এগৰাকী প্ৰখ্যাত চিকাৰী। এওঁৰে জ্যেষ্ঠ কন্যা প্ৰতিমা পাণ্ডে বৰুৱা। প্ৰতিমা বৰুৱাই বিবাহ সূত্ৰে পাণ্ডে হৈছে। গৌৰীপুৰ প্ৰমথেশ বৰুৱা মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ মূৰব্বী অধ্যাপক গংগাশঙ্কৰ পাণ্ডেৰ লগত প্ৰতিমা পাণ্ডেই বিবাহ পাশত আবদ্ধ হৈছিল। পিতাক হাতী চিকাৰলৈ গ'লে, প্ৰতিমা বৰুৱাকো লগত লৈ যায় বুলি তেওঁৰ মুখে আমি জানিব পাৰিছোঁ। তেওঁ কয়যে হাতীত উঠি জংঘলত ঘূৰি ফুৰি মাউতসকলৰ মুখে গান শিকিবলৈ পিতাকৰ পৰাই তেওঁ প্ৰথমে অনুপ্ৰেৰণা লাভ কৰিছিল। তদুপৰি তেওঁৰ দুগৰাকী পেহীয়েক ৰাজকুমাৰী নীহাৰ বালা বৰুৱা আৰু নীলিমা বৰুৱাযো তেওঁক লোকগীত গাবলৈ অনুপ্ৰেৰণা যোগাইছিল। প্ৰথমেশ বৰুৱাৰ বৰপুত্ৰ অলকেশ বৰুৱাৰ পৰাও তেওঁ গীত সাধনাত উৎসাহ পাইছিল। প্ৰতিমা পাণ্ডেই আমাক এই কথাও জানিবলৈ দিয়ে যে সৰুতে তেওঁৰ গান শিকাৰ প্ৰতি ইমান আগ্ৰহ আছিল যে, ঘৰত ঝাড়ু দিয়া কাম বন কৰা মহিলাসকলে গোৱা গীতসমূহৰ প্ৰতিও তেওঁ তেওঁলোকৰ পাছে পাছে ঘূৰি ফুৰিছিল। সংগীত সম্পৰ্কে কৰা এক প্ৰশ্নৰ উত্তৰ দি পাণ্ডেই আমাক কয়, "সংগীত হ'ল জীৱনৰ প্ৰেৰণা। সংগীত অন্তৰৰ বস্তু। ই বনৰীয়া হাতীকো শিক্ষা দিব পাৰে।" অসম সাহিত্য সভাৰ অভয়াপুৰী অধিবেশনত প্ৰতিমা পাণ্ডেক তেওঁৰ এই জীৱন সাধনাৰ স্বীকৃতি স্বৰূপে সম্বৰ্ধনা জনোৱা হৈছে। ১৯৯১ চনত ভাৰত চৰকাৰে তেওঁক 'পদ্মশ্ৰী' উপাধিৰে বিভূষিত কৰে। পাণ্ডে এৰা বাটৰ সুৰ, পলাশৰ ৰং, মাহুত বন্ধুৰে, গজমুক্তা (বঙালী), Along the River Brahmaputra আদি চলচ্চিত্ৰত কণ্ঠদান কৰিছে আৰু কেইবাটিও অডিঅ' কেছেট উলিয়াইছে। তেওঁৰ দ্বিতীয় জীয়ৰী অলকাপাণ্ডে ও গায়িকা সন্ধ্যা মেননৰ লগত 'শ্যাম কালা' নামে এখ অডিঅ' কেছেট কৰিছে। প্ৰতিমা পাণ্ডেৰ সংগীতময় জীৱনৰ ভেটিত নিৰ্মিত হৈছে এখন তথ্যচিত্ৰ 'হস্তীৰ কণ্যা'।

১৯৪৮ চনত তেওঁ গৌৰীপুৰত স্কুলীয়া শিক্ষা শেষ কৰি, উচ্চ শিক্ষা ল'বলৈ কলিকতালৈ যায় আৰু তাৰ গোখলে মোমেৰিয়েল ছোৱালী স্কুলত ভৰ্তি হয়। ১৯৫৩ চনত তেওঁ মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হয় আৰু ছাউথ কলিকতা ছোৱালী ক'লেজত ভৰ্তি হয়। তেওঁ ইণ্টাৰমিডিয়েটলৈ পঢ়ি পঢ়া জীৱনৰ সামৰণি মাৰে।

১৯৭৭ চনত তেওঁ অসম সাহিত্য সভাৰ পৰা 'শিল্পী দিৱস বটা' লাভ কৰে। ১৯৮৮ চনত 'সংগীত নাটক অকাডেমী বঁটা লাভ কৰে। ২০০১ চনত উত্তৰ বংগ বিশ্ববিদ্যালয়ে তেওঁক ডিলিট সন্মান প্ৰদান কৰে। পাণ্ডেই গোৱালপৰীয়া লোক নৃত্য আৰু লোকগীত সমূহৰ সংৰক্ষণ আৰু প্ৰণালীবদ্ধ গৱেষণা হোৱাৰ বাবে অহোপুৰুষাৰ্থ কৰিছিল।

তেওঁ একেধাৰে সাধক শিল্পী, সৃষ্টিশীল শিল্পী। প্ৰতিমা পাণ্ডেৰ সংগীতৰ কণ্ঠত সুকীয়া সুৰ আছে, লয় আছে তানত নিজা বৈশিষ্ট্য আছে। তেওঁৰ সুৰ সঞ্জীৱনী মন্ত্ৰৰূপে যেন প্ৰমাণিত হৈছে। প্ৰতিমা পাণ্ডে ৰ সুৰ য'ত ভাহি উঠে তাতে তেওঁৰ গুণমুগ্ধ হেজাৰ শ্ৰোতাৰ সমাগম ঘোটে। তেওঁৰ সংগীতৰ পৰা সমাজৰ সকলো শ্ৰেণীৰ লোকে যেন নতুন প্ৰাণশক্তি সাহস, উদ্যম, অনুপ্ৰেৰণা আৰু শান্তি-মিলনৰ সুষমা লাভ কৰিব পাৰে। এই গুণে প্ৰতিমা বৰুৱা পাণ্ডে আমাৰ লোক সমাজত সদায় অমৰ আৰু আদৰৰ হৈ থাকিব।

এই গুণমুগ্ধ লোকগীতৰ সম্ৰাজ্ঞীলৈ সহস্ৰ নিবেদন কৰিছো যাতে তেওঁৰ সংগীতৰ সুৰে অসমবাসীৰ ঐক্যতাৰ এনাজৰী অধিক কটকটীয়া কৰি তোলে।

(বিভিন্ন গ্ৰন্থৰ সহায় লৈ লিখা হৈছে।)



# একাঁজলি শ্ৰদ্ধাঞ্জলি সুগন্ধি পখিলাৰ কবিলৈ

গীতাৰ্থ কলিতা
স্নাতক তৃতীয় ষান্মাষিক

"মৃত্যুওটো এটা শিল্প
জীৱনৰ কঠিন শিলত কটা নিৰ্লোভ ভাস্কৰ্য্য"

মৃত্যুক জীৱন সৌন্দৰ্য্যৰ আখ্যা দিওঁতা, মৃত্যু আছে বাবেই জীৱন সুন্দৰ বুলি কওঁতা, মৃত্যুক শিল্পলৈ ৰূপান্তৰ কৰা এটি সন্মোহন, এটি তন্দ্ৰা, এটি ঘৰ, এটি মায়াময় সুৰ তেওঁ। কোন বাৰু তেওঁ? কি শব্দালংকাৰে বিভুষিত কৰা যাব তেওঁক? নাই, কোনো শব্দ নাই তেওঁৰ বিষয়ে লিখিবলৈ, তেওঁৰ বিষয়ে ক'বলৈ। তেওঁ আৰু আন কোনো নহয়, সময়ৰ এটি কালজয়ী সত্বা অসম সাহিত্য জগতৰ অন্যতম এটি উজ্জ্বল নক্ষত্ৰ হীৰেণ ভট্টাচাৰ্য্য বা আমাৰ সকলোৰ আদৰৰ "হীৰুদা"।

যোৱা ৪ জুলাইত পুৱা ১১-৩০ বজাত তেখেতৰ মহা প্ৰয়াণৰ বাতৰিটো পোৱাৰ লগে লগে মনৰ মাজত শব্দহীন কোলাহলৰ সৃষ্টি হৈছিল। সমগ্ৰ ৰাজ্যই হৈ পৰিছিল শোকাস্তব্ধ। সময়ে যেন লগত লৈ আহিছিল বিষাদৰ শূণ্যতাবিলাক। চৌদিশে মাথো ৰিক্ততাৰ বিষাদ বিলাপ। "এটা অজুহাত পালে মই গুচি যাম যেনি মন যায়" বুলি কোৱা এই দুৰন্ত প্ৰেমিকজনে সামান্য এটি অজুহাততেই গুচি গল, গুচি .... এনে এখন ঠাইলৈ, যিখন ঠাইলৈ এবাৰ গলে আৰু কোনো দিনেই উভটি নাহে....।

মাটি আৰু মানুহক ভালপোৱা কবি হীৰেণ ভট্টাচাৰ্য্যদেৱে আজীৱন একনিষ্ঠভাৱে কাব্য চৰ্চাত ব্ৰতী হৈ কবিতাৰ ক্ষেত্ৰত এক নতুন যুগৰ সূচনা কৰিছিল। কবিতাৰ কাননত শব্দৰ জোনাকেৰে উপচাই দিয়া তেখেতৰ কৰ্মৰাজিয়ে আধুনিক অসমীয়া কবিতাক এক বিশেষ স্তৰলৈ উপনীত কৰাইছিল। তেখেতে কবিতাৰ ভাষাৰে অগণন পাঠকৰ হৃদয় জয় কৰিবলৈ সমৰ্থ হৈছিল। কবিতা আৰু গীতেৰে মানৱতা আৰু প্ৰকৃতিৰ জয়গান গোৱা এই বিশেষ ব্যক্তিজন সদৌ আসমবাসীৰ হিয়াৰ আমঠু।

১৯৩২ চনৰ ২৮ জুলাইত পিতৃ তীৰ্থনাথ ভট্টাচাৰ্য্যৰ ঔৰসত আৰু মাতৃ স্নেহলতা ভট্টাচাৰ্য গৰ্ভত এইজনা বৰেণ্য ব্যক্তিৰ জন্ম হয়। ডিব্ৰুগড়ৰ গ্ৰাহাম বজাৰ এম, ই, স্কুলত তেখেতৰ আনুষ্ঠানিক শিক্ষা আৰম্ভ হয়। গোলাঘাট, মঙলদৈ, তেজপুৰ আদি অসমৰ বিভিন্ন স্থানত স্কুলীয়া জীৱন পাৰ কৰি তেওঁ গুৱাহাটী কটন কলেজিয়েট স্কুলৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ বি. বৰুৱা মহাবিদ্যালয়ত নামভৰ্ত্তি কৰে আৰু স্নাতক মহলালৈ এই মহাবিদ্যালয়তেই অধ্যয়ন কৰে। ২২ বছৰ বয়সতে তেওঁৰ কবিতা "আৱাহন" আৰু "প্ৰৱাহ" নামৰ আলোচনীত প্ৰথমে প্ৰকাশ পাইছিল। ৬০ ৰ দশকত তেওঁ বহুতো কালজয়ী কবিতাৰ সৃষ্টি কৰিছিল। ৭০ ৰ দশকত সৰ্বভাৰতীয় প্ৰগতিশীল লেখক সংঘৰ অসম শাখাৰ উপ সভাপতি আৰু ভাৰতীয় গণনাট্য সংঘৰ অসম শাখাৰ সক্ৰিয় কৰ্মী আছিল।

ভট্টাচাৰ্যদেৱে ১৯৫৬ চনত "চিত্ৰবন" শীৰ্ষক নামেৰে এখন আলোচনী সম্পাদনা কৰিছিল। ১৯৬২ চনত চলচ্চিত্ৰ পৰিচালক ব্ৰজেন বৰুৱাৰ স্মৃতিত "আমাৰ মাজত ব্ৰজেন বৰুৱা" নামৰ গ্ৰন্থখন প্ৰকাশ কৰিছিল। "ৰৌদ্ৰ কামনা" ( ১৯৬৪) তেওঁৰ প্ৰথম প্ৰকাশিত কবিতা সংকলন।

তেখেতৰ দ্বাৰা ৰচিত বাছকবনীয়া গ্ৰন্থ সম্ভাৰে অসমীয়া সাহিত্যৰে ভঁৰাল চহকী কৰি থৈ গৈছে। তেখেতৰ প্ৰকাশিত গ্ৰন্থ সমূহৰ ভিতৰত 'ৰৌদ্ৰ কামনা' ( ১৯৬৪), 'মোৰ দেশ' আৰু মোৰ প্ৰেমৰ কবিতা' (১৯৭২), 'বিভিন্ন দিনৰ কবিতা' (১৯৭৪), 'কবিতাৰ ৰদ' (১৯৭৬), 'সুগন্ধি পখিলা' (১৯৮১), 'জোনাকী মনঃ অনুসংগ' (১৯৮৫), 'শইচৰ পথাৰ মানুহ' (১৯৯১), 'ভালপোৱাৰ বোকা মাটি' (১৯৯৫), 'মোৰ প্ৰিয় বৰ্ণমালা', (১৯৯৫) 'ভালপোৱাৰ দিকচৌ বাটেৰে' (২০০০), 'বাছক বনীয়া কবিতা' (২০০৩), 'সুগন্ধি শিপা' (২০০৫) শিশু সাহিত্যৰ ভিতৰত 'ল'ৰা ধেমালি' (১৯৯২), 'আকৌ ধেমালি' (১৯৯৩) আৰু গীতৰ সংকলনৰ ভিতৰত 'তোমাৰ গান' (১৯৭৬) ইত্যাদিৰ নাম উল্লেখনীয়।

কবি হীৰেণ ভট্টাচাৰ্যই "বিভিন্ন দিনৰ কবিতা"ৰ বাবে ১৯৭৬ চনত ৰঘুনাথ চৌধাৰী বঁটা, "সুগন্ধি পখিলা"ৰ বাবে ১৯৮৬ চনত 'বিষ্ণুপ্ৰসাদ ৰাভা বঁটা', ১৯৮৭ চনত 'ছোভিয়েট দেশ নেহৰু বঁটা', "শইচ পথাৰ মানুহ"ৰ বাবে ১৯৯২ চনত 'সাহিত্য একাডেমী বঁটা' আৰু ১৯৯৩ চনত ভাৰতীয় ভাষা পৰিষদৰ 'বাজলিনী বঁটা' লাভ কৰিছিল। জীৱনজোৰা সাহিত্যৰ সাধানাৰ বাবে ২০০১ চনত 'অসম উপত্যকা বঁটা', ২০০৯ চনত 'গণেশ গগৈ বঁটা'ৰে তেখেত সন্মানিত হৈছিল। ১৯৮৬ চনত অসম সাহিত্য সভাৰ দ্বি-পঞ্চাতম কামৰূপ অধিৱেশনৰ কবি সন্মিলনত তেখেত সভাপতিৰ আসন শুৱনি কৰিছিল।

"তুমিতো জানাই
এই কবিৰ আৰু একো নাই
এটাই মাথো কামিজ
তাৰো চিগো ছিগো চিলাই।"

তেখেতৰ এই কবিতাবোৰ পঢ়োতে মনলৈ বহু কথাই আহিছিল। শব্দৰো ইমান মায়া কেনেকৈ থাকিব পাৰে? নিজৰ ভিতৰত কিমান মোহ থাকিলে বাৰু ইমান মোহনীয় শব্দ সাজিব পাৰি?

"প্ৰেম নিশ্চয় এনেকুৱাই
হৃদয় খুলি আৱৰণ জুৰায়।"

এয়া ভট্টাচাৰ্য্যদেৱৰ প্ৰেমৰ অনুভৱ। প্ৰেমক কিমান গভীৰভাৱে উপলব্ধি কৰিলে অনুভূতিবোৰ জীপাল হৈ পৰে বাৰু? অনেক প্ৰশ্নই জুমুৰি দি ধৰে আৰু তাতেই অচিনাকি মোহে কবিৰ প্ৰতি আৰু অধিক শ্ৰদ্ধাশীল কৰি তোলে। হয়তো চিৰপ্ৰেমিক হৃদয়ৰহে প্ৰেমৰ এনেকুৱা পবিত্ৰ উপলব্ধি হোৱা সম্ভৱ।

"দেশ বুলিলে নালাগে আদেশ"

কবিতাৰেই তেওঁ জীৱনৰ অৰ্থ বুজাই থৈ গ'ল, কৈ গ'ল অনেক কল্পনা-জল্পনাৰ কথা। তেওঁৰ বিষয়ে আমি কি লিখিব পাৰো? কি শব্দৰে তেওঁক আখ্যা দিব পাৰো? দিবই পাৰো বা কি? কবিৰ নিজৰ ভাষাত হয়তো দিব পাৰিম

"..... ভৰালৰ এমুঠি ধান, পৰাণৰ একোটি গান
আৰুতো মোৰ একো নাই।"

গভীৰ ব্যঞ্জনা দীপ্তিৰে সমৃদ্ধ তেখেতৰ প্ৰাচুৰ্যময় কবিতাসমূহৰ মাজত প্ৰেম জীৱন মৃত্যু আৰু দেশ প্ৰেমৰ চেতনাবোধ বিদ্যমান। হৃদয়ত সাঁচ বহুৱাব পৰা তেখেতৰ বহুতো ৰচনা স্মৰণীয় উক্তিলৈ ৰূপান্তৰিত হৈছে। অবিস্মৰণীয় আৰু দুৰন্ত প্ৰেমিক আছিল তেওঁ। মানৱতাক ভালপোৱা, প্ৰকৃতিক ভালপোৱা, সুগন্ধি পখিলা বিচাৰি ফুৰা এই কবিজনৰ হাতেৰে সৃষ্টি হৈছিল-মানুহক যুগে যুগে অনুপ্ৰাণিত কৰিব পৰা কালজয়ী কবিতাৰ টোপোলা। মানুহৰ হৃদয়ৰ মাটি পানী-বায়ুৰ উত্তাপ যেন তেওঁৰ কবিতাৰ মাজেৰে সঞ্চাৰিত হৈছে। তেখেতৰ লিখিনিৰ নিজস্ব আৰু ব্যতিক্ৰমী শৈলী, জীৱনবোধ, অনুভূতি আৰু বিৰল ৰসবোধেৰে তেখেতে সহস্ৰ অনুৰাগীক আপ্লুত কৰিছিল।

হীৰেণ ভট্টাচাৰ্য্য এটি মহান আৰু চিৰ সেউজীয়া সত্তা। কবিতা আৰু গীতেৰে মানৱতা আৰু প্ৰকৃতিৰ জয়গান গোৱা এই মহামানৱজন অসমবাসীৰ হিয়াৰ আমঠু। কাব্য-চৰ্চাৰ লগতে সংগীত আৰু চিত্ৰকলাৰ লগতো তেওঁ জড়িত আছিল। তেওঁ নিজে অকাঁ পানী ৰঙৰ ছবি আৰু কলাজেৰে নিজৰ কবিতা সংকলনৰ বেটুপাত সজাইছিল।

সময়ৰ আহ্বান কোনে নেওচিব পাৰে? তেওঁ গুচি গ'ল আৰু মানুহক ভালপোৱা কবি নিজানত গৈ অকলে থাকিবলৈ ললে। অনেক গুণমুগ্ধক শোকাস্তব্ধ কৰি তেওঁ গলগৈ। মৃত্যুক শিল্পলৈ ৰূপান্তৰিত কৰা এইজনা মহামানৱ অৱশেষত নিজেও মৃত্যুক আকোৱালি ললে। মৃত্যুক এক ধনাত্মক দৃষ্টিৰে গ্ৰহণ কৰা লোক হয়তো বিশ্বতেই বিৰল। মৃত্যুক জয় কৰি জীৱনক মহীয়ান কৰাৰ প্ৰয়াস কৰিছিল তেওঁ। তেওঁৰ মতে মৃত্যু এক অৱধাৰিত শিল্প। মৃত্যু আছে বাবেই জীৱন সুন্দৰ। যন্ত্ৰণা আছে বাবে জীৱনৰ এক মূল্য আছে। জীৱনৰ এই সুন্দৰতাই মৃত্যুকো শিল্পলৈ ৰূপান্তৰিত কৰে। সেয়েহে ছাগে কবি কাহানিও বিচলিত হোৱা নাছিল। এই শিল্পই জীৱন চক্ৰ সম্পূৰ্ণ কৰে। আজি যেন তেওঁ সম্পূৰ্ণ হ'ল। মৃতুৱে তেওঁক মহীয়ান কৰিলে।

(কবি হীৰেণ ভট্টাচাৰ্য্য লৈ এধানি শ্ৰদ্ধাঞ্জলি আগবঢ়োৱাৰ বাবে এটি সামান্য প্ৰয়াস)

# ভূপেন হাজৰিকা আৰু তেওঁৰ সাহিত্যিক জীৱন

জাহ্নৱী দাস
স্নাতক তৃতীয় ষাণ্মাষিক



বৰ্তমান সময়ত আমাৰ জন মানসত স্থান পোৱা আটাইতকৈ জনপ্ৰিয় মানুহজন হ'ল ভূপেন হাজৰিকা। ল'ৰাৰ পৰা বুঢ়া মেথালৈ সকলো ৰাইজৰ দ্বাৰা সমাদৃত আৰু বন্দিত মানুহজন হ'ল ভূপেন হাজৰিকা। ভূপেন হাজৰিকা আমাৰ জনমাসনত এগৰাকী অতুলনীয় বৰেণ্য, গীতিকাৰ, সুৰকাৰ আৰু গায়কৰূপে সু-প্ৰতিষ্ঠিত। গীতৰ সৈতে তেওঁ ওতঃপ্ৰোতভাৱে জড়িত আৰু সেই চিনাকিৰে তেওঁ বিশ্ব দৰবাৰত পৰিচিত আৰু প্ৰতিষ্ঠিত।

এগৰাকী সফল শিল্পীৰ লগতে কৃতী সাহিত্যিক হিচাপেও ড০ হাজৰিকাক বিচাৰি পোৱা যায়। শিল্পীৰ জনপ্ৰিয়তা অস্থায়ী, সাময়িক আদৰ্শ স্থায়ী, অজৰ-অথৰ। জনপ্ৰিয়তাই আপোচ কৰিবলৈ শিকায়। অদৰ্শই শালস্তম্ভৰ দৰে ৰাজহাড় পোন কৰি উন্নত শিৰে থিয় হ'বলৈ শিকায়। ড০ ভূপেন হাজৰিকা এনে এগৰাকী অদৰ্শময়ী মহীৰূহ শিল্পী যাৰ আদৰ্শই দিশহাৰা পথিকক, নতুন প্ৰজন্মক আদৰ্শগত, জনমুখী সংস্কৃতিৰ সন্ধান দিয়ে। শিল্পী সত্বাৰে আমি ভূপেন হাজৰিকাক বিচাৰি চাবলৈ গৈ তেওঁৰ সাহিত্যিক ৰূপটো উদঙাই নিদিলে হয়তো আমি অসমীয়া সমাজ আৰু বহু দূৰ পিছুৱাই যাব লাগিব। শিল্পী হিচাপে তেওঁ যিমানেই জনপ্ৰিয়, তাৰ গাতে লাগি সাহিত্য চৰ্চাৰ পৰিধিও তেওঁৰ কম নাছিল। তেওঁৰ সম্ৰাধিক জনপ্ৰিয়তাৰ উচ্চ শিখৰত আৰোহণ কৰা গীতসমূহ বাদ দিও 'আমাৰ প্ৰতিনিধি, 'প্ৰতিধ্বনি', 'গতি', ' বিন্দু' আদি আলোচনীৰ সম্পাদক ৰূপে লিখা সম্পাদকীয় সমূহ, বিভিন্ন সময়ত বিভিন্ন কাকত, আলোচনীত লিখা অসংখ্য প্ৰৱন্ধ, ভ্ৰমণ কাহিনী, চিন্তামূলক নিবন্ধৰ স্বকীয় প্ৰকাশ ভংগী আৰু ভাষাশৈলীৰ নিপুনতা তেওঁৰ সাহিত্যিক প্ৰাচুৰ্য্যৰ সুন্দৰ নিদৰ্শন। গীতি সংস্কৃতিৰ সৈতে গীতক তেওঁৰ অন্তৰত বেছিকৈ ঠাই নিদিয়া হ'লে ভূপেন হাজৰিকা হয়তো নিঃসন্দেহে এগৰাকী সফল সাহিত্যিক হিচাপে প্ৰতিষ্ঠিত হ'ব পাৰিলেহেঁতেন।

তুলাচনীৰ জোখত গীতি সংস্কৃতিক তেওঁ বেছিকৈ প্ৰাধান্য দিয়া বাবেই নতুবা সাহিত্য চৰ্চাৰ বাবে সময়ৰ অভাৱ হোৱা বাবেই আমাৰ মাজত তেওঁ এগৰাকী প্ৰৱন্ধ আৰু সম্পাদকীয়'ৰ সাহিত্যিক হৈ ৰৈ গ'ল। তেওঁৰ সেই লিখনিয়ে সাহিত্যৰ ভঁৰালত সোণগুটি সিচি এক অমূল্য সম্পদ হৈ ৰ'ল। 'ব'হাগ মাথো এটি ঋতু নহয়' নামৰ পুথিখনত ভূপেন হাজবিকাৰ ভালেমান নিবন্ধ আৰু গীত সন্নিবিষ্ট কৰা হৈছে যিবোৰে অসমীয়া জাতীয় জীৱনৰ ওপৰত বাৰুকৈয়ে প্ৰভাৱ পেলায়, এক নতুন ঢৌৰ সৃষ্টি কৰি যায়। ব'হাগৰ

পৰিৱেশৰ প্ৰভাৱেৰে অসমীয়া জাতিক যেন হাড়ে হাড়ে চুই গৈছে লেখকৰ লিখনিয়ে। গীতিকাৰ শিল্পী ভূপেন হাজৰিকাৰ সাহিত্যলৈ আন এটি অৱদান হ'ল তেওঁৰ বৃহৎ সংকলন 'গীতাৱলী'। এই পুথিখন হাজৰিকাদেৱে ১৯৩৭ চনৰ পৰা ১৯৯২ চনৰ ভিতৰত লিখা গীত সমগ্ৰ সামৰি লোৱা হৈছে। আন এখন পুথি 'বহ্নিমান ব্ৰহ্মপুত্ৰ'ত তেওঁৰ নতুন গীতসমূহ সুকীয়াকৈ সামৰি প্ৰকাশ কৰা হৈছে। এই পুথিখন তেওঁৰ আশীৰ দশকৰ উজ্জ্বল সাহিত্যৰ নিদৰ্শন।

তেওঁৰ আন এখনি আত্মজীৱনী মূলক গ্ৰন্থই অসমীয়া সাহিত্যলৈ বিশিষ্ট অৱদান আগবঢ়াইছে। তেওঁৰ অনুলিখিত আত্মজীৱনী মূলক গ্ৰন্থখন হৈছে 'মই এটি যাযাবৰ।' এই একে নামেৰে আত্মজীৱনীমূলক গ্ৰন্থ বঙালী ভাষাতো ইয়াৰ আগেয়ে প্ৰকাশ পাইছে। 'সম্পাদকীয়' নামৰ সংকলন এটিত ভূপেন হাজৰিকাৰ 'গতি', 'আমাৰ প্ৰতিনিধি', 'বিন্দু' আৰু প্ৰতিবিম্ব'ৰ সম্পামদকীয়সমূহ সন্নিৱিষ্ট কৰা হৈছে। অসমীয়া আলোচনীৰ সম্পাদক হোৱাৰ পূৰ্বেই তেওঁ যেতিয়া আমেৰিকাৰ কলম্বিয়া বিশ্ববিদ্যালয়ত আধ্যয়ন কৰি আছিল, সেই সময়তে তেওঁ 'নিউ ইণ্ডিয়া' নামৰ এখন ইংৰাজী আলোচনী সম্পাদনা কৰি উলিয়াছিল। তেওঁৰ এখন ভ্ৰমণ কাহিনীৰ পুথি হৈছে 'দিহিঙে দিপাঙে'। জীৱনৰ বিভিন্ন সময়ত বিভিন্ন ক্ষণত পৃথিৱীৰ বিভিন্ন পান্তে প্ৰান্তে ঘুৰি ফুৰি তেওঁ যি অভিজ্ঞতা লাভ কৰিছিল তাৰেই স্বলিখিত ৰূপ দিছিল 'দিহিহে দিপাঙে'ত।

ভূপেন হাজৰিকাৰ কৃষ্টিমূলক প্ৰবন্ধৰ কেবাখনো পুথি প্ৰকাশিত হৈছে। তাৰে তিনিখনৰ নাম হ'ল 'সুন্দৰৰ সৰু বৰ আলিয়েদি, 'সময়ৰ পখী ঘোঁৰাত উঠি' আৰু 'কৃষ্টিৰ পথাৰে পথাৰে।' এই পুথি কেইখনৰ মাজেৰে তেওঁৰ সাহিত্যিক প্ৰতিভা সুন্দৰভাৱে প্ৰকাশ পাইছে। ভূপেন হাজৰিকাৰ সম্পাদিত আন এখন পুথি হ'ল 'নন্দন তত্ত্বৰ কৰ্মীসকল।' এই পুথিখন ভূপেন হাজৰিকাই তেওঁৰ জীৱনৰ বিভিন্ন সময়ত সান্নিধ্যলৈ অহা নন্দন তত্ত্বৰ মহান সাধক সকলৰ ব্যক্তিত্ব আৰু সংগ্ৰামী জীৱন দৰ্শণৰ ওপৰত আলোকপাত কৰি লিখিছে। আনহাতে তেওঁৰ জীৱন দিঙাৰ গুৰিবঠা ধৰোঁতা দুগৰাকী গুৰিয়াল গুৰুক তেওঁ কেতিয়াও পাহৰিব নোৱাৰে। সেই দুগৰাকী গুৰিয়াল গুৰুৰ প্ৰতি সশ্ৰদ্ধাত নত হৈ, লিখি লিয়াইছে 'বিষ্ণু ককাইদেউ' আৰু 'জ্যোতি ককাইদেউ'।

১৯৬৭ চনত সেই সময়ৰ পটভূমিত লিখা কেইবাটাও প্ৰবন্ধৰে প্ৰকাশ কৰিছিল 'সুন্দৰৰ ন দিগন্ত'। ১৯৬৪ চনত ভূপেন হাজৰিকাই এটি সংকলন প্ৰকাশ কৰিছিল গীতৰ মাজেৰে। সংকলনটিৰ নাম আছিল 'আগলী বাঁহৰে লাহৰী গগণা'। গীতৰ মাজৰে প্ৰকাশ হোৱা এই সংকলনটিয়ে সেই সময়ত যথেষ্ট জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হৈছিল। ইয়াৰ উপৰিও শিশু সকলৰ বাবেও তেওঁ এখনি পুথি লিখিছিল। পুথিখনৰ নাম আছিল ' ভূপেন মামাৰ গীতে-মাতে অ-আ-ক-খ'। ইয়াৰ আগতে তেওঁৰ আৰু দুখন গীতৰ সংকলন প্ৰকাশ পাইছিল। সেই দুখন আছিল 'জিলিকাব লুইতৰে পাৰ' আৰু 'সংগ্ৰাম লগ্নে আজি'। ১৯৫৫ চনত প্ৰকাশ পায় 'জিলিকাব লুইতৰে পাৰ' নামৰ গীতৰ পুথিখন আৰু ১৯৬৩ চনত প্ৰকাশ পায় 'সংগ্ৰাম লগ্নে আজি' নামৰ গীতৰ পুথিখন। চিত্ৰনাট্যৰ ওপৰত তেওঁৰ ৰচিত এখনি পুথি প্ৰকাশ পায় ১৯৭১ চনত। পুখিখনৰ নাম আছিল 'চিকমিক বিজুলী। এই পুথিখন তেওঁৰ প্ৰথম ৰচিত অসমীয়া পুথি।

ভূপেন হাজৰিকাক সাহিত্যিক হিচাপে পৰ্য্যালোচনা কৰিবলৈ গৈ প্ৰথমে তেওঁক আমি প্ৰবন্ধৰ সাহিত্যিক বুলিয়েই ক'ব লাগিব। কিন্তু তেওঁ এগৰাকী প্ৰৱন্ধৰ সাহিত্যিকেই নহয়, তেওঁ এগৰাকী বিশিষ্ট কবিও। তেওঁৰ প্ৰতিটো গীতহে একো একোটা কবিতা। গীতৰ সুৰ আৰু কথাৰ মূল্যায়নৰ পৰা বিশদভাৱে বিচাৰ কৰি চালে তেওঁৰ গীতসমূহ অসমীয়া সাহিত্যৰ এক অমূল্য সম্পদ।

অজস্ৰ টকা-পইচা থাকিলেও, যি ব্যক্তিৰ চৰিত্ৰ নাই তেওঁৰ আচলতে একোৱেই নাই।

*নবীন চন্দ্ৰ বৰদলৈ*

# ৰাভাসকলৰ ব'হাগ বিহু বিছুৱা

নির্মালী নাথ
স্নাতক তৃতীয় বর্ষ

ৰাভা সকল অসমৰ অন্যতম জনগোষ্ঠী। অন্যান্য জনগোষ্ঠী সকলৰ দৰে ৰাভা সকলেও স্বকীয় বৈশিষ্ট্যৰে বিভিন্ন উৎসৱ-পাৰ্বন পালন কৰে। অন্যান্য উৎসৱৰ লগতে ৰাভা সকলে পালন কৰা ব'হাগ বিহু স্বকীয় বৈশিষ্ট্যৰে ভৰপূৰ। এই নিবন্ধত ৰাভা সকলে পালন কৰা বিছুৱা (ব'হাগ বিহু) উৎসৱৰ বিষয়ে এটি সম্যক আলোচনা আগবঢ়োৱা হ'ল-

আন দুটা বিহুৰ দৰে ব'হাগ বিহুটিকো ৰাভাসকলে কিছু ভিন্নভাৱে উদ্‌যাপন কৰে। বিশেষকৈ নামনি অসমত পাতি ৰাভাৰ লগত ৰংদানি আৰু মায়তৰি ৰাভাসকলেও ঋতুকালীন কৃষি উৎসৱ হিচাপে গো পুজাৰ সমাহাৰত চ'ত আৰু ব'হাগৰ সংক্ৰান্তিত 'বিছুৰা' উৎসৱ তিনিদিনীয়াকৈ উদ্‌যাপন কৰে। প্ৰথম দিনটো ৰাভাসকলে 'জাব্ৰেৰু সুকায়' নামেৰে পাহাৰৰ পৰা কেইবিধমান ঔষধি গছৰ ডাল-পাত, আলু সংগ্ৰহ কৰি আনি সন্ধিয়া একেলগে জোট জোটকৈ বান্ধি থকা ঘৰ, ভঁৰাল ঘৰ, গোহালি, গাহৰি-কুকুৰাৰ গৰা, কাপোৰ শুকুৱাবলৈ দিয়া বাঁহৰ ডাঁৰিকি নতুবা কুঁৱাৰ পৰা পানী তোলা বাল্টি ওলোমোৱা ঢেঁকীতো খোচ মাৰি বান্ধি থৈ দিয়ে। তেওঁলোকৰ বিশ্বাস যে এইদৰে বছৰটোৰ বাবে বান্ধি ৰখা ঔষধি 'জাব্ৰে'ৰ ফলত বাৰীত ধুমুহা-বতাহ বা শিলা বৃষ্টিয়ে একো অনিষ্ট কৰিব নোৱাৰে। আনকি নানাধৰণৰ অপায় অমঙ্গল মাৰি-মৰকো ঘৰখনতো নহয়, গাওঁখনতো প্ৰৱেশ কৰিব নোৱাৰে। মন কৰিবলগীয়া যে ৰাভাসকলে চ'তমহীয়া 'চৈতালীবাওঁ'ৰ প্ৰকোপৰ পৰা হাত সাৰিবলৈ গোটেই চ'ত মাহ জুৰি সুতা বা যঁতৰৰ শলা জৰীৰে সৰু সৰু ল'ৰা ছোৱালীৰ হাতত ৰক্ষা বন্ধনৰ দৰে বান্ধি থৈ দিয়ে। 'চৈতালী বাওঁ ' হ'ল চ'ত মাহৰ শুকান পছোৱাৰ বাবে গা বেজ বেজাই এলাহ এলাহ লগা এবিধ ব্যাধি; এনে সময়ত খাবলৈ মন নাযায় আৰু গাটো দুৰ্বল লাগে। এনে আলস্য ভাৱ দূৰ কৰিবলৈ ৰাভাসকলে বটিয়া হালধি আৰু বিভিন্ন ঔষধি গছৰ ৰস সানি 'কোঁচ' অৰ্থাৎ গাঁথি বান্ধি তৈয়াৰ কৰা মাদলি পিন্ধে; বিশেষকৈ ল'ৰা ছোৱালীক পিন্ধায়। ঠাই বিশেষে আৰু ফৈদ সাপেক্ষে ৰাভাসকলৰ সংগ্ৰহ কৰিব লগীয়া 'জাব্ৰে'ৰ উপাদানো বেলেগ বেলেগ। গোৱালপাৰাৰ বৰদামল অঞ্চলৰ ৰংদানি ৰাভাসকলে বেতৰ পাত; তাঙে পাকথাপ, বাছবাক্ৰো (দীঘলতিৰ পাত), বায়দা অঞ্চলৰ মায়তৰি ৰংদানি আৰু পাতি ৰাভা সকলে বাছবাক্ৰো, চুংচুমুখ্ৰি (মাখিয়তি), বাকতি'কান (গুৰুজা পাখিৰ গো পাখি), আমলখিৰ পাত আদিৰে জাব্ৰে' বান্ধে। দৰঙ অঞ্চলৰ টোটলা ৰাভা সমাজত এই বিধৰ উপৰিও তৰাগছ আৰু গুণৰাজ নামৰ উদ্ভিদৰ অতি আৱশ্যক। অৱশ্যে ৰাভা সকলৰ মাজত 'দেব দেব মহাদেৱ, নীল গ্ৰীৱ, জটাধৰ ........ বাত বৃষ্টি হৰ দেৱ মহাদেৱ সমস্ততে' বুলি নাহৰ পাতত লিখি ঘৰৰ চালত গুজি দিয়াৰ পৰম্পৰা নাই।

পিছদিনা অৰ্থাৎ চ'তৰ শেষৰ দিনা নিচেই পুৱাতে সৰু সৰু ল'ৰা-ছোৱালী যে গৃহস্থৰ সৈতে ওচৰতে থকা নদী বা বিলত গোহালিৰ পৰা আগদিনাখনে জোঁট বান্ধি খোৱা 'জাব্ৰে'ৰে গৰু খেদি আৰু সিদিনা খন ঘৰতে ছিমুক কাৰা জোত্তা (এবিধ বনৰীয়া থুৰিপাত), লাউ, কাঁচকল , কোমোৰা আৰু বাৰমহীয়া বেঙেনা এচকলকৈ উলিয়াই গৰুলৈ দলিয়াই সমদল কৰি আগবাঢ়ে। কোনো কোনো ঠাইত কলথোৰেৰে বান্ধি লোৱা নিমখৰ টোপোলা গা ধোৱাৰ পিছত গৰুক খুৱাই সিদিনাখনে বছৰটোৰ বাবে ন পঘাৰে গৰু এৰাল দিয়াৰ শুভাৰাম্ভা কৰে। উল্লেখযোগ্য যে দৰঙীয়া টোটলা ৰাভাৰ বাহিৰে অন্যান্য ৰাভাসকলৰ মাজত 'লাওঁ খা বেঙেনা খা বছৰে বছৰে বাঢ়ি যা' জাতীয়

গীত পৰিবেশন কৰা দেখা যায়। কোনো কোনো অঞ্চলৰ লোকে সিদিনাখনে আবেলি বেলিকা গুলীয়ান ঠাকুৰ (গোহালি দেও) নামৰ পূজা এভাগি দিয়ে। অৱেশ্য সিদিনাখন গৰু খেদা 'জাব্রে' আৰু বৈ যোৱা অৱশিষ্ট লাও-বেঙেনাৰ মালা ঘৰলৈ ওভতাই আনি গোহালিত গুজি ওলোমাই দিয়ে। ৰাভাসকলে বিশ্বাস কৰে যে এইদৰে গৰু বিহুত 'জাব্রে'ৰে গৰু কোবালে আৰু লাও-বেঙেনা দলিয়ালে বছৰটোৰ বাবে গৰুৰ বেমাৰ আজাৰ নহয়। কোনো কোনো অঞ্চলত চ'তৰ সংক্রান্তিত লাউ বেঙেনাৰ অৱশিষ্ট খিনিৰে আগদিনা সংগ্রহ কৰি থোৱা 'জাব্রে'ৰে সৈতে ঘৰৰ চালত গুজি দিয়া হয়।

প্রথম ব'হাগৰ দিনটোক ৰাভাসকলে মূল বিছুৱা হিচাপে উদ্‌যাপন কৰে। সিদিনা খন নিচেই পুৱাতে ঘৰৰ জীয়ৰী বোৱাৰীয়ে চোতাল সাৰি-পুচি, গোহালিৰ গোবৰ পেলাই আজৰি হ'বৰ সময়ত পুৰণি খদাত এখদা গোৱৰ লৈ, তাতে বুঢ়ি-বাঢ়নী এটাৰে আৰু দহি কটা সূতা একোচা দি পদূলি মূখত পেলাই থৈ আহে। এইদৰে প্রতীকি হিচাপে গৃহস্থনীয়ে দুই এপদ পুৰণি বস্তু দলিয়াই দি পুৰণি বছৰক বিদায় জনোৱাৰ পৰম্পৰা ৰাভা সমাজত প্রৱর্তিত হৈ আছে। তাৰ পিছত গা পা ধুই উঠি নৱবস্ত্র পৰিধান কৰি ভঁৰালত নতুবা বৰঘৰৰ লাই খুটিত আসন পাতি পূর্বপুৰুষৰ নামত মদ-ভাত অর্পন কৰে। জীৱিত আৰু বয়োজ্যেষ্ঠ ব্যক্তিক সেৱা কৰাৰ পৰম্পৰা ৰাভা সমাজত ব'হাগ বিহুৰ সময়ত নাই, ইয়াৰ পৰিবর্তে মাঘ বিহুৰ দিনাখনে জ্যেষ্ঠজনক সেৱা কৰাৰ পৰম্পৰা আছে। সেইদৰে সাত দিনলৈকে উদ্‌যাপিত বিহুত খাৱলগীয়া শাক-শাকতি খোৱাৰ পৰম্পৰা ৰাভাসকলৰ মাজত নাই যদিও কোনো ঠাইত নাঙল ভোঙা নামৰ এবিধ উগ্র তিতা খোৱাৰ পৰম্পৰা আছে। ইয়াৰ অবর্তমানত আমৰালি টোপ প্রথম বিহুত দিনা খোৱাৰ ৰীতি আছে। পাতি ৰাভা সমাজত খাপোৱাঙী, নতুবা বগেজাৰী গীত গাই উছৰমুখৰ কৰি ৰাখে। বকো অঞ্চলৰ অধুনালুপ্ত হানা বাভাৰ বংশধৰ সকলে সাত বিহুৰ দিনাখন ঘৰে ঘৰে হানা ঘোঁৰা বা জাৰী ঘোঁৰা নচুৱাই কুকুৰা কণী, চাউল পইচা আদি তুলি আৰ্শীবাদ সূচক মঙ্গল ধ্বনিৰে গৃহস্থৰ কুশল মঙ্গল চিন্তি, ভোজভাত খায়, যিটো পর্বৰ সৈতে হুচৰিৰ এটা দুৰণিবটীয়া সম্পর্ক দেখুৱাবপাৰি। বহুৰাঙি বা বগেজাৰী হ'ল ভিন্ন ৰঙী ৰং ৰহইচৰ গীত। ই বিহুগীতৰ দৰে কেৱল ডেকা গাভৰুৰ মাজত সীমিত প্রেম পৰিণয় মূলক গীত মাথো নহয়। দৰাঙীয়া টোটলা ৰাভা সমাজত ব'হাগ বিহুত মদৰ মেল আৰু ভোজভাতৰ পয়োভৰ বেছি। এনে সময়ত আলহী-অতিথিৰ উপস্থিতি মৃতকৰ নামত ভোজ-ভাত আগবঢ়াই নিজেই আগধৰি প্রস্তুত কৰি ৰখা নানা বিধ মদ খাই আৰু খুৱাই উছৰৰ মাদকতাত মত্ত হৈ নাচ-বাগ কৰে। সেইদৰে অন্যানা দিনত গৰুখীয়া পূজা, গোপনীপূজা, দৌল আদি উৎসৱৰ আয়োজন কৰে- প্রায় বিহুৰ অংগাংগীভাৱেই। এই সময়তে নামনি অসমত সাত দিন ব্যাপি সাত বিষমাৰ মেলা, বুঢ়া-বুঢ়ী মেলা নতুবা চড়ক মেলা বহে। ৰাভাসকলে ৰংবিৰঙৰ ন ন সাজ পৰিধান কৰি এইবোৰ মেলাত ভাগ লয়।

মন কৰিবলগীয়া যে, ৰাভাৰ মাজত প্রচলিত বিছুৱা উছৰক সৈতে ডেকা গাভৰুৰ প্রেম পিৰীতি আৰু বিয়া বাছনিৰ সূচল থকা ছাথাৰ গীত বা নাচৰ পোনপটীয়া সম্পর্ক নাই। 'ছাথাৰ'ৰ সৈতে জেঠ মাহৰ পূর্ণিমা তিথিত উদ্‌যাপিত বায়খো পূজাৰেহে সম্পর্ক আছে। সেয়েহে অসমীয়াৰ বসন্ত কালীন বিহু উৎসৱৰ সৈতে ৰাভাৰ বায়খো ছাথাৰ সাদৃশ্য জনিত কাৰণত বহুতে এক আৰু অভিন্ন বুলি ক'ব বিচাৰে। প্রকৃততে সেয়া নহয়। বৰঞ্চ পাতি ৰাভা সকলৰ মাজতে সীমাবদ্ধ বহুৰঙী নৃত্য-গীতৰ লগতহে বিহু নৃত্য-গীতৰ সাদৃশ্য ভালেখিনি বেছি। সেইদৰে গৰখীয়া, কাঠকটীয়া; মাছুৰৈ, শিপিনীৰ মাজত জনপ্রিয় ৰাভাৰ লাখৰ চায় বা বাং দিয়া গীত চায়ৰায় ব্যায়'ৰে সৈতে উজনি অসমৰ জনপ্রিয় বন ঘোষা বৰদৈ গীতৰ ভাৱ-ভাষা আৰু উদ্দেশ্যৰ ফালৰ পৰা বাহুখিনি এক আৰু অভিন্ন।

তলত বিহুগীত - বন ঘোৱাৰ সৈতে সাদৃশ্য থকা বহুৰঙী গীত উল্লেখ কৰা হ'ল-

কি দিলুং নিদিলুং গাভৰু
কি বুলিলং তোকে।
ৰাতিও - ঘুমটি নাহে
সপোন দেখং তোকে।।

সংগৃহীত পুথি- অসমৰ জনজাতীয় সংস্কৃতি- ড০ উপেন ৰাভা হাকাচাম

দকৈ নাদ খান্দি ল'লৈ পানীৰ অভাৱ নহয়, সেইদৰে দকৈ মন চহাই ল'লৈ ভাৱ আৰু ভাষা আপোনা-আপুনি আহি পৰে।

*তৰুণৰাম ফুকন।*

# উচ্চ শিক্ষা স্তৰত অৰ্থশাস্ত্ৰ অধ্যয়ণৰ প্ৰসংগ

ড° আব্দুল হক আহমেদ

উচ্চ শিক্ষা স্তৰত অৰ্থবিজ্ঞানৰ প্ৰতি গ্ৰামাঞ্চলৰ ছাত্ৰ-ছাত্ৰীয়ে সচৰাচৰ অনিহা প্ৰকাশ কৰা দেখা যায়। এই বিষয়টো বৰ নিৰস আৰু বুজিবলৈ বৰ কঠিন বুলি সাধাৰণ এক ধাৰনাই শিক্ষাৰ্থীৰ মনত শিপাই আছে বাবে এনে অৱস্থা হৈছে। প্ৰকৃততে বিষয়টো সন্দৰ্ভত ভালদৰে গমি পিটি নোচোৱাকৈয়ে এনে ভ্ৰান্ত এক ধাৰণা শিক্ষাৰ্থীয়ে মনত পুহি ৰাখিছে। ছাত্ৰ-ছাত্ৰীৰ মাজত ইতিমধ্যে স্থিতি লোৱা অংকশাস্ত্ৰ ভীতি আৰু অৰ্থশাস্ত্ৰত ইয়াৰ প্ৰয়োগ অৱধাৰিত হৈ পৰা অৱস্থাই ভুতৰ ওপৰত দানহ পৰাদি শিক্ষাৰ্থীৰ মনত এক শঙ্কা বাৰুকৈয়ে সংস্থাপিত হৈছে।

এনে প্ৰেক্ষাপটত সৰহ সংখ্যক শিক্ষাৰ্থীয়ে অৰ্থশাস্ত্ৰৰ দৰে এক গুৰুত্বপূৰ্ণ আৰু বাস্তৱ সমাজবিজ্ঞান অধ্যয়ণৰ পৰা আঁতৰি থাকিবলৈ খুজিলে সামগ্ৰিক ভাবে সমাজে পাবলৈ বিচৰা অনেক অৱদানৰ পৰা বঞ্চিত ৰখাৰ দৰেহে হ'ব। অৰ্থশাস্ত্ৰ অথবা ইয়াৰ লগত সম্পৰ্কিত অংকশাস্ত্ৰৰ অধ্যয়ণত প্ৰকৃততে কোনো ভীতি-শংকাৰ অৱকাশ থাকিব নোৱাৰে যদিও শিক্ষাৰ্থীৰ মনত আজিকে পতি বিশেষকৈ অৰ্থশাস্ত্ৰৰ অধ্যয়ণত এনে শংকা হেঙাৰ ৰূপে থিয় দিছে। এই প্ৰসঙ্গত অৰ্থশাস্ত্ৰৰ অধ্যয়ণত প্ৰবেশ কৰাৰ প্ৰয়োজনীয়তা আৰু ইয়াৰ বাস্তৱতাৰ সৈতে ইয়াৰ সৰলীকৃত উপলব্ধিৰ বাবে বিভিন্ন দিশ জুকিয়াই চোৱাৰ বাবে এই নিবন্ধটি যুগুত কৰা হ'ল।

মানৱ সভ্যতাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বুলি বিবেচিত কেইটামান বিষয়ৰ বিদ্যায়তনিক অৰিহনা যোগোৱা ব্যক্তিত্বলৈ বিশ্বৰ সৰ্বোচ্চ সন্মান "নবেল বঁটা" ৰে বিভূষিত কৰা হয়। মানৱ সমাজৰ বাবে হিত সাধনকাৰী এনে বিষয় সমূহৰ গুৰুত্ব হেতু যি ছয়টা বিষয়ত এই বটা প্ৰদান কৰা হয় তাৰ ভিতৰত অৰ্থ শাস্ত্ৰও অন্যতম। ভাৰতবৰ্ষৰ সৰ্বোচ্চ অসামৰিক সেৱাৰ চাকৰিৰ প্ৰায় সমপৰ্যাযৰ "ভাৰতীয় অৰ্থনৈতিক সেৱা"ৰ চাকৰিৰ বাবে অৰ্থ বিজ্ঞানৰ শিক্ষাৰ্থীৰ বাবে যথেষ্ট সুযোগ আছে। তদুপৰি চৰকাৰী আৰু বেচৰকাৰী খণ্ডৰ বেংক,বীমা বিভিন্ন বিত্তীয় প্ৰতিষ্ঠান আৰু ব্যৱসায়ী প্ৰতিষ্ঠানত অৰ্থশাস্ত্ৰৰ শিক্ষাৰ্থীৰ যথেষ্ট কৰ্ম্ম সুযোগ আছে। সেইবাবে বিভিন্ন বৃত্তিমূলক, কাৰিকৰি, মেনেজমেন্ট আদি সকলো বিভাগৰ শিক্ষাৰ্থীৰ বাবে নিম্নতম হ'লেও অৰ্থশাস্ত্ৰৰ প্ৰাথমিক ধাৰণা সমূহ বাধ্যতামূলক পাঠ্যক্ৰম বিচাপে অন্তৰ্ভুক্ত হৈ আছে।

জীৱশ্ৰেষ্ঠ প্ৰাণী হিচাপে মানুহ সৰ্বোতকৃষ্ট দুটা গুণৰ অধিকাৰী ১। মানুহ বিবেচক আৰু ২। বিবেচক প্ৰাণী হিচাপে মানুহৰ নান্দনিক গুণ থাকে। এই দুটা মানবীয় গুণ আন প্ৰাণীৰ নাই। জন্ম লগ্নৰে পৰা শৈশৱলৈকে ক্ৰমে তামসিক বৈশিষ্ট্যপূৰ্ণ গুণ সমূহৰহে বিকাশ দ্ৰুততৰ হ'বলৈ ধৰে। কৈশোৰোত্তৰ কালৰ পৰা মানৱ সমাজ সভ্যতাৰ প্ৰভাৱত মানবীয় গুণবোৰৰ বিকাশ অধিক হ'ব ধৰে। সুস্থ পাৰিবাৰিক, ওচৰ চুবুৰীয়া আৰু সামাজিক পৰিবেশ বিবেচনাপূৰ্ণ গুণবোৰৰ বিকাশ অধিক কৰি তোলে আৰু তাৰ প্ৰভাৱত তামসিক গুণবোৰ বশীভূত হ'ব ধৰে যদিও সহজাত প্ৰবৃত্তিৰূপত এইবোৰ আন্তৰ্নিহিত হৈ থাকে। এনে পৰিক্ৰমাত শিক্ষাৰ্থীৰূপে অৱতীৰ্ন কৈশোৰ অৱস্থাতেই জীৱন সম্পৰ্কীয় কিছুমান মৌলিক প্ৰশ্নৰ অৱতাৰনা আৱশ্যকীয়। কৈশোৰ অৱস্থাত তামসিক প্ৰবৃত্তিৰ সহযোগত অপৰাধ প্ৰৱনতা অতিপাত বৃদ্ধি হোৱাৰ সম্ভাৱনা দেখা যায়। এনে প্ৰবৃত্তি প্ৰতিৰোধ কৰাৰ বাবে শিক্ষাৰ্থীৰ শিক্ষক-শিক্ষয়িত্ৰী, অবিভাৱক অথবা সংশ্লিষ্ট

উপদেষ্টাই মানৱ জীৱন সম্পৰ্কীয় প্ৰশ্নবোৰ তেওঁলোকক হৃদয়ঙ্গম কৰিবলৈ অবিৰত প্ৰচেষ্টা কৰিব লাগে। শিক্ষাৰ্থীৰ সন্মুখত অৱতাৰনা হ'বলগীয়া প্ৰথম প্ৰশ্ন মানুহ হিচাপে জন্ম লোৱাৰ কাৰণ আৰু উদ্দ্যেশ্য সম্পৰ্কীয় ব্যাখ্যাৰ সৈতে জড়িত। দ্বিতীয় প্ৰশ্ন আহিব পাৰে মানুহ হিচাপে জন্ম লোৱাৰ পিছত কেনেবোৰ সমস্যাত পৰিবলগীয়া হয় অৰ্থাৎ জীৱন ধাৰণ প্ৰক্ৰিয়াৰ প্ৰধান উদ্যেশ্য সম্পৰ্কীয় অনুসন্ধিৎসা। ভিন্ন দৃষ্টিভঙ্গীৰে এনে অনুসন্ধিৎসাৰ অনেক উত্তৰৰ ভিতৰত বিজ্ঞানসন্মত সঠিক উত্তৰ হ'ব পাৰে "জীয়াই থকা" ই মানৱ জীৱনৰ একমাত্ৰ উদ্দেশ্য। এনে উত্তৰৰ বিকাশ পৃথিবীত ভূমিষ্ঠ হোৱা কোনো প্ৰানীৰ ক্ষেত্ৰতেই প্ৰযোজ্য নহয়। মানুহৰ ক্ষেত্ৰতো ই সম্পূৰ্ণকৈ সুকীয়া কিয়নো মানুহ জীৱশ্ৰেষ্ঠ। মানুহ জীৱশ্ৰেষ্ঠ হোৱাৰ বলতে ই বিবেচক হোৱাৰ উপৰিও নান্দনিক গুণৰ অধিকাৰী। নান্দনিক গুণৰ সহজ অৰ্থ হ'ল- সকলো ভাল, সুন্দৰ, ধুনীয়া আদিৰ প্ৰতি সহজাত আকৰ্ষণ আৰু প্ৰদৰ্শন কৰিব খোজা মানসিক ইচ্ছা। নান্দনিক গুণৰ বশবতী হৈ যিকোনো মানুহে প্ৰথমতে নিজকে ধুনীয়া অথবা সুন্দৰ কৰি ৰখাৰ যাবতীয় কৰণীয়বোৰ কৰে।, নিজে সৃষ্টি কৰিব খোজা বিষয়কো সুন্দৰ হোৱা বিচাৰে আৰু পাৰিপাৰ্শ্বিক অৱস্থাকো সুন্দৰ কৰিব খোজে। কব পৰাকৈ বা কব নোৱাৰাকৈয়ে সকলো মানুহৰূপী প্ৰাণীয়ে ভিন্ন স্তৰৰ সুন্দৰ সাধনাত ব্ৰতী হৈ থাকে আৰু তেওঁলোকৰ দ্বাৰা সৃষ্ট সকলোবোৰ সুন্দৰ হয়। সেয়েহে হয়তো সমাজত এষাৰ আপ্ত বাক্য প্ৰচলিত হৈ আছে যে সৃষ্টিৰ সকলো বস্তুৱে সুন্দৰ।

বিবেচক আৰু নান্দনিক বৈশিষ্ট্যপূৰ্ণ মানুহৰ সহজাত প্ৰবৃত্তিৰ আঁতধৰি শিক্ষাৰ্থীৰ জীৱনৰ উত্তৰ এক বিজ্ঞানসন্মতভাৱে দাঙি ধৰিলে আপোনা আপুনি কিছুমান আনুসঙ্গিক প্ৰশ্ন আৰু ইয়াৰ উত্তৰ ওলায়। মানুহৰ জীয়াই থকাৰ উদ্দেশ্যেৰ সৈতে সঙ্গতিপূৰ্ণ প্ৰশ্ন শিক্ষাৰ্থীৰ মনত জাগৃত হ'ব পাৰে যে জীয়াই থাকিবলৈ মানুহে কি কৰে? ইয়াৰ সহজ উত্তৰ ওলায় ভোগ কাৰ্যত ব্ৰতী হ'ব লাগে। ক্ৰমাগতভাৱে প্ৰশ্ন উত্থাপন কৰি গৈ থাকিলে উৎপাদন, উপাৰ্জন, বিনিময়, বিতৰণ, টকা, পইচা হিচাপ-নিকাচ, ব্যৱসায়-বাণিজ্য আদি কথাবোৰ আহে। এই কথাবোৰৰ পৰা পৃথিৱীৰ কোনো মানুহ জীৱন পৰিক্ৰমাত আঁতৰি থাকিব নোৱাৰে। এই বা প্ল কথাখিনিয়ে হ'ল অৰ্থশাস্ত্ৰৰ ঘাই বিষয়বস্তু। এনেদৰে মানৱ জীৱনত অৱশ্যম্ভাৱী হৈ পৰা মৌলিক কথাবোৰ হৃদয়ংগম কৰাৰ প্ৰয়াস কৰিলে প্ৰকৃততে অধ্যয়ন কৰিবলগীয়া কোনো বিষয় কাৰো বাবে কঠিন হ'ব নোৱাৰে। এনেবোৰ অৱশ্যম্ভাবীৰ পৰা মানুহে যিহেতু কোনো পৰিস্থিতিতে হাত সাৰিব নোৱাৰে তেন্তে সমাজ বিজ্ঞানৰ অন্যতম গুৰুত্বপূৰ্ণ বিষয় "অৰ্থশাস্ত্ৰ"ৰ পৰা কিদৰে আঁতৰি থাকিব?

নবাগত শিক্ষাৰ্থী— যিসকল উচ্চতৰ বিদ্যালয় অথবা মহাবিদ্যালয়ত প্ৰবেশ কৰে সেই সময়ত অভিভাৱক, শিক্ষক অথবা তেওঁলোকৰ পূৰ্ব্বজ সকলে এনেবোৰ কথাৰ অৱতাৰনা কৰা উচিত। এনে বাতাবৰণ সৃষ্টি কৰিব পাৰিলে শিক্ষাৰ্থী সকলৰ পছন্দৰ বিষয় বাচনি সহজ হৈ পৰিব আৰু অৰ্থশাস্ত্ৰ অধ্যয়নৰ প্ৰতি থকা অহেতুক ভীতিও নিশ্চয় দূৰ হ'ব। এইখিনিতে উনুকিয়াই থোৱা ভাল যে অকল অৰ্থশাস্ত্ৰই অধ্যয়নযোগ্য আৰু আন কোনো বিষয় অলাগতিয়াল তেনে কথা হ'ব নোৱাৰে। কিন্তু আমাৰ গ্ৰাম্য পৰিবেশত প্ৰচলিত ভ্ৰান্ত ধাৰণা সমূহ আঁতৰোৱাৰ ক্ষেত্ৰত প্ৰৱেশিকা পৰীক্ষাৰ প্ৰাককাল অথবা উত্তৰ কালত এনেবোৰ কথা তথাকথিত কাউঞ্চেলিং ৰূপত উপস্থাপন কৰাৰ বাতাবৰণ সৃষ্টি কৰা জৰুৰী। শিক্ষাৰ্থীৰ ভবিষ্যত শিক্ষাৰ দিক্ নিৰ্ণয়ৰ ক্ষেত্ৰত শিক্ষক, অবিভাৱক, সংশ্লিষ্ট কৰ্তৃপক্ষৰ দায়িত্ব নিশ্চয় আছে এনেবোৰ বিকল্প পথৰ উপস্থাপন কৰা। দিক্ নিৰ্ণায়ক সমল ব্যক্তিৰো পৰ্যাপ্ত চাহিদাৰ সৃষ্টি হৈছে। শিক্ষাৰ্থীৰ ভৱিষ্যত শিক্ষনীয় বিষয় সমূহৰ সাম্ভাব্য সুবিধা, ভবিষ্যত কৰ্ম্ম সুযোগ, সুবিধা আদি দিশবোৰ আৰু ইবোৰৰ পৰ্যালোচনা দাঙি ধৰাৰ এক পৰিবেশ গঢ়ি তোলা সময়ৰ এক আহ্বান বুলি অভিহিত কৰিব পাৰি।

বিভিন্ন বিকল্প সমূহৰ ভিতৰত অৰ্থশাস্ত্ৰ অধ্যয়নত প্ৰৱেশ কৰিব খোজা শিক্ষাৰ্থীয়ে ওপৰত উত্থাপিত মৌলিক কথাবোৰ বাস্তৱৰ সৈতে ৰিজাই এক সৰলীকৃত ধাৰণা হৃদয়ংগম কৰিব পাৰিব। এইখিনি সম্ভৱ হ'লে অৰ্থশাস্ত্ৰ অধ্যয়নৰ পথো প্ৰশস্ত হৈ পৰিব। আলোচিত মৌলিক কথাবোৰ আমি সকলোৱে দেখি থকা আৰু আমি এইবোৰৰ সৈতে পৰিচিত। আমাৰ পৰিচিত কথাবোৰ শৃঙ্খলাবদ্ধভাবে অধ্যয়ন কৰিব গলেই অৰ্থশাস্ত্ৰ বুলি এটা সমাজ বিজ্ঞান আহি পৰে। তেন্তে এই বিষয়টি টান বুলি প্ৰচলিত ভ্ৰান্ত ধাৰণা থকাৰ থল ক'ত?

অৰ্থশাস্ত্ৰত অঙ্ক শাস্ত্ৰৰ প্ৰয়োগ হয় বুলি ভীতিগ্ৰস্ততাও শিক্ষাৰ্থীৰ মনত শিপাবলৈ ধৰিছে। ইও প্ৰকৃততে ভয়ৰ কাৰণ হ'ব নোৱাৰে। প্ৰবেশিকা স্তৰত শিকি অহা হিচাপ নিকাচৰ কথাবোৰেৰে অৰ্থ শাস্ত্ৰৰ মৌলিক কথাবোৰ জুকিয়াই চোৱা হয়। মানৱ জীৱন পৰিক্ৰমাত হিচাপ নিকাচৰ পৰা কোনো ক্ষেত্ৰতে কোনেও হাত সাৰিব নোৱাৰে। মানুহ এজন সৰ্ব্বোচ্চ কিমান ওখ বা কিমান চাপৰ, শৰীৰৰ অঙ্গ প্ৰত্যঙ্গবোৰ কোনটোৰ অৱস্থান কোনটোৰ পৰা কিমান দূৰত্বত, জীৱনায়ু কিমান আদি কথাৰ পৰা

আৰম্ভ কৰি খাদ্যৰ পৰিমান, ভিন্ন ঠাইৰ দূৰত্ব, বস্ত্ৰৰ পৰিমাণ ইত্যাদি ইত্যাদি সকলোতে হিচাপ নিকাচ অথবা জোখ মাখৰ প্ৰশ্ন জড়িত হৈ আছে। এইবোৰৰ নিম্নতম শুদ্ধ ধাৰণা আহৰণৰ বাবেইতো উজ্জীৱিত হৈ আছে অংক শাস্ত্ৰ। পৰিতাপৰ কথা যে বৰ কঠিন বিষয় বুলি আমাৰ পৰম্পৰাই শৈশৱৰ পৰা শিক্ষাৰ্থীক ভীত কৰি তুলিছে যাৰ পৰিনতিত অঙ্কৰ কথা শুনিলে ছাত্ৰ-ছাত্ৰী দূৰতে বিদুৰ হ'ব খোজে। অঙ্কশাস্ত্ৰ বৰ কঠিন বুলি প্ৰচলিত ধাৰণাত পৰম্পৰা ভঙ্গ কৰাৰ সময় সমাগত। অঙ্ক শাস্ত্ৰৰ অতি উচ্চস্তৰৰ সোণালী অনুপাত "Golden Ratio" বুলি এটা ধাৰণা আছে। সুন্দৰৰ সৃষ্টিকৰ্তা ঈশ্বৰে তেওঁৰ সকলো সৃষ্টিত হেনো এই অনুপাত ব্যৱহাৰ কৰে। সেইবাবে ঈশ্বৰৰ যিকোনো সৃষ্টিয়ে সুন্দৰ। স্বয়ং ঈশ্বৰে আমাক সৃষ্টি কৰাত অঙ্ক প্ৰয়োগ কৰে আৰু মানুহেও অনেকে ক'ব নোৱাৰাকৈয়ে এই অনুপাতৰ ব্যৱহাৰ কৰে বিভিন্ন উৎকৃষ্ট সৃষ্টি ৰাজিত। শিল্পীৰ যিকোনো উৎকৃষ্ট মানৱ চিত্ৰ, ভাস্কৰ্য্য, আদিত জ্ঞাতভাবে বা অজ্ঞাতভাবে অঙ্কৰ সোণালী অনুপাত ব্যৱহাৰ কৰিয়েই আছে। ইংৰাজী ষষ্ঠ শতিকাত ইছলামীয় সভ্যতাৰ সকলো উৎকৃষ্ট ভাস্কৰ্য্য আৰু শিল্প কৰ্ম্মত অঙ্কৰ সোণালী অনুপাত ব্যৱহাৰ কৰাৰ তথ্য পোৱা যায়। সেইদৰে পুনৰ জাগৰণৰ সময়ত লিওনাৰ্ডো ডা ভিঞ্চিও তেওঁৰ চিত্ৰ শিল্প এই অনুপাত ব্যৱহাৰ কৰিছিল। সেইবাবে তেওঁৰ সৃষ্টি সমূহ সুন্দৰ হিচাপে যুগ যুগান্তৰ চলি আছে আৰু থাকিব। সকলোৰে বোধগম্য সাধাৰণ হিচাপ নিকাচৰ অনুপাত ধাৰণাটোৰে ইমান ডাঙৰ আৰু সুন্দৰ সৃষ্টি কৰ্ম্ম হৈ আছে। অথচ আমাৰ শিক্ষাৰ্থী ইয়াক কঠিন বুলি দূৰতে থাকিব খোজে। এই প্ৰসঙ্গতে কৈ থোৱা ভাল যে সকলোৱে সহজ বুলি ভাবি থকা ভাষা বিজ্ঞানৰো সৰহ সংখ্যক বৰেণ্য ব্যক্তি অঙ্ক শাস্ত্ৰৰ শাস্ত্ৰজ্ঞ। অৰ্থাৎ ভালদৰে অঙ্ক হৃদয়ঙ্গম কৰিব পাৰিলেহে অতি উচ্চ মানদণ্ডৰ সাহিত্য ৰাজিৰো সৃষ্টি কৰিব পাৰি।

ওপৰৰ আলোচনাৰ পৰা এইটো স্পষ্ট হয় যে অৰ্থশাস্ত্ৰ, অঙ্ক শাস্ত্ৰৰ প্ৰাথমিক ধাৰণাৰ হৃদয়ঙ্গমে অকল বিজ্ঞান শাখাই নহয় বৰঞ্চ কলা শাখাৰো যিকোনো বিষয়তে প্ৰৱেশৰ পথ সুগম কৰে। এনে পথ প্ৰশস্ত কৰাত উচ্চ স্তৰৰ শিক্ষাত প্ৰবেশ কৰাৰ পূৰ্ব্বেই শিক্ষাৰ্থলৈ "দিক নিৰ্ণয় পৰামৰ্শ"ৰ (Counselling) ব্যৱস্থা অপৰিহাৰ্য্য হৈ পৰিছে। ইয়াৰ অন্যথাই বিষয় সন্দৰ্ভত প্ৰচলিত ভীতিগ্ৰস্ততা অব্যাহত থাকিব।